এহি বুলি তিনিয়ো যুগৰ কথা কৈলা।
কলি যুগৰ আৰ কহিবাক লৈলা ॥

কলি যুগর সম একো যুগ নাই।
কলি যুগে নরদেহা কত পুণ্যে নাই॥
পরম পুরুষ ব্রহ্ম সনাতন হরি।
সদকুলে জন্মিব শঙ্কর নাম ধরি॥
একান্ত ভকতি ধর্ম্ম কলির যুগত।
প্রচার করিবে লোকে হইবে ভকত॥
শূদ্র বুলি বিপ্র সবে অসহ্য করিব।
বৃত্তান্ত কহিয়া সবে তাহাক নিন্দিব॥
বাদকরি নোরাবিলে আপুনি ভাগিব।
কতো কতো পণ্ডিত শরণে পশিব॥
ভাবিবেক লোক সব হব একাকার।
যাইব শঙ্কর কীর্ত্তি দ্বীপ দীপান্তর॥
ব্রাহ্মণ ক্ষেত্রীয় বৈশ্য চারি জাতি।
শূদ্রর আচার সবে ধরিবে সম্প্রতি॥
ধর্ম্মত বিপুল সবে হইবে ভকত।
কলিত কৈবর্ত্ত আনো লোক আছে যত॥
ইসবে কলিত সবে গুরু বোলাইবেক।
কলির যুগর কথা কহিবো কতেক॥
শাস্ত্র সব পঢ়ি দ্বিজ সবে হব অন্ধ।
ধনকেলে মাত্র তারা করিবে প্রবন্ধ॥
বণিককরি ধন লৈবে বিকিবে কন্যাক।
বোলাইবে পণ্ডিত উপজিবে গোল বাক॥
বান্ধিব জনার সরুক চুইবে লোকোদাই।
উবর রুধক নিজো পূর্ব্বে কেবল ঠাই॥

তাহাৰ পূজাক কৃষ্ণদেৱে কৰয়।
সিতো মহা পাপে মোৰ কলাৰ বজ্ৰ॥
এহিবুলি বশিষ্ঠ পৰম ঋষিৰাজ।
বামন আগত কহিলন্ত সুৰাজাক॥
কুৰ্ম্মাণত ইটো কথা কহিয়া আছয়।
বামন পুৰাণে আৰু কহিছে নিশ্চয়॥

ইয়াৰ পাছত কলিযুগে কোন ঈশ্বৰ অৱতাৰ হয় বুলি নাৰায়ণে প্ৰশ্ন কৰি সোধাত, পৰম ঈশ্বৰ শ্বেত দ্বীপপতী বৈকুণ্ঠৰ নাথে পৰিছয় ঠিৎকৰি দিয়ে।

পৰম ঈশ্বৰ শ্বেত বৈকুণ্ঠৰ নাথ।
পুছিলন্ত নাৰায়ণে যোৰ কৰি হাত॥
কলিযুগে কোনবা ঈশ্বৰ ভগৱন্ত।
কিছুমান কহিয়োক তাৰ আদি অন্ত॥
হেনশুনি শ্বেত দ্বীপ বৈকুণ্ঠৰ পতি।
কহিবে লাগিলা শুদ্ধ কথাক সম্প্ৰতি॥
মেৰ নামে যুগন্ত ঈশ্বৰ পৰম হৰি।
কলি যুগে আছিলন্ত ভেকে অৱতৰি॥

এই কথাকেয়েই পৰম ব্ৰহ্ম পাৰ্ক্ষণ্যা সভাপতিয়ে মন্তব্য স্বৰূপে ঈশ্বৰ দেৱ সকলক কয় যে; হে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, দশদিগ্‌পাল দেৱ সকল, আৰু সহস্ৰ ঈশ্বৰ সকল, মই মোৰ নিজৰ ব্যক্তিগত স্বৰূপে আৰু জগতৰ কল্যাণৰ অৰ্থে মই আপোনালোকক এটি সাধুকথা কওঁ শুনাহোন। যে ভবাণ্ডবী নামে এখন নগৰ আছিল, তাত মহাৰাজ শ্ৰীশ্ৰী মুকুন্দ অভয় দাতা শিৱমণি নামেৰে এজন সদাগৰ মহাজন আছিল, সেই মহাজন সদাগৰক বহোটা

সবা আছিল। পাছে সদাগৰ মহাজনে প্ৰতিটো সবাকে ৪০০০০০ চাৰি লাখ ২ কৰি টকা দি বেপাৰ কৰিবলৈ পঠাই দিলে। ক্ৰমান্বয়ে ১ম ২য় ও দশম আদি সবাই বেপাৰ কৰিবলৈ গৈ লাভ কৰা ধনে থাকক মূলনাথি কৰি ঘৰলৈ ঘূৰি আহে। পাছে অৱশেষত জেঠেকৰ পিছেই সুৰজীয়া পুতেকৰ হাতত চাৰি লাখ টকা হাতত দি ক'লে যে, বোপা! আমি সদাগৰ মহাজন লোক আমাৰ বেহা বেপাৰেই জীৱিকা, গতিকে তুমি এই নৌকা আৰু এই চাৰিলাখ টকালৈ বেপাৰলৈ যোৱা। কিন্তু দক্ষিণ দিশে নযাবা, যদি কদাচিত দক্ষিণ দিশে যোৱা তেন্তে সেইদিশে এখন মূলনাথি নামে নগৰ আছে, তাত প্ৰৱেশ নকৰিবা। আৰু হঠাৎ যদি সেই মূলনাথি নগৰত কোনো কাৰণত প্ৰবেশ কৰোতে কিবা বিপদ ঘটে, তেন্তে তাত এজনী মোৰ পৰম বান্ধৱ তিনিবুৰীয়া বুঢ়া আছে, তেওঁক উপায় সুধিলে, তেতিয়া তেওঁ ভালউপায় যুগুতি প্ৰদান কৰিব। এই বুলি কৈ সদাগৰ মহাজনে সেই সুৰজীয়া পুতেকক চাৰিলাখ টকা আৰু নৌকা দি বেপাৰলৈ পঠাই দিলে।

পাছে সুৰজীয়া পুতেকে নৌকা ও টকা লগত চাৰিজন প্ৰধান সেনাপতি চাৰিপাত মহামন্ত্ৰী আৰু নগৰীয়া আদিলৈ যাত্ৰাকৰি মনত ভাবিলে যে, পিতৃদেৱে কিয়নো দক্ষিণ দিশলৈ যাবলৈ বাৰণ কৰিলে? যাব। মই দক্ষিণ দিশলৈকে যাওঁ; এই বুলি তেওঁ দক্ষিণ দিশলৈকে যাত্ৰা কৰিলে। যাত্ৰাকৰি গৈ যাওঁতে এদিন ৰাতি এটা ঘাটত নাওঁ বান্ধি থাকোতে, ৰাতিপোৱাত কাষৰে নোকা কেইটামান মানুহ আহি ঘাটত উপস্থিত হৈ নাওঁ আৰু মানুহ দেখি-শুনিলে যে, এইবোৰ কাৰ নাওঁ কৰ মানুহ ক'লৈ যাব? তেতিয়া

নাৱৰীয়া সকলে কলে যে, জবাভৱী নগৰত থকা সদাগৰৰ নাওঁ মুকুতি বাণিজ্যলৈ যাব। তেতিয়া ৰজক সকলে কলে, যদি সেই সদাগৰৰ নাওঁ হয়, তেন্তে আমি নৌকা এৰি নিদি ইয়াক বন্ধ কৰিম। তেতিয়া নৌকা বাহিনীয়ে কয় কিয় বন্ধ কৰিবা? তেতিয়া ৰজক সকলে কয়ে যে আমি ৰজাৰ কাপোৰ ৰাত্ৰি যোগত ধোওঁ; কাপোৰ নিকা হৈছেনে নাই তাক চাবৰ নিমিত্তে এটা বগাবগলী চৰাই ৰাখি থওঁ কিন্তু সেই সদাগৰ মহাজনে এদিন এই ঘাটত নাওঁ ৰাখি তেওঁ সেই আমাৰ বগলী চৰাইটো মাৰি ভাত খালে। তেতিয়া আমি ৰজাৰ ঠাইত গোচৰ জনোৱাত তেওঁক চাৰিলাখ টকাৰ দণ্ডবিধান কৰাত, তেওঁ দিম বুলি স্বীকাৰ কৰি আজি লৈকে বহুত দিন হল আমাক টকা দিয়া নাই; গতিকে আমি এইবাৰ এৰিদিব নোৱাৰো সেই দণ্ডবিধানৰ টকা দিবই লাগিব। তেতিয়া নাৱৰ মহাজনে কলে যে মোৰ নাৱত মাত্ৰ চাৰিলাখ টকা আছেহে মাথোন, যদি তোমাক এই টকা খিনিকে দিওঁ তেন্তে মোৰ বেপাৰ কৰিবলৈ আৰু ধন নাই। গতিকে মই যেতিয়া বেপাৰৰ পৰা ঘূৰি ঘৰলৈ উলটি এই বাটেদিয়েই যাম, যাওঁতে মই তেতিয়া তোমালোকৰ সেই টকাৰ ঋণপৰিশোধ কৰি যাম; এইবুলি কৈহে ঘূৰি দিনা সেই ঘাটৰ পৰা যাত্ৰা কৰিলে।

তাৰপৰা গৈ থাকি আকৌ এদিন ৰাতি কোনো এটা ঘাটত নাও বান্ধি থাকোতে যেতিয়া মধ্য ৰাত্ৰি সময় হয়, তেতিয়া কেইজন মান মানুহে এটা কথা মানুহ লগত লৈ সেই ঘাটত উপস্থিত হৈ দেখে যে, ঘাটত নৌকা সহ কেইজন মানুহ আছে। তেতিয়া সেই মানুহ কেইজনে সুধিলে যে, এইবোৰ ক'ৰ নাও ক'ৰ মানুহ ক'লৈ যাব? তেতিয়া নাৱৰ মানুহে কলে যে জবাভৱী নগৰত

থকা সদাগৰৰ নাও বানিজ্যলৈ যাব। তেতিয়া সেই কেইজন মানুহে কলে যে যদি সেই সদাগৰৰ নাও হয় আমি এবিলিব নোৱাৰো বন্ধ ৰাখিম। তেতিয়া নাৱৰ মহাজনে সুধিলে, কিয় বন্ধ কৰিবা? তেতিয়া সেই মানুহ কেইজনে কলে যে, সেই সদাগৰে আমাৰ এই দেশতে আহি বেপাৰ বানিজ্য কৰি আছিল, পাছে তেওঁৰ এসময়ত চকুৰ দৃষ্টি হীন হলত এইযে আমাৰ লগত কণামানুহটো দেখিছা ইয়াৰ চকুদুটা তেখেতে খুৱাই ললে; আৰু কলে যে তোমাৰ চকুদুয়োটাৰ দাম মই নিজ ইচ্ছাই চাৰিলাখ টকা দিম, এই বুলি কৈ আজিলৈকে টকা পইচা একোদিয়া নাই, গতিকে আমি নাও এৰি দিব নোৱাৰো। তেতিয়া সেই নাৱৰ মহাজনে কলে যে, মোৰ নাৱত চাৰিলাখ টকা আছেহে মাথোন; কিন্তু যেতিয়া মই বানিজ্য কৰি এই বাডেদিয়েই যাম' তেতিয়া তোমালো কৰ উক্তটকাৰ ঋণ পৰিশোধ কৰি দিমবুলি কৈ, পাচদিনা সেই ঘাটৰ পৰা পুনৰ যাত্ৰা কৰিলে।

এইদৰে গৈ থাকি আকৌ এদিন ৰাতি নাও বান্ধি আছে। পাচে যেতিয়া মধ্যৰাত্তি হয়, তেতিয়া কেইজনমান মানুহে এজনী মাইকী মানুহ লগত লৈ সেই ঘাটত উপস্থিত হৈ দেখে যে ঘাটত নাওঁ সহ বহুত মানুহ আছে। তেতিয়া সেই মানুহ কেইজনে প্ৰশ্নকৰে যে এইয়া ক'ৰ নাওঁ ক'ৰ মানুহ কলৈ যাব। এনে কথা শুনি তেতিয়া নাৱৰ মানুহে কলে যে শ্ৰবাতবী নগৰত থকা সদাগৰৰ নাও বানিজ্যলৈ যাব। তেতিয়া সেই মানুহ কেইজনে কলে যে যদি সেই সদাগৰৰ নাও, তালেই হল আমি এৰিবিব নোৱাৰো, আমাৰ চাৰিলাখ টকা দিব লগা আছে, তোমালোকে নাও আৰু দিব নোৱাৰা আমি বন্ধ ৰাখিছো। তেতিয়া নাৱৰ মহাজনে

শোধে যে কিহৰ নিমিত্তে চাৰিলাখ টকা দিব লগা আছে, আমি যে নাওঁ নিব নোৱাৰাকৈ বন্ধ ৰাখিবা? তেতিয়া সেই মানুহজনে কয় যে সেই সদাগৰে আজি কিছুমান দিনৰ আগতে আমাৰ ইয়াতে আহি বেহাবেপাৰ কৰিছিল। পাচে এসময়ত তেখেতৰ ইয়াত বিক্ৰীবাটা ইমানবে হৈছিল আনকি নিজৰ চাউল মুঠি সিজাই খাবলৈ সময় নহৈছিল। এনেসময়ত আমি সকলোয়ে তেখেতৰ আদেশপাই বৰ্ত্তমান আমাৰ লগত যে এই মাইকী মানুহ গৰাকী দেখিছা এওঁকে বিবাহ কৰাই দিয়াত, তেখেতে বেহাবেপাৰ কৰিবলৈ বহুত সুবিধা সুযোগ পালে। অৱশেষে তেখেতে বেপাৰ বানিজ্য কৰি দেশলৈ যাওঁতে কলে যে এই মানুহজনীৰ পোষণ পালনৰ নিমিত্ত, মই চাৰিলাখ টকা দি পঠাম, কিন্তু আজিলৈকে টকা পইচা নাই গতিকে আমি নাও এৰি দিব নোৱাৰো। তেতিয়া নাৱৰ মহাজনে কলে বাৰু মোৰ নাৱত মুঠতে চাৰিলাখ টকা আছেহে, গতিকে মই যেতিয়া বেপাৰৰ পৰা ঘূৰি দেশৰ মুখে যাম তেতিয়া সেইটকাৰ ঋণ পৰি শোধ কৰি যাম বুলি কৈ পাচদিনা পুৱাই আকৌ পুণৰ যাত্ৰা কৰিলে।

তাৰ পৰা গৈ আকৌ এদিন ৰাতি এটাঘাটত নাও বান্ধি থাকি যেতিয়া ৰাত্ৰি মধ্যভাগ হলত এদল শকট মানুহ আহি সেই ঘাটত উপস্থিত হৈ দেখেবে বহুত নাও আৰু মানুহেবে ঘাট ভৰি আছে। তেতিয়া সেই শকত মানুহকেইজনে সুধিলে যে এইয়া ক'ৰ নাও, ক'ৰ মানুহ আৰু কলৈ যাব? তেতিয়া নাৱৰীয়া সকলে কলে যে ভবানীপুৰী নগৰত থকা মহামান্য শ্ৰীলশ্ৰীশ্ৰীযুক্ত অভয়দাতা শিৰমনি সদাগৰৰ নৌকা মুকুতি বানিজ্যলৈ যাব। তেতিয়া সেই শকট মানুহকেইজনে কলে যে অ' যদি সেই সদাগৰৰ নাও হয় তেন্তে আমি এৰি দিব

নোৱাৰো,, সকলোৱে ধৰহঁক ইয়াৰপৰা তুলি ঘৰলৈ লৈ যাওহঁক এই বুলি সকলোৱে ন্যৰত ধৰে ; তেতিয়া নাৱৰ গৰাকীজনে সোধে তোমালোকে কিয় মোৰ নাৱত ধৰিছাহক ? তোমালোকে নেজানানেকি যে কেনেকুৱা জনা শুনা গোটাই বিশ্বব্ৰহ্মাণ্ডত নাম জলা সকলোৱে শিৰৰ মুকুতমণি সদাগৰ মহাজনৰ নাও। তোমালোকক ধৰাইনি ৰজাৰ ওচৰত গোচৰ দি কাৰাগাৰত বন্ধ কৰা যাব । এনেকথা শুনি তেতিয়া সেই মানুহ কেইজনে কলে যে, আমি জানো তেখেত ডাঙৰীয়া ডাঙৰ ভদ্ৰতো ভদ্ৰউত্তম মহাজন আৰু অদ্বিতীয় সদাগৰ বুলিয়েই সদানন্দ নাম পাইছে ; কিন্তু আমালোকৰ যে চাৰিলাখ টকা খাই পানীকুতং কৰি নাশতং কৰিলে । তেতিয়া নাৱৰ মহাজনে সুধিলে কিহৰ নিমিত্তে চাৰিলাখ টকা খালে ? তেতিয়া সিবিলাকে কলে যে এই কালবৃত্তি নদীত সদাই নাও আনি বান্ধি ৰাখি বেহা বেপাৰ কৰে । এদিন বৰবাৰিষাৰ ধলনী পানীৰ সোঁতৰ কোবত বান্ধিথোৱা নাও বচি চিঁড়ি উতি গল, পাচে আমাৰ এডাল ছাই লেজুৰেহে কোনোমতে বান্ধি ৰখা হৈছিল, সেই লেজুডালৰ দাম চাৰিলাখ টকা, সেই টকানিদিয়াকৈ মহাজনে ৰাতিৰ ভিতৰতে নাও মেলিলৈ গুচি গল, আজিলৈকে তেখেত অহা নাই সেই গতিকে এতিয়া টকা নিদিলে আমি নাও এৰি দিব নোৱাৰো । তেতিয়া সেই মহাজনে নিৰুপাই হৈ কলে বাৰু মই এতিয়া এই নগৰতে বেহাবেপাৰ কৰিম, যাৰ সময়ত তোমালোকৰ টকাৰ ঋণ পৰিশোধ কৰি দি যাম । এই বুলি কৈ তাৰ পৰা গৈ মূলনাথী নগৰত সোমাই ক্ৰমাগয়ে বেচা-কিনা কৰি বেপাৰ সকলো কৰি নাৱত ভৰা দি পূৰ্ব্ব উন্নতি দেশলৈ যাবলৈ আৰম্ভ কৰি মনত ভাবিলে ? যে সেই চাৰিটা ঘাটত চাৰি লাখ কৰি মোৰ

লাখ টকাৰ ঋণপৰিশোধ কৰিব লাগিব ; যদি মই ঋণ পৰিশোধ কৰোতে যোল্লাখ টকা যায়, তেন্তে মোৰ লাভ মূল একেবাৰেই নেথাকিব। বাৰু মোৰ পিতৃদেউৱেযে কৈছিল যদি কোনোবিপদৰ আশঙ্কা হয়, তেন্তে সেইদেশত তিনিমুৰিয়া বুঢ়া এজন আছে তেওঁক উপায় যুগুতি সুধিলে ভাল বুদ্ধি দিব।

এনে কথা ভাবি সেই তিনিমুৰিয়া বুঢ়াক বিচাৰি গৈ দেখে যে এজোপা অগৰু চন্দন, এজোপা শিলিখা গছ, এজোপা বাহগছ আৰু এটা গৰুগোহালী ; এই চাৰিটা বস্তুৰ মাজত আহিন মাহত প্ৰথম সূৰ্য্য উদয়ৰ ৰদ কাচলিত এড়িয়া কাপোৰৰ যুৰি মাৰি বুঢ়া মানুহ এজন আঠু ছুটাৰ মাজত মুৰটো সুমুৰাই মুৰমুৰনি লাগি বহি থকা দেখি সুধিলে যে, 'হে আতাদেউ। তিনিমুৰিয়া বুঢ়াৰ ঘৰ কত আছে? তেতিয়া বুঢ়াই মাত লগালে যে বোপা তমিনো ক'ৰ পৰা আহিছা ক'ত থাকা আৰু তিনিমুৰীয়া বুঢ়াক কিয়নো লাগে?

তেতিয়া ছুমলীয়া লৰাই কলে যে আতাদেউ মই ভবাতৰী নগৰত থকা সদাগৰৰ ছুমলীয়া পুতেক। মোক পিতৃদেৱে চাৰি লাখ টকাদি বেপাৰ কৰিবলৈ পঠাইছে। বেপাৰ কৰিলো হয়, কিন্তু মই বৰ সঙ্কটত পৰিলো, এই সঙ্কটৰ কিবা উপায় পাবলুলি তিনিমুৰিয়া বুঢ়াক বিচাৰিছো। তেতিয়া বুঢ়াই কলে যে মইয়ে তিনিমুৰীয়া বুঢ়া, মোৰ এই আঠু ছুটাই ছুটা মুৰ আৰু এই নিজ মুৰতোৱেই সৈতে তিনি মুৰ ; বাৰু কচোন কেনে সঙ্কত ঘটিছে তেতিয়া ছুমলীয়া পুতেকে সকলো কথা ভাঙি পাতি কলে যে, এতিয়া সেই চাৰিতা ঘাটত চাৰিলাখ কৈ যোল্লাখ টকা দিব দিব লাগিব, ইয়াৰ উপায় কি হব? মোক ভাল বুদ্ধি এটা দিয়ক

তেতিয়া তিনিমুৰিয়া বুঢ়াই সুধিলে যে প্ৰথমে কি ঘাট পাবি!
তেতিয়া সুমলীয়া পুতেকে কলে যে প্ৰথমে ছাঁই লেজুৰ ঘাট পায়,।
২য় মাইকী মানুহৰ ঘাট, ৩য়ত কণামানুহৰ ঘাট, ৪ৰ্থত বজৰু।

তেতিয়া তিনিমুৰিয়া বুঢ়াই কলে তেন্তে বোপা তুমি কেইবা বিধবো লেজু কিনি লোৱাগৈ যেতিয়া সেই ঘাটত লোককেইজনক পাবা, তেতিয়া সিহঁতক কৰাযে তোমালোকৰ ছাঁইলেজু ডাল কেনেকুৱা, কেনেবঙৰ আৰু কিমান দীঘল ডাঙৰ মোক তাৰ চানেকী দেখুৱা; অৰ্থাৎ মোৰ নাৱত বহুৰকমৰ লেজু আছে যেনে— ছাঁইলেজু, ওগাৰ লেজু, জুই লেজু, মাটি লেজু, পানী লেজু, এজনি লেজু জেঙনি লেজু ইত্যাদি। যদি তোমালোকে চানেকী দেখুৱাৰ নোৱাৰা তেন্তে মই নিশ্চয় ৰজাৰ গুচৰত গোচৰ কৰিম, তেতিয়া সিহঁতে চানেকী দেখুৱাব নোৱাৰি পলাই গুচি যাব। অৰ্থাৎ ছাঁইলেজু হব নোৱাৰে, ছাঁইৰ অৰ্থে মায়াৰ বন্ধ বচি যেনে মিছা, মূৰবুদ্ধি, চোৰ, দাম্ভিক, খলুৱা, পিশুনতা ইত্যাদি—

তাৰ পাচত দ্বিতীয় ঘাট যে সেই মাইকী মানুহক পাম বুলিকৈছ তেতিয়া তুমি কবা যে অ' মোৰ মনত পৰিছে মোক পিতৃদেৱে কৈছিল যে বোপা! তুমি বানিজ্যলৈ যাওতে যদি মাইীয়েৰাক পোৱা তেন্তে লগতে লৈ আহিবা। অথাত আমাৰ দেশৰ পুৰুষ প্ৰকৃতি সংযোগৰ ধৰ্ম এইযে যেতিয়া পুৰুষ জন মৃত্যু হয়, তেতিয়া তেওঁৰ ভাৰ্য্যা লগত সতী যায়; যেনে—পুৰুষ প্ৰকৃতি হইবা একে বস্তি, তেহে সিজিবঁ হৰিত তকতি। গতিকে মোৰ মৃত্যুৰ সময় হৈছে মোৰ লগত সতী যাবৰ নিমিত্তে মাইীয়েৰক যেনে তেনে লৈ আহিবি। পিচে বোপা! কাৰোবাৰ লগত কোনোবা মৰিব পাৰিব জানো? আজি কালি যুগৰ সেইটো ধৰ্ম নহয়। আচলতে সমস্ত অনৰ্থকৰ

মূল যাই কাৰণ সুন্দৰী কামিনীগন। অৰ্থাৎ সেইটো ঘাট, বেশ্যা, ব্যাভিচাৰী, বা ভ্ৰষ্টাচাৰী, লম্পত, জুৱা, জুৱা-পাশাদি আৰু সুৰাপাণ ইত্যাদি।

তথাত যি কণামানুহৰ ঘাট পাম বুলি কৈছা, তুমি বজাৰৰপৰা কেইবা ৰকমৰ কিছুমান চকু আৰু ঔষধ ও যন্ত্ৰাদি ক্ৰয় কিনি লোৱাগৈ। যেতিয়া সেই কণামানুহটো পাবা তেতিয়া তাক কবা যে তোমাৰ যি কনাচকু আছে, এই যন্ত্ৰৰে কাঢ়ি গুচাই যতবিলাক মল বন্ধই আছে সকলোবিলাক পৰিষ্কাৰ কৰি, আমাৰ লগত অলপ বিষাক্ত ঔষধ আছে, তাক লগাই দি এইযে মোৰ নাৱত নতুন চকু আছে তাক লগাই দিয়া যাব। এতিয়া বোপা ভাবি চোৱাচোন সি এনেয়ে কণা চকুৰ বিষত ভত পোৱা নাই আৰু সি কি চকু কাঢ়ি বিষাক্ত ঔষধ লগাবলৈ দিবনে? অথাৎ কণাবুলি কাক কয় জানানে? যিবিলাক অবিদ্যা, অজ্ঞান, অন্ধকাৰ মায়া মোহ জালত পৰি আবৃত্ত হোৱা প্ৰবৃত্তি পন্থৰ লোক। যেনে—সংসাৰ ৰগৰ্ত্তে পৰি আছে লোক। মোহত অন্ধ নেদেখে দুখ শোক॥ কাল ভুজঙ্গে দংশি লয় প্ৰাণ। কৃষ্ণ বিনে কোনে কৰিবেক ত্ৰাণ॥

অৱশ্যত যি বজকৰ ঘাট বুলি কৈছা তুমি নাৱৰ টিঙত এটা বাতিত ন সেৰ মান পানী ৰাখি, তাত দৰিকনা ও পুঠি মাছ দুটা ৰাখিবা। যেতিয়া বগুক পাবা তেতিয়া সিহঁতক কবা, যদি তোমাৰ বগলী চৰাই আছিল তেন্তে সাৱধান কৰি কিয় নেৰাখিলা। চোৱা চোন এই মোৰ নাৱৰ টিঙত থকা পানী বাটিত যি মাছ দুটা দেখিছা সিহঁতে মোক নদীৰ পাকবিলাক আৰু পানীৰ দ, বাম তাক বুজাই দি গৈ থাকে। সেই মাছদুটা তোমাৰ বগলীচৰাইটোৰে উৰি আহি খাই পেলোৱাৰ নিমিৰ্ত্তে মোৰ "পৰম আৰাধ্য পিতৃদেৱৰ"

বাণিজ্য তিনিযুগ বন্ধ আছে, এই তিনিযুগৰ ক্ষতিপূৰণ প্ৰতি যুগে চাৰিলাখ কৰি বাৰলাখ টকাৰ দাবিৰ গোচৰ ধৰ্ম্মৰ নাৰায়ণ ৰজাৰ ঠাইত কৰা যাব ; এনেকথা শুনামাত্ৰকে ৰজকবিলাক পলাল

এই সাধুকথাকৈ সভাসদ সকলক পৰম ব্ৰহ্ম পৰমত্মাই সভাপতিয়ে সুধিলে যে হে ব্ৰহ্মা, বিষ্ণু, হৰ আৰু ঈশ্বৰদেউসকল ইয়াৰ পৰমাৰ্থিক অৰ্থ কিবা বুজি পোৱা হলনে ? তেতিয়া ঈশ্বৰদেউ সকলে কলে যে হে মোৰ চৌদ্ধ পুৰুষ বাপ পৰম কৃপাল গুৰু আমিনো কি পৰ্য্যাৰ আগত বাতিৰ পোহৰ। আমাক দয়া দৃষ্টিকৰি যেন বুজাই দিয়ক, আমি আপোনাৰ চৰণানুগত একান্ত শৰণীয়া ।

এই কথাশুনি পৰম ব্ৰহ্ম সভাপতি মহা মাহাদয়ে বুজাবলৈ আৰম্ভ কৰি কয় যে শাওঁবুলি ঈশ্বৰ নামকে কয় যেনে—ৰাম নামৰ নৌকা খনি, হৰিনামৰ বৈঠা, একান্ত ভকতসকলে নাৱৰ পিড়িপাট চাৰি লাখ টকা যে মূল ধন এইয়ে হৈছে জ্ঞান বিজ্ঞান, তদঙ্গ আৰু ৰহস্য প্ৰধান সেনাপতি তাৰ চাৰিজন যে সেয়ে গুৰু, দেৱ, নাম আৰু ভকত । সেই সেনাপতি সকলৰ চাৰি অস্ত্ৰ যেনে—শ্ৰৱন, কীৰ্ত্তন, শৰণ আৰু ভজনেই যাই মূল অস্ত্ৰ বুলি আছে কয় । যিজন পুৰাণ পুৰুষ ব্ৰহ্ম সনাতন হৰি আছে তিনিমুৰিয়া বুঢ়া বুলি কয় । তেওঁৰ প্ৰধান মূৰ ভক্তি আৰু গাঠ্ দুটাই জ্ঞান ও কৰ্ম ; অৰ্থাৎ জ্ঞান, কৰ্ম, ভক্তি এইযে তিনি মূৰ । আৰু চাৰিতা ঘাটত চাৰিলাখকৈ যি যোল লাখ টকা সেইয়ে যোলকলাই পূৰ্ণ কৃষ্ণ ভগৱন্ত, অৰ্থাৎ যোলঅনাই পূৰ্ণ এটকা মহত্ত্ব বুলি আছে কয় । আৰু কাল মূৰ্ত্তি বা কাল কণিকা নদী বুলিয়ে কোৱা হল, সেইয়ে ঈশ্বৰ কতাক্ষতে কলা কলাকৈ এইবিশ্ব ব্ৰহ্মাণ্ডখন সৃজন হয়, আকৌ কালৰ কুটিল গতিত পৰি কলা

কলাকৈ গোটেই বিশ্বব্ৰহ্মাণ্ডখন ধ্বংসহৈ লোপ পায়, অৰ্থাৎ কালৰূপি জনাৰ্দ্দন কৃষ্ণৰ এইয়ে লীলা সৃষ্টি। যেনে—

ঘোৰ আশা নামে নদী জল মহা ধন।
নানা বিধ তৃষ্ণা আত ঢৌ সৰ্ব্বক্ষণ॥
কাম ক্ৰোধ ভৈল ঘোৰ কুম্ভীৰ মগৰ।
নানা তৰ্ক বিতৰ্ক গহন ভয়ঙ্কৰ॥
মোহ ছয় মহা পাপ চিন্তায়ে কাযৰ।
দিন ৰাত্তি ভৈল আতি বেগ খৰতৰ॥
ক্ষনে ক্ষনে নেয় ধৈৰ্য্য বৃক্ষক খসাই।
যত জীৱ ৰাশি তাতে জাঁৰি উটি যায়॥
কৃষ্ণপদ নৌকা বিনে নহিকে তৰণ।
হেন জানি লৈয়ো যাস্তে কৃষ্ণত শৰণ॥

সেই যে শেষত ৰজকৰ ঘাটবুলি কোৱা হল অথাৎ যি সকল লোক নিজৰ মান, যশ, গৌৰৱ, পুৰুষালী দেখুৱাই লোকৰপৰা চল, বল, কপট, কৰি ধন বস্ত্ৰ আদি কাঢ়ি অনেক ভয় দেখুৱাই লৈ যায় যেনে 'ৰাজ্য ধন লোলোপা ৰাজনঃ, শাস্ত্ৰেতৰাবাঙ্কনাঃ ইয়াৰ পাচত যি বাৰলাখ টকাৰ পৰিমান দিয়া হল সেইয়ে দ্বাদশ স্কন্ধ ভাগৱত আৰৌ তিনিযুগৰ পৰিমান যি দিয়া হল, অথাৎ সত্য, ত্ৰেতা আৰু দ্বাপৰ এই তিনিযুগত হৰিনাম বাহুল্য স্বৰূপে প্ৰকাশ নাছিল, কেৱল মাত্ৰ কলিযুগৰ আদিতেতে শুকদেৱে পৰিক্ষিতৰ আগত দ্বাদশস্কন্ধ ভাগৱতৰ তত্ব হৰিনামৰ কথাদি কোৱাত, পৰিক্ষিতে ব্ৰহ্ম শাপ ও কলিৰ দোষৰ পৰা মুক্তি পায়। যি সকল লোক অতিশয় জাক জমক অশ্লীল আবোলী অশ্লীল ভাষী ও ভোগাভিলাসত মগ্ন কৰে, সেইয়ে ৰজক বা ৰজগুনীলোক।

সেই সকলে হৰি ভক্তি বা ভাগৱত ধৰ্ম্ম ভাল নেপাই আৰু ৰাখিব নোৱাৰে যেনে—

বজো গুণে কৰে কৰ্মত প্ৰীতি ।
কৰ্ম্মিৰ দম্ভ বাঢে নীতি ৰীতি ॥
কৰে হিংসা ধৰ্ম্ম নোপোজে বোধ ॥
যেহেন মুণ্ডাহে সৰ্পৰ ক্ৰোধ ॥
স্ত্ৰী ধন জন যৌৱন মদে ।
অন্ধ হোৱে বিদ্যা গৰবৰ পদে ॥

ইয়াৰ পাচত যাক ন সেৰ পানীৰ বাটিএতাত দৰিকণা ও পুথি মাছৰ কথা কোৱা হৈছে সেইয়ে দীন দয়াশীল দেৱ দামোদৰ। দীনজনৰ বন্ধু দাবীত্ৰ মৰ্দ্দন কৰুণা সদন এইবে দৰিকণা পুথিমাছৰ অৰ্থে বেদ, শাস্ত্ৰ, ভাগৱত, পুৰাণাদি পুথিবিলাক । ন সেৰ পানীৰ অৰ্থে ন বিধ ভক্তি যেনে—শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, দাস্য, সখিত্ব, বন্দন পদ সেৱন, অৰ্চ্চন আৰু আত্মাসমৰ্পণ। পানীবাটিৰ অৰ্থে ভক্তি সৰোবৰ। নাৱৰ টিঙৰ অৰ্থে কৃষ্ণৰ পদপঙ্কজ কীৰ্ত্তনৰ চিৰকীৰ্ত্তি। মাছ বা মীন অৰ্থে মানৱ জীৱন আদি জীৱবিলাক বগাবগলী অৰ্থে গুৰুধৰ্ম, ভবাতনী নগৰৰ অৰ্থে এই ভৱসংসাৰৰ নগৰ গ্ৰাম আদি, সদাগৰ মহাজনৰ অৰ্থে যাৰ জন্ম জৰা মৃত্যুহীন শ্ৰীমন্ত সুন্দৰ আৰু সকলো গুণৰ নিধী ও অতুলনীয়, অৰ্থাৎ সকলোৰে গৰাকী যিজন শিৰৰ মুকুটৰ চূৰামনি। তেখেতৰ দহজন পুত্ৰৰ অৰ্থে নিৰাকাৰ ব্ৰহ্ম সনাতন হৰিৰ মৎস্য, কূৰ্ম, নৰসিংহ, বামন, পৰশুৰাম হলিৰাম, শ্ৰীৰাম, বৰাহ, বোধ, আৰু কল্কী আদি এই দশঅৱতাৰেই দশপুত্ৰ। শেষ তুলনীয়া পুত্ৰ সৰ্ব্বাঙ্গ সুন্দৰ সৰ্ব্বশ্ৰেষ্ঠ দৈৱকী নন্দন শ্ৰীকৃষ্ণদেৱ। এইদৰেই প্ৰধান দশঅৱতাৰ হল হয় কিন্তু জীৱ তৰিবৰ

নিমিত্তে সমগ্ৰৰ সুবিধা সুযোগ একোনহল, গতিকে মূলশাখি নগৰত বেপাৰ কৰি লাভে মূলে সুখবোৰাৰ নিচিনা হল। কিন্তু কৃষ্ণদেৱে কিছুমান ভাল বেপাৰ কৰিছিল, এনেকৈ লোকৰ মৰা পুত্ৰকো বহুত যত্ন কৰি আনি দিছিল। তাৰভিতৰতে বহুত ৰাক্ষীবিলাত থাকিল যেনে—কৃষ্ণ ৰূপে অনেক পাপী পাষণ্ড অসুৰ ৰাক্ষস দৈত্যবিলাকৰ লগত যুদ্ধ কৰি পৃথিবীৰ ভাৰ হৰণৰ কাম কৰি থাকোঁতে পাছে অন্তকালে, বৈকুণ্ঠক গৈলা, পৃথিবীৰ গুছাই ভাৰ। ব্ৰহ্মাবিষ্ণু হৰ, আদি তিনিও দেৱতা, ঈশ্বৰে তিনি মূৰ্ত্তি। তথাপি পৰম অমূল্য ভক্তি, প্ৰচাৰিবে নভৈল কাৰো শকতি। কোনে ভাবিবেক, দুখীয়া জীৱক, শকতি আছে কাহাৰ। যাৱে মই গুৰু, নামক ধৰিয়া, লোহে। গৈয়া অৱতাৰ।

হে মোৰ মৰমৰ পৰম উপকাৰী ঈশ্বৰদেৱ সকল মই আৰু এটা গূঢ়াৰ্থ কথা কও শুনা এই সংসাৰত নৰনাৰীকে আদি কৰি পশু পক্ষীলৈকে সকলোবোৰ মোৰ পো জী নাতি আদি বহুত হল কিন্তু সিহঁতে ৰাজ বাত আহিবলৈ নেপাই দু:খৰ অন্ধকাৰ মাজত সোমাই। বাৰ ভাবুক (তৰ্ক. শাস্ত্ৰ) সমস্ত পৰি অন্ত নপাই আতুৰ বিহ্বল হল। সেইগতিকে এইবাৰ মই যতবিলাক অংশ কলা, বিভূতি আছে সেই সকলোবিলাক শক্তিৰ গুণ ধাৰণাকৰি ম নিজপূৰ্ণ শক্তিৰ কলা ধৰি (অথাৎ) যিবেলি মই পূৰ্ণকলাৰ শক্তি ধৰো সেইবেলি মোৰ অস্ত্ৰৰ প্ৰয়োজন নাই, কিন্তু কৃষ্ণঅৱতাৰে মই অস্ত্ৰ ধৰিলো সেইহে কাৰণে মই কৃষ্ণৰ অংশ বুলি কৈছো, ৰৰদোৱাৰ অসমদেশৰ মধ্যস্থলত শ্ৰীলোহিত ব্ৰহ্মপুত্ৰৰ পাৰত দুহুৰৰ ভুঞা। শূদ্ৰ কায়স্থ কুলত জনমধৰি ব্ৰাহ্মণ, চাণ্ডাল, ধনী, দুখী, পাপী, নিষ্পাপী, আদি যাতে সকলো জীৱই সহজে মোক্ষৰ অথবা

শিলৰ খটখটিত উঠি আহিব পৰা ৰামনামৰ সেতু বান্ধি দিব। আৰু অন্যান্য ঘট পট পূজা যত বিলাক আছে সেই সকলোবিলাক চুৰ্ণীকৃত হব। কেৱল এক মাত্ৰ নিৰ্ম্মল ভক্তি "একশৰণ হৰিনাম কীৰ্ত্তন ধৰ্ম্ম আদি অনাদি কাললৈকে থাকিব"।

এনে ভাৱে কথাকৈ থাকোতে তেতিয়া সেই সভাপতিজনৰ শৰীৰৰ পৰা পৰম লাৱণ্য সুন্দৰ ৰূপে এজন পুৰুষ বাহিৰ হল। তেতিয়া পৰমাত্মা সভাপতিয়ে সভাসদসকলক সুধিলে যে এই পুৰুষ জন যে মোৰ শৰীৰ পৰা বাহিৰ হল এওঁ কোন আপোনালোকে জানিচেনে? তেতিয়া সভাসদসকলে কয় যে আমি চিনিজানি পোৱাহে নেলাগে আমি দৃষ্টটো দেখিয়ে আচৰিত মানিছো, যে এজনৰ শৰীৰৰ পৰাযে এজন বাহিৰ হৈছে, ইয়াৰ অৰ্থ একো সুবুজো কৃপাকৰি আমাক বুজাই দিয়ক। তেতিয়া বুজাইছে যে মই যেতিয়া শঙ্কৰ নাম ধৰি অৱতাৰ হম মোৰ সহায়ৰ অৰ্থে এয়ো শূদ্ৰৰ কুলত মাধৱ নাম ধৰি অৱতাৰ হব, মোৰ শৰীৰৰ পৰা বাহিৰ হোৱা নিমিত্তে, এওঁৰ নাম বঢ়াৰ পো হব।

আকৌ ঈশ্বৰসেৱ সকলৈ চাই পৰব্ৰহ্ম পৰমাত্মা সভাপতিয়ে কলে যে এই পুৰুষজনৰ নিমিত্তে মই এটা সাধুকথা কওঁ শুনাচোন এখন অৰণ্যত দুজন বুঢ়া বুঢ়ীআছিল। পাছে সিবিলাক যৌৱন কালৰ পৰা কোনো সন্তান সন্ততি নো হোৱাকৈ গল, পাছে বুঢ়া বয়সত এটা লৰা হল। লৰাহল হয় কিন্তু সৰাই মাক বাপেকক সীকৃ ধৰি মাতিব নজনা হল। কেৱল মাত্ৰ বাপেকক মাতিব ঔ বুঢ়া, মাকক মাতিব ঐ বুঢ়ী। এদিন দুয়ো বুঢ়া-বুঢ়ী কোৱা মতা কৰিছে যে বুঢ়ি আমাৰ যৌৱন কালতে পৰা, কোনো সন্তান সন্ততি নোহোৱাকৈয়ে গল; পাছে এতিয়া সিবা বুঢ়াকালত লৰা

এটা হল সিয়ো সম্বন্ধ নজনা হল। গতিকে তই মোক পিতাই বুলি মাতিবি মযো তোক আই বুলি মাতিম, যেতিয়া লৰায়ে, আমাৰ মুখৰ মাত শুনি, সেই মাতকে ধৰিব, অৰ্থাৎ মোক পিতাই বুলিব তোক আই বুলি মাতিব। কিন্তু যেতিয়া ক্ৰমান্বয়ে লৰা ডাঙৰ হব, পিতাই আই বুলি চিনি পাব তেতিয়া তই মোক বুঢ়া বুলি মাতিবি, তোক মই বুঢ়ি বুলি মাতিম। ইয়াকে দুয়ো মিমাংসা স্থিৰ কৰি থাকোঁতে। দুয়ো পিতাই আই বুলিলৈ যেতিয়া ধৰিলে তেতিয়া লৰায়ো ক্ৰমান্বয়ে সেইদৰে বুঢ়াক পিতাই আৰু বুঢ়ীক আই বুলি মাতিবলৈ ধৰিলে।

তেতিয়া পৰম পুৰুষে ঈশ্বৰদেৱক কওক শুধিলে এই সাধুকথাতোৰ অৰ্থ বুজিছানে,, তেতিয় সভাসদসকলে কলে যে বাপ পৰম কৃপাল গুৰু আমি ইয়াৰ অৰ্থ এ কো নুবুজো। কৃপাকৰি আমাক বুজাই দিয়ক তেতিয়া সেই পৰম পুৰুষ সভাপতিয়ে কলে যে যেনেকৈ সেই বুঢ়া বুঢ়ীৰ লৰাই বাপেক মাক চিনি নেপাইছিল ; তেনেকৈ সংসাৰৰ জীৱবিলাকে ধৰ্ম্ম, কৰ্ম্ম জ্ঞান ভক্তিনো কি ? আৰু ঈশ্বৰনো কোন ? তাক চিনি নেপাই, নানান দেৱতাক পূজাকৰি নানান পশু-পক্ষী বধকৰি নানান যোনিত উপজি মৰি অধোগতিৰ বাটললে। সেই হেতুকে মই নিজে স্ব শক্তি পূৰ্ণ ভাৱে এই জনৰে সৈতে অৰ্থাৎ মই নিজে শঙ্কৰ মাধৱ নামে শূদ্ৰৰ ঘৰত দুইভাগে বিভক্ত হৈ ঘট পট আদি অন্যান্য পূজা দূৰকৰি নিৰ্ম্মল ভক্তি ধৰ্ম্ম একশৰণ হৰিনাম কীৰ্ত্তন ঠাইয়ে ঠাইয়ে গোটাই জগতত প্ৰচাৰ কৰি সকলো জীৱৰ সদ্গতিৰ অৰ্থে থান সত্ৰ আদি ও সপ্ৰেম ভক্তিক স্থাপিত কৰিম। তাকে দেখি সকলো জীৱই সেই সদ্ পথ ধৰি নিজৰ সদ্গতি সাধন কৰি অতি সহজে উদ্ধাৰ হৈ আহিব পাৰিব।

তেতিয়া পৰম পুৰুষে সেই বাহিৰ হোৱা মূৰ্ত্তিমন্ত পুৰুষজনক কলে যে শুনিছানে বঢ়াৰ পো আমি পৃথিবীলৈ যাব ওলাইছো । ঈশ্বৰ ঘাইকাৰণ এইযে যুগযুগান্তৰৰ পৰা যতবিলাক ধৰ্ম্ম ওলাল তাৰ ভিতৰত মোৰ নিৰ্ম্মল ভক্তি একশৰণ ধৰ্ম্ম প্ৰকাশ হোৱা নাই গতিকে পৃথিবীত বহুত পাষণ্ড উৎপন্ন হল । সেই কাৰণে পাষণ্ড দমনৰ হেতু অহিংসাৰ চাৰিপাত অস্ত্ৰলৈ সৃষ্টিলৈ যাব ওলাইছো । তেতিয়া ঈশ্বৰদেৱ সকলে সুধিলে যে অহিংসাৰ চাৰিপাত অস্ত্ৰ কেনেকুৱা ? (তেতিয়া সেই পৰম ব্ৰহ্মই) অৰ্থাৎ যে আগত সাধুকথা কওঁতে যি তিনিযুৰিয়া বুঢ়াজনে অগৰু চন্দন, শিলিখা, বাঁহগছ আৰু গৰুগোহালীৰ কথা কৈছিল, সেই আগৰু চন্দনগছৰ ছালকে সাচিপাত বোলে, শিলিখা গুটিয়ে গৰুৰ মুখেৰে লগদগাই খাবনি সবালে তাতে চিয়াঁহি হয়, আৰু চিঁয়াহিৰে সাচিপাতত বাঁহৰ কলমেৰেহে লেখিব পাৰি সেই গতিকে সেইমহাপুৰুষে অহিংসাৰ চাৰিপাত অস্ত্ৰৰ পৰিচয় দিছিল যে গছৰ ছাল, গৰুৰ মুট, গছৰ গুটি আৰু বাঁহৰ জেং, এইয়ে পাষণ্ড নিধনৰ চাৰিঅস্ত্ৰ । তেতিয়া সেই শৰীৰৰ পৰা বাহিৰ হোৱা বঢ়াৰ পোৱে কলে যে হে মোৰ চৌদ্ধ পুৰুষ বাপ পৰম কৃপালু গুৰু এই অধমকো লগত কৰিলৈ যাওক আৰু প্ৰভুৰ লগত যদি সেৱক থাকে তেন্তে কাৰ্য্যকাৰীতাত বহুত সহায় সুযোগ সুবিধা পাব, মই আপোনাৰ চৰণত লক্ষকোটিবাৰ সেৱা জনাইছো এই অধমক যেন কৃপাকৰি লগত লৈ যায় বঞ্চিত নকৰে ! তেতিয়া পৰম ব্ৰহ্ম পৰমাত্মা মহাপুৰুষে কলে বাৰু যদি তুমি যাব খোজা তেন্তে সৃষ্টিত বহুত দুৰ্দান্ত পাষণ্ড আছে তাৰ জিনিবৰ কাৰণে, অহিংসাৰ অস্ত্ৰলোৱা তেতিয়া বঢ়াৰ পোৱে কলে বাপ ! মোৰ চৌদ্ধপুৰুষ পৰমকৃপালু

গুৰু আপোনাৰ আশীৰ্বাদে আমিয়ো অহিংসাৰ চাৰিপাট অস্ত্ৰ লোৱা হৈছে; তেতিয়া মহাপুৰুষে সুধিলে কি কি চাৰিঅস্ত্ৰ? নাম কোৱাচোন? তেতিয়া শচাৰ পোৱে কলেবে শ্ৰদ্ধা, প্ৰেম প্ৰীতি, অনুৰাগ, এই চাৰি অস্ত্ৰ লোৱা হৈছে। এই কথাশুনি পৰম ব্ৰহ্ম পৰমাত্মা মহাপুৰুষে তেওঁক সহাস্য বদনে প্ৰশংসা কৰি তুমো স্বস্তিত অৱতাৰহৈ পৰম নিৰ্মল ভক্তি একশৰণ ধৰ্ম প্ৰচাৰ কৰিছেহি। এইদৰে সভাপতিৰ মন্তব্যৰ বক্তৃতাৰ শুনি ব্ৰহ্মাই প্ৰাৰ্থনা কৰে যে হে মোৰ পৰম কৃপালু গুৰু বাপ আমি মহাঅধমে কিছু পৌৰাণিক কালৰ যুগঅৱতাৰ শুনিবলৈ বাঞ্ছিত কৰা আৰু কলিযুগে কিয়নো শূদ্ৰ কুলে অৱতাৰহৈ ভক্তি প্ৰচাৰিব লাগে বুলি ব্ৰহ্মাই প্ৰশ্ন কৰাত তেতিয়া পৰম পুৰুষ ভগৱন্ত তাৰ থিক মিমাংশা দিবে যেনে—

হেন শুনি ব্ৰহ্ম সনাতন হৰি ।
কহিবে লাগিলা পুৰাণ্ কথাক সাদৰি ॥
ঈশ্বৰৰ লীলা কহি কোনে পাৱে সীমা ।
আদি অন্ত নাই যাৰ অদ্ভুত মহিমা ॥
পদ্মৰ কমৰ হন্তে চাৰি যুগ হৈলা ।
আৰু চাৰি যুগ তাৰ ওপৰে আছিলা ॥
ৰবিযুগ চন্দ্ৰযুগ আৰু যুগ ক্ৰিদি ।
নামত মহন্ত যুগ আছিলা সপ্ৰ`ত ॥
হৃষীকেশ নামে সেই যুগত ঈশ্বৰ ।
পৰম উপাস্য দেৱ আছিল লোকৰ ॥
তাহাৰ উপৰে চাৰি যুগ অনুপাম ।
শুনা মহাৰাজ মই তাৰ কহো নাম ॥

তাবালোকে সবে সদা কবে ধর্ম্মকাব ।
কৃতযুগ পিসিযুগ আব যুগ কর্ম ॥
ব্রহ্মান্দ ঈশ্বব সেই কালে আছিলন্ত ।
তাহান চবণ সদা লোকে আববিত্ত ॥
তাহান উপবে আছিলন্ত যুগ চাবি ।
আছিলন্ত সেই কালে ঈশ্বব মুবাবী ॥
ববীযুগ নামযুগ আব যুগ কৈলা ।
আছিল পবম যুগ মুহকুত্ত মালা ॥
আছিলন্ত যুগ আব শুনা আত্ত পব ।
যুগধব নামে সৃষ্টি কবিলা ঈশ্বব ॥
হবিকৃত্য নামে আব আছে যুগধব ।
শ্রীযুগ হব যুগ যুগ নিবন্তব ॥
ইহাব উত্তম যুগ শুনা নৃপবব ।
শ্রীধব নামে সেই যুগব ঈশ্বব ॥
কবে দান পুণ্য সবে প্রজাসব শুদ্ধ ।
নাহি চোব চোবা লোক মতিত্ত প্রবোধ ॥
তাতে শ্রেষ্ঠ কবি আব যুগছে আছয় ।
জ্ঞান কৃষ্ণ নামে সেই যুগত ঈশ্বব ॥
শুদ্ধ সত্য প্রবর্ত্তায়া লোকনিবন্তব ।
শুনিয়োক কথাকহো চাবি যুগান্তব ॥
বিষ্ণু যুগ আছিল ঈশ্বব অতিশয় ।
মাবযুগ কামযুগ যুগবে আছয় ॥
শুনিয়োক যুগ আব তাত পবে আছে ।
এহি বুলি কহিবে লাগিলা বুঢা তাত্তে ॥

হৰিযুগ বিত্তি যুগ আৰু কালান্তৰ ।
বিষ্ণুযুগ নামে সেই দেখা ঈশ্বৰ ॥
নেচা ৰতি নামে যুগ আৰু যুগ মালি ।
ঋষি যুগ নামে যুগ অন্ত কামি ॥
এহিমতে আঠাইছ যুগৰ কথা কৈলা ।
পুনৰপি আৰু কথা কহিবাক লৈলা ॥
ব্ৰহ্মযুগে আছিলা ঈশ্বৰ বংশধৰ ।
মহামুণি যুগত ঈশ্বৰ ভেল্তে বৰ ॥
ৰমন দীপক আৰ ঈশ্বৰ পৰম ।
পৰম যুগত যে ঈশ্বৰ নৰোত্তম ॥
গোবিন্দ যুগত ঈশ্বৰ অহঙ্কাৰি ।
ৰৰাহযুগে আছিলন্ত ঈশ্বৰ শ্ৰীহৰি ॥
চন্দ্ৰকেতু যুগ ভৈলা বৃন্দাবন বৰ ।
ৰুকন যুগতে হৰি আছিলা ঈশ্বৰ ॥
মেৰু নামে যুগত ঈশ্বৰ নামে হৰি ।
কলিযুগে আছিলন্ত ভেল্তে অৱতৰি ॥
এহিমতে তিনিশ যুগৰ কথা কৈলা ।
চন্দ্ৰমণ্ডলিয়ে শুনি বিমুছিত ভৈলা ॥
ব্ৰাহ্মণদৈবজ্ঞ ক্ষেত্ৰ বৈশ্য চাৰি জাতি ।
হুশুনিবে মোহোৰ কথাক কান পাতি ॥
শূদ্ৰ সবে ধৰিবেক বেদ ধৰ্ম্ম নিতী ।
আচৰিবে নৱ বিধ আমাৰ ভকতি ॥
তাতেসে হৈবোহো মই শূদ্ৰ কুলে জাত ।
পৰম্ ৰহস্য কথা কহিলো তোমাত ॥

ইবাৰ কহিবো আৰে জগত উদ্ধাৰ ।
পূৰ্ণব্ৰহ্ম আপুনি ভৈলন্ত অৱতাৰ ॥
এহি বুলি তৈন্তে প্ৰভু অন্তৰ্দ্ধান ভৈল ॥
দশ দিগপাল থানে থানে চলি গৈলা ॥

ইয়াৰ পাচত ব্ৰহ্মাদেৱেও কিছুমান যুগৰ কথাকৈ সভাভঙ্গ কৰি সকলোথানৰ ঈশ্বৰসকল ও দশদিগ্‌পাল দেৱতা সমূহ থানে থানে গুচি গল ।

এহি বুলি ব্ৰহ্মা দশ হাজাৰ যুগৰ ।
কহিলন্ত কথাইটো আগে নাৰদৰ ॥
ভজিয়ো হৰিক মাত্ৰ সেৱা কৰে নিত্য ।
চাণ্ডালকে আদি কৰি ভকতিৰ পাত্ৰ ॥
তিনিয়ো জাতিৰ ধৰ্ম্ম শূদ্ৰত ৰহিব ।
কলি যুগে সবে একাকাৰ হইবে ॥
অন্ত্য জাতি সবে হৈব ভকতি আচাৰ্য্য ।
ব্ৰহ্মাৰ মুখত শুনি কৈলো ইটোকাৰ্য্য ॥
এহি বুলি ব্ৰহ্মা পাচে নিচুকীয়া ৰৈলা ।
নাৰদে প্ৰনাম কৰি ঘৰে চলি গৈলা ॥
এহি মন্তে শুনি চন্দ্ৰ মণ্ডলিয়ো গৈলা ।
শ্বেতদ্বীপপতি আপোনাৰ থানে ৰৈলা ॥
জগত ঈশ্বৰ যিটো দৈৱকী নন্দন ।
সিতো সভাপতি হৰি ব্ৰহ্ম সনাতন ॥
শুনা নৰ নাৰী যেবে কথা নিৰন্তৰ ।
নৃপতিৰ আগে হৰি কহিলা শঙ্কৰ ॥
ৰাজা প্ৰজা শুনি সবে বিস্ময় মানিল ।

শঙ্কৰক গুৰু মানি সাৰতি ধৰিলা ॥
দেৱৰ দেৱতা তুমি পৰম ঈশ্বৰ।
মায়া কৰি আছা হুয়া ধৰা মনুষ্যৰ ॥
বুঢ়াভায়ে বৈকুণ্ঠ প্ৰয়াণৰ সময়ত গাইছে,
ঐ চৰিত্ৰৰ পয়াৰ । (পুৰুষোত্তম দেৱৰ ৰচিত)

—:×:—

জাতি বা বৰ্ণৰ পৰিচয়

এতিয়া বৰ্ত্তমান কলিযুগ, ধৰ্ম প্ৰচাৰক জনো কায়স্থ শঙ্কৰ। লোক সকলে যি বংশৰ বা যি বৰ্ণৰ ধৰ্ম কৰ্ম আচৰণ কৰে; সেই লোক সকল সেই বংশৰ ও সেই বৰ্ণৰ হয়। যেনে:- যদি কোনো জনে বাইবেলৰ খৃষ্টিয়ান ধৰ্ম কৰ্ম কৰে তেন্তে তেওঁক খৃষ্টিয়ান বোলে; যদি কোনো জনে কোৰাণ ইচ্লাম ধৰ্ম ধৰে তেন্তে তেওঁক ইচলাম বা মুছলমান বোলে, আৰু কোনোজনে যদি কৃষ্ণৰ কীৰ্ত্তণৰ কৃত্ত, কৰ্ম ধৰ্ম কৰে তেন্তে তেওঁক কৃষ্ণজাত বা বৈষ্ণৱ বোলে

কলিত কীৰ্ত্তনে হোৱে ভকত।
আত পৰে লাভ নাহি লোকত ॥
কেৱলে কৃষ্ণৰ কীৰ্ত্তনে তৰি।
ৰহ্মচিণ্ডি হোৱে আপুনি হৰি ॥

অৰ্থাৎ কলিযুগৰ ধৰ্ম নাম কীৰ্ত্তন আৰু প্ৰধানকৈ পুজইছে, গুৰু বুলি প্ৰমান হল। গতিকে যেটি তৰ্ক ৰবৰাদ নকৰি একমাত্ৰ

কলিকালৰ উপযুক্ত ধৰ্ম বুজি, পৰম পুৰুষ ভগৱন্তে কায়স্থ কুলত শঙ্কৰ নামে অৱতাৰ হৈ হৰি নাম কীৰ্ত্তন ধৰ্ম প্ৰচাৰ কৰি ঠায়ে ঠায়ে স্থান কৰি থৈ যোৱা অসমৰ বিজয় স্তম্ভ "বিজয় পতকা" যুগ যুগলৈকো উৰি থাকিব। শাস্ত্ৰত লেখনী কিতাকেই অখণ্ডনীয় প্ৰমান।

কৰিয়ো হৰিৰ চৰণে ৰতি।
কলিত হৰিৰ নামেসে গতি ॥
কলিত কীৰ্ত্তন কৰে যিটো হৰিৰ নাম।
তাৰ আচৰিবে নেথাকিল কোনো কাম ॥
কলিত হৰিৰ কীৰ্ত্তন বিনাই আনমতে চাহে গতি।
যেন কুলবধু তেজি নিজ স্বামী ভজে গৈয়া উপপতি ॥
কৰিয়া কলিত কীৰ্ত্তন আতি।
পায়ে বৈকুণ্ঠক চৌত্ৰিশ জাতি ॥
হৰি ভজি হৰি নাম নলবে সাক্ষাৎ।
আপোনাকে আপোনি কৰিল আত্মঘাট ॥
কলিৰ ধৰ্ম হৰিৰ নাম জান।
পাপীৰ নিন্দাত নিদিবা কান ॥ (কীৰ্ত্তন - নামঘোষা)

এতিয়া এই কলিযুগত যি হৰিৰ নাম কীৰ্ত্তন নকৰে, আৰু যি নাম কীৰ্ত্তনীয়াক নিন্দা কৰে সিয়ে পাপী পাষণ্ড আৰু আত্মাঘাতী। এই নাম কীৰ্ত্তনেই সকলো জাতিকে অপ্ৰয়াসে বৈকুণ্ঠলৈ নিব পাৰে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ঠায়ে ঠায়ে ভনিতাত কৈ গৈছে যে—হৰিনাম সত্য ধৰ্ম, হৰিৰ কীৰ্ত্তন নিত্য কৰ্ম, হৰিৰ নাম সকলো ধৰ্মৰ ৰাজা, হৰি নামে সকলো পাপ মোচন কৰে, হৰি নামে সকলোৰে মূলধৰ্ম এককৰি, নৰকত পৰি থকা পূৰ্ব্বপুৰুষ

বিলাককো উদ্ধাৰ কৰে। সেই হেতুকে শঙ্কৰদেৱৰ প্ৰচাৰিত এক শৰণ সৎসঙ্গ হৰিনাম কীৰ্ত্তন ধৰ্ম্মৰ মাজেদি, জাতিবৰ্ণ নিৰ্ব্বিশেষে সাৰ্ব্বজনীন অসমক্ষেত্ৰ ভূমিত সকলোৱে হিন্দুৰ পৰা যৱন ও ব্ৰাহ্মণৰ পৰা চাণ্ডাল পৰ্য্যন্ত এক সমাজ, এক কেন্দ্ৰ, একছত্ৰি, এক ভাবাপন্ন আৰু এক মানুহ জাতি কৰি তুলিলে। যেনে:-

ব্ৰহ্মাদিতৃণ পৰ্য্যন্তং ভূতগ্ৰামং চতুৰ্ব্বিধং ।
চৰাচৰং বিশ্বমিদং প্ৰসুপ্তং যস্য মায়ায়া তব ॥

ব্ৰহ্মা আদি কৰি জীৱ যত   ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমতি যাই ।
তুমিসে চৈতন্য সনাতন   ৰাম ৰাম ৰাম ৰাম ৰাম
আমি অচেতনক নিষোক নাথ জগাই ॥ নাম ঘোষা

ভাবাৰ্থ—এই বিশ্ব ব্ৰহ্মাণ্ড সহ ব্ৰহ্মাকে আদি কৰি তৃণ পৰ্য্যন্ত অৰ্থাৎ উৰণ, বুৰণ, গজন, ভ্ৰমন আদি যত জীৱ আছে, একমাত্ৰ ভগৱন্তৰ যি জড়ৰূপা মায়া প্ৰকৃতি শয্যা আছে; সেই শয্যাত পৰি সকলো বিলাক অচেতন হৈ আছে; সেই সকলোবিলাকক সচেতন কৰি জাগৰিত কৰোতা বা প্ৰজন কৰোতা একমাত্ৰ পৰমাত্মা ভগৱন্ত মহাপুৰুষ। ইয়াক মাত্ৰ জানিব পাৰে মানৱ বোলা জীৱটিয়ে সেই শক্তিকে মানৱ বোলা জীৱটি একজাতি বা একবৰ্ণ। কেৱল মায়াত পৰা অজ্ঞান, অচেতন, মূৰ্খলোকে ভিন্ন ভিন্ন দেখে। মহাভাৰতত যুধিষ্ঠিৰৰ আগত শ্ৰীকৃষ্ণ ভগৱন্তপ্ৰকৰে কৈছে যেনে—

একবৰ্ণং মিদং বিশ্বং পূৰ্ব্বমাসিদ যুধিষ্ঠিৰ ।
ক্ৰিয়া কৰ্ম্ম প্ৰভেদেন চতুৰ্ব্বৰ্ণং প্ৰতিষ্ঠিতম্ ॥

হে যুধিষ্ঠিৰ! এই পৃথিবীত পূৰ্ব্বে মানুহ নামেৰে একজাতি মাথোন আছিছিলো। কিন্তু কালক্ৰমত পিছত নানান গুনকৰ্ম্মৰ

দ বা'ই নিজে চাৰিভাগে বিভক্ত পৰিস্থিতি হৈছে। এতিয়া গুনকৰ্মৰ ভিত্তি পৰিকল্পনা কৰি তেওঁলোক বুলি শ্ৰীকৃষ্ণভগৱত মহাপুৰুষে অৰ্জুনৰ আগত কৈছে যেনে—

ব্ৰাহ্মণ ক্ষত্ৰিয়বিশাং শূদ্ৰানাঞ্চ পৰন্তপ।
কৰ্মাণি প্ৰবিভক্তানি স্বভাৱ প্ৰভবৈগুণৈঃ ॥ ৪১ ॥

হে পৰন্তপ - এই স্বভাৱ প্ৰভৱ বা স্বভাৱৰ শক্তিৰ দ্বাৰা, এই গুণ তিনিটিৰে ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্য আৰু শূদ্ৰ চাৰিয়ো কৰ্ম বিভক্ত হৈছে। মানুহ বুলি এক বৰ্ণ বা এক জাতি মাত্ৰ। কিন্তু কৰ্ম বা ব্যৱসাই মানুহৰ জীবিকা মাত্ৰ। বিশেষতঃ কৰ্ম নকৰিলে সংসাৰ যাত্ৰা নিৰ্ব্বাহ নহয়। সন্ন্যাস বা ভক্তিকে আদি কৰি যি কোনো ধৰ্মই সিদ্ধ নহয়, গতিকে কৰ্মই মানুহৰ জাতি নহয়। যেনে -

শমো দমস্তপঃ শৌচং ক্ষান্তি ৰাজবমেৱচ।
জ্ঞানং বিজ্ঞানমাস্তিকং ব্ৰহ্ম কৰ্ম স্বভাৱজম ॥

শম; দম; তপ, শৌচ, ক্ষমা আৰ্জ্জৱ (সৰলতা) জ্ঞান, বিজ্ঞান (দ্ৰব্যগুণ) আস্তিক (ঈশ্বৰ বিশ্বাসী) এই কেইটি ব্ৰাহ্মণৰ স্বাভাবিক কৰ্ম।

শৌৰ্য্যং তেজো ধৃতিদাক্ষ্যং যুদ্ধে চাপ্যপলায়নম্।
দানমীশ্বৰভাৱশ্চ ক্ষাত্ৰংকৰ্ম স্বভাৱজম ॥ ৪৩

শৌৰ্য্য (বীৰত্ব) তেজ, ধৃতি (ধৈৰ্য্য,ক্ষমা) দক্ষতা (কাৰ্য্যপটু) সমৰক্ষেত্ৰ পাচমুখ নোহোৱা, দান আৰু ঈশ্বৰ চিন্তা এইকেইটি ক্ষত্ৰিয়ৰ স্বাভাবিক গুণ বা কৰ্ম ॥৪৪

কৃষি গোৰক্ষ্য বানিজ্যং বৈশ্যকৰ্ম স্বভাৱজম।
পৰিচৰ্য্যাত্মকং কৰ্ম শূদ্ৰস্যাপি স্বভাৱজম্ ॥ ৪৪

কৃষি, গরু পালন করা আর বানিজ্য এই কেইটি বৈশ্যর স্বাভাবিক কর্ম, আর কেবল আনর পরিচর্য্যাই শূদ্রর স্বাভাবিক কর্ম।

ন যোনীর্ণাপী সংস্কারো মশ্রুতং ন চ সন্ততি। কারণানী দ্বিজত্বস্য বৃত্তমেব তু কারনম্॥ জন্মনাজায়তে শূদ্র সংস্কারাৎ দ্বিজউচ্যতে। বেদভ্যাসাৎ ভবেদ্বিপ্র ব্রহ্মক জানাতি ব্রাহ্মনং॥ শূদ্রোঃ ব্রাহ্মনতা মেতি ব্রহ্ম নশ্চৈতি শূদ্রতাম। ক্ষত্রিয় জাত মেবন্তু বিদ্যাদ বৈশাৎ তথৈবচ॥ (মনু সংহিতা)

ব্রাহ্মনর ঘরত জন্ম হলেই বা সংস্কার করিলেই ব্রাহ্মন হব নোয়ারে। জন্মতে সকলো মানুহ শূদ্র থাকে, সংস্কার করিলে দ্বিজ হয়, বেদ অভ্যাস করিলে বিপ্র হয়, ব্রহ্মক জানিলে ব্রাহ্মন হয়। উপযুক্ত হলে শূদ্রয়ো ব্রহ্মত্ব লাভ করে; অনুপযুক্ত হলে ব্রাহ্মনো শূদ্র হব। মানুহ যেই সেই জাতিতে জন্ম হওক, গুণ ও কর্ম অনুসারেহে উচ্চ বা নিচ হব পারে। বর্ণাবর্ণ ঈশ্বরে গর্ভতে সাজী নপঠাই; নিজে নিজর গুণ বিভাব বলতহে বর্ণ সাজি লয়, এইয়ে বেদ বেদান্ত শ্রুতি স্মৃতির শ্রেষ্ঠ মত ই ভগবন্তর নিজ মুখর বাক্য।

ন বর্ণাশ্রমসংকেতৈন কর্মৌ পাশনাদিভিঃ।
ব্রহ্ম জ্ঞানং বিনা মোক্ষ ইতি বেদান্ত দিণ্ডিমঃ॥ বেদান্ত
আরে অনাদরি জান স্বধর্ম বিশেষ।
কেবলে দিয়োক ভকতির উপদেশ॥
ভকতি বিহীন জ্ঞান কর্মো সবেশ্যর্থ।
কহিলো স্বরূপে বেদান্তর তত্ব অর্থ।
নমঃ শূদ্র চতুর্ব্বেদি মদ্ভক্তশ্বপচঃ প্রিয়ঃ'। তস্মৈদেয়ং ততোগ্রাহ্যং

স চ পূজ্য যথাহ্যহং ॥ ন শূদ্রা ভগবদ্ভক্তাস্তেপি ভাগবতোত্তমা ।
সর্ব্ব বর্ণেষ্বতে শূদ্রা যেন ভক্তা জনার্দ্দনে ॥
অভক্ত ব্রাহ্মণ নোহে প্রভুর প্রিয় পাত্র ।
শাস্ত্রে বোলে যেবে ভক্তে সেহে প্রিয়মাত্র ॥
ভক্তে যেই দিয়ে কৃষ্ণে করয় ভক্ষণ ।
অভক্ত বিপ্রযো দ্রব্য নকরে স্পর্শন ॥
শূদ্র নোহে কৃষ্ণর যেই ভজন করে ।
সেই জন ভাগবত জনহ সংসারে ॥
উত্তম বর্ণত নাহি ভজে জনার্দ্দন ।
সর্ব্ব বর্ণ মধ্যে শূদ্র হয় সেই জন ॥
চণ্ডালপি মুণি শ্রেষ্ঠ বিষ্ণু ভক্তি পরায়ণা । বিষ্ণু ভক্তি বিহীনস্য দ্বিজোহপি শ্বপচাধমঃ ॥ শূদ্রং বা ভগবদ্ভক্তং নিষাদং শ্বপচং তথা বীক্ষ তে-জাতি সামান্যং সংজাতি নরকং ব্রজেৎ ॥
শ্রীকৃষ্ণ ভজনে হয় সবে অধিকারী ।
কিবা বিপ্র কিবা শূদ্র কিবা পুরুষ নারী ॥
সর্ব্ব বর্ণে যেয়ে ভজে সেয়ে শ্রেষ্ঠ হয় ।
বি নভজে সিয়ে চাণ্ডাল সর্ব্ব শাস্ত্রে কয় ॥
কৃষ্ণ ভক্ত শূদ্র নিচ চাণ্ডাল যবন ।
তার জাতি দৃষ্টি কৈলে নরকে পতন ॥ ভাগবত
আমার অমূল্য বি ভক্তি রত্নধন ।
অন্যজেপ ব্রাহ্মণকে দিবাক পারয় ।
ইহাত সংশয় তৈল বিটো অজ্ঞানীর ।
জানীবাহা ব্রহ্ম জ্ঞান ছেদ তৈলয় শীঘ্র ॥
জাতী বিচাবিবা বিটো বৈষ্ণব নিন্দয় ।

পঞ্চম পাতকী হৈয়া নৰকে পৰয় ॥
ভকতক কৰিব ভেদাভেদ জ্ঞান ।
নৰকে পৰিবে হুনাই পুনৰাগমন ॥
শ্ৰৱন কীৰ্ত্তন মোৰ ভক্তিক নিন্দয় ।
পঞ্চম পাতকী হৈয়া নৰকে চলয় ॥ পদ্ম পুৰান
কৃষ্ণমন্ত্ৰ বিহীনস্য পাপীষ্ঠস্য দুৰাত্মনঃ ।
শ্বান বিষ্ঠা সমাচ্ছানং নিবয়া মদিৰা সমং ॥ নাৰদ পুৰাণ
কৃষ্ণমন্ত্ৰ হীন জন মতি অতি দুষ্টা ।
জল সুৰা অন্ন তাৰ কুকুৰৰ বিষ্ঠা ॥
হংস নিগদতি, শুনিয়ো নৃপতি, পুৰ্ব্বাপৰে যেন আছে ।
কোন গৰ্ভে জন্মি, হৈলা মহামুণি, তোমাত কহিবো পাছে ॥
ক্ষত্ৰিয় সন্ততি, হয়া মহামতি, তপক কৰিলা আসি ।
ধৰ্ম্মৰ কৰ্ম্মৰ প্ৰভা ৱ তেজত, হৈল ব্ৰাহ্ম• ঋষি ॥
আউৰ ভৃঙ্গি ঋষি, শুনিয়ো হৰিষি ভৃঙ্গি কীটে উতপন্ন ।
উত্তম ব্ৰাহ্মন, হৈল সেহি জন, ঋষিৰ অগ্ৰেগনন ॥
পৰাশৰ মুনি জন্মিলা আপোনি, চাণ্ডালনী কন্যাৰ গৰ্ভত ।
সৎকৰ্ম্ম ফলে, পাইল অবিকলে, তেজৰ দেখা মহত্ব ॥
হস্তীনিৰ গৰ্ভত, জন্মিলা পুৰ্ব্বত, •।শত মাতঙ্গ মুনি ।
ব্যাস মুনিবৰ, কৈবৰ্ত্ত কণ্যাৰ, গৰ্ভত জন্মে হৰিষি ॥
মুণি যে বশিষ্ঠ, বেশ্যাৰ গৰ্ভত, জনম ধৰিলা আসি ।
গোবিন্দৰ প্ৰিয়, নামে তাৰ জীৱ নাৰদ জন্মিলা দাসী ।
ক্ষেত্ৰিয়ত হন্তে বাহ্মনীত হৈলা জাত ।
অপবিত্ৰ সুত সিতো জগতে প্ৰখ্যাত ॥
অষ্টাশী সহস্ৰ ঋষি বেদত পাৰ্গত ।

তথাপিত্তো স্বতঃ গুৰু মানি শুনিলা ভাগৱত॥ (পুৰাণৰ মত) কুম্ভযোনি যেনে- স্বৰ্গৰ বেশ্যা উৰ্ব্বশীক দেখি সূৰ্য্য আৰু বৰুণৰ দেৱতাৰ বীৰ্য্য খলিত হোৱাত তাক কলহত ধৰা হল, তাতে বশিষ্ঠ আৰু অগস্ত্য মুণিৰ জন্ম হয়। এইদৰে ভৰদ্বাজ মুণিৰ পৰা দ্ৰোণাচাৰ্য্যৰ জন্ম হয়। শকুন্তলা বিশ্বামিত্ৰ মুণিৰ পৰা মেনকাৰ গৰ্ভত জন্ম হোৱা এজনা কন্যা। জন্মৰ পাছত মেনকাই এৰি স্বৰ্গলৈ গুচি যোৱাত কিছুমান শকুন চৰাইয়ে বেৰি থাকোতে কণ্ব মুণিয়ে পৰ তুলি লয়। পাচত চন্দ্ৰ বংশী দুষ্মন্ত ৰজাৰ তিৰী হ'ল, তেওঁৰ পৰাই ভৰত জন্মে, তেওঁৰ পৰাই ভাৰতবৰ্ষ নাম হৈছে।

বিশ্বশ্ৰবা মুণিৰ পুতেক ৰাৱন, কুম্ভকৰ্ণ ৰাক্ষস হয়, কশ্যপ মুনিৰ পুতেক হিৰণ্যক কশিপু দৈত্য হয়। বশিষ্ঠ মুণিৰ পুতেক চাণ্ডাল হয়। ব্ৰাহ্মনৰ পৰা দ্ৰোনাচাৰ্য্য গুৰুক বধ কৰি বীৰ অৰ্জ্জুন প্ৰায়শ্চিত্ত হব লগা নহল, কিন্তু হীন কুলৰ পৰা সূতক বধ কৰি অদ্ভুতবি পুৰুষ বলোভদ্ৰই ব্ৰহ্ম বধৰ প্ৰতিকাৰ নকৰি নোৱাৰিলে।

ক্ষান্তং দান্তং জিতক্ৰোধং জিতাত্মাং জিতেন্দ্ৰিয়ম।

তমেব ব্ৰাহ্মণং মন্যে শেষঃ শূদ্ৰাইতি স্মৃতাঃ॥

স্মৃতি শাস্ত্ৰত ঈশ্বৰ কৃষ্ণই কৈছে যে—ক্ষমাবান, দয়াশীল, জীত ক্ৰোধ জিতাত্মা, জিতেন্দ্ৰিয়কেই মই ব্ৰাহ্মণ বোলো অন্যান্য সকলো শূদ্ৰ।

অগ্নিহোত্ৰব্ৰত পৰান্ স্বাধ্যায়নিৰতান্ শুচীতান্।

উপাবাসৰতান্ দান্তাং স্তান্ দেৱা ব্ৰাহ্মণ বিদুঃ॥

যি সকলে আত্মাহুতি অৰ্থাৎ ধুপ ধুনা গন্ধাদি নৈবেদ্যাদি ঈশ্বৰত অৰ্পন কৰি গীতা ভাগৱত আদি অধ্যায়ণ কৰি ঈশ্বৰৰ নাম গুণ শ্ৰৱণ, কীৰ্ত্তনাদি সাধু ভকত আদি যেয়া আত্মাই জানে তেওঁহে ব্ৰাহ্মণ।

ন জাতি পূজ্যতে ৰাজা গুণ কল্যাণ কাৰকাঃ।
চাণ্ডালৰূপী বৃত্তস্থং তং দেবা ব্ৰাহ্মণং বিদুঃ॥

হে ৰাজা যুধিষ্ঠিৰ, জাতি পূজনীয় নহয় গুণতহে পূজা হয়, চাণ্ডালেও যদি উক্ত জ্ঞান বিলাক অৰ্থাৎ যি সত্য, শৌচ, ক্ষমা, তপ, অহিংসা, কাৰুণ্য, সহিষ্ণুতাদি গুণ বিলাক ধাৰণা কৰে মই তাকহে ব্ৰাহ্মণ বুলি স্বীকাৰ কৰো; ইয়াৰ বিপৰীত বিলাকেই শূদ্ৰ বা চাণ্ডাল।

যিটো চাণ্ডালৰ কায় বাক্য মনে
সদায়ে স্মৰে হৰি।
আছে বাহু ব্ৰত যিটো ব্ৰাহ্মণৰ
সিসে শ্ৰেষ্ঠ আত কৰি॥
যিটো মহাগৰ্ব্বী বিপ্ৰে আপোনাক
পবিত্ৰ কৰিব নাৰে।
ভকত চাণ্ডালে আপোনাক ত্যাৰে
সমস্ত কুল উদ্ধাৰে॥
যিটো নাম লেৰে মুখে পাইল মুখ্য মহাসুখে
জানা কৃষ্ণ তুষ্ট ভৈল তাৰ।
গুৰু ভৈল জগতৰে কৰিলেক সিতু নৰে
কোটি কোটি পুৰুষ উদ্ধাৰ॥

যিটো ভৈল হৰি নাম ৰসিক। ব্ৰাহ্মণৰ জন্ম তাক লাগে কিক॥

এইয়ে হল অস্পৃশ্যতা বৰ্জ্জণ বা জাতীয়তাত অবিৰোধী অথবা সম্প্ৰদায় একতাত সাম্যতাৰ, সৌম্যমূৰ্ত্তি; সৰ্ব্বজনীন অসম ক্ষেত্ৰ, পূণ্য ভূমি। আকৌ ইয়াৰ এটি সৰল ভাজনি আছে। যেনে—

মেদ, মজ্জা, অস্থি, শুক্ৰ, শোণিত, মাংস, ৰস, লোম, চাল নখ

আদিকৈ লৈ এটা শৰীৰ গঠন হয়। আৰু এই শৰীৰৰ ভিতৰত জীবাত্মা ও পৰমাত্মা স্থিতি থকাত সদাই সচেতন হৈ আছে। এনে কেইবাটাৰো শৰীৰ লগলাগি এখন গৃহস্থী হয়। যেনে—মোৰ পিতৃ, মাতৃ, ভাতৃ, ভাৰ্য্যা, পুত্ৰ, কন্যা, বোৱাৰী, জোৱাই ও নাতি ইত্যাদি। এনে কেইবাঘৰ গৃহস্থী লগলাগি এখন গাওঁ হয়। যেনে—দদাই, মোমাই, শহুৰ, শাহু, বন্ধু, বান্ধৱ, ইষ্ট মিত্ৰ, বুঢ়াবাদি। এনে কেইবাখনো গাও লগলাগি এখন জিলা হয়। যেনে—গুৱাহাটী, গোলাঘাট, তেজপুৰ, যোৰহাট। এইদৰে কইবাখনো জিলা লগলাগিলে এখন প্ৰদেশ হয়। যেনে—অসম প্ৰদেশ, বঙ্গ প্ৰদেশ, বিহাৰ উড়িষ্যা প্ৰদেশ ইত্যাদি। এইদৰে কেইবাখনো প্ৰদেশ লগ লাগিলে এখন দেশ হয়। যেনে—ভাৰত দেশ, চীন দেশ, আমেৰিকা দেশ ইত্যাদি। এইদৰে কেইবাখনো দেশ লগলাগিহে একোখন মহাদেশ হৈছে। যেনে—এচিয়া মহাদেশ, আফ্ৰিকা মহাদেশ ইউৰোপ মহাদেশ। এনেকুৱা কৈবাখনো মহাদেশ লগ লাগি এখন পৃথিবী হল, এনেকুৱা পৃথিবী অৰ্থাৎ স্বৰ্গ, মৰ্ত্ত্য, পাতালাদি লগলাগি, বৰ্ত্তমানে এই বিৰাজিত বা প্ৰকাশিত হৈ থকা চন্দ্ৰ, সূৰ্য্য গ্ৰহ নক্ষত্ৰগণসহ পৰ্ব্বত, কন্দৰ, নদী, সৰোবৰ, সমুদ্ৰাদি লৈ দেৱতা, অসুৰ; নৰ, নাৰী, প্ৰজা, পশু, পক্ষী, কীট পতঙ্গাদিকে লৈ এই বিশ্ব ব্ৰহ্মাণ্ড। ইয়াৰ প্ৰমাণ শাস্ত্ৰতে আছে যেনে—

আদিৰূপে পূৰ্ব্বত আছিল নাৰায়ন।
অনাদিক আদি দেৱে কৰিলে সৃজন॥
আদি নেজানিলে অনাদিৰ কোন স্থান।
অনাদি দেখিলে সৃষ্টি কৰিলে নিৰ্ম্মান॥

অৰ্থাৎ ভগৱন্ত পুৰুষে নাভি কমলৰ পৰা চাৰিমুখীয়া ব্ৰহ্মা এজন স্ৰজন কৰি সৃষ্টি কৰিবলৈ আদেশ দিলে। ব্ৰহ্মাও ন হওঁা হয় কিন্তু শাস্তি প্ৰজা কৰিবলৈ উপায় নেপাই, নিজৰ শৰীৰটোকে দুই ভাগে বিভক্ত কৰি সোঁফালৰ ভাগৰ পৰা স্বায়ম্ভুৱ মনু নামে এটা নৰা আৰু বাম ফালৰ পৰা শতৰূপা নামে এজনী কন্যা স্ৰজন কৰিলে। সেই নৰা আৰু ছোৱালী দুয়োটাকে বিবাহ দি ব্ৰহ্মাদেৱে কলে, তোমালোকে প্ৰজা সৃষ্টি কৰাগৈ অৰ্থাৎ পতিসন্তানাদি উৎপন্ন কৰাগৈ। তেতিয়া ব্ৰহ্মাদেৱৰ আদেশ পাই, সেই স্বায়ম্ভুৱ মনুৰ আৰু শতৰূপা কন্যাৰ পৰা আকুতি প্ৰসূতি ও দেৱহুতি নামে তিনিজনী কণ্যা জন্ম হয়। সেই তিনি জনী কণ্যাক সেই ব্ৰহ্মাদেৱৰ পুত্ৰ, দক্ষ আৰু কৰ্দ্দমাদি ঋষিক বিবাহ দিলে; সেই কৰ্দ্দমৰ ঔৰসে দেৱহুতিৰ গৰ্ভে ৯ নজনী কণ্যাৰ আৰু অৱতৰি সিদ্ধপুৰুষ কপিলৰ জন্ম হয়। তাৰ পৰা ক্ৰমান্বয়ে এই বিশ্বব্ৰহ্মাণ্ডত অসংখ্যাত জীৱৰ সৃষ্টি হয়। সেইহেতু মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে কীৰ্ত্তনৰ প্ৰথম কলমত লেখিছে যে প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন। সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ॥

আকৌ উপদেশত লেখিছে—যত দেখা চৰাচৰ, হৰিময় নিৰন্তৰ, হৰিৰ পৃথকে ভিন্ন কোনো নোহে। গতিকে শঙ্কৰদেৱে এক শৰণ সংসঙ্গ হৰিনামৰ মাজৰে সকলো জাতিকে হৰিৰ জাতি বা হৰিৰ মূৰ্ত্তি সাজি থৈ গল। যেনে—কেৱলে কলিত কীৰ্ত্তণে ভৰি। বন্ধ চিণ্ডি হোৱে আপুনি হৰি॥ কলিত কীৰ্ত্তণে হোৱে তৰ্কত। আত পৰে লাভ নাহি লোকত॥ এনেকুৱা সুযোগৰ সুৱলা সুবিধা কৰি থৈ যোৱাতো, যি সেই শঙ্কৰদেৱৰ ধৰ্ম্মৰ ভাৱলৈ ভাগ ভাগ অৰ্থাৎ সমাজ ভেদ, ধৰ্ম্ম ভেদ জাতি ভিন্ন কৰিৰ তাক

পাষণ্ড বুলি কীৰ্ত্তনৰ পাষণ্ড মৰ্দ্দনত লেখি থৈ গৈছে । যেনে—
বোলন্ত শুকে কিনো ভৈল খেদ । পাষণ্ডে কৰিবে বুদ্ধিক ভেদ ।
ইত্যাদি ।

—— x ——

শঙ্কৰ দেৱৰ চৰিত্ৰৰ পৰিচয় ।

অসমত ভাগৱতী সনাতন ধৰ্ম্ম প্ৰবৰ্ত্তক মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে ইয়াৰ আগতে পুৰণি কামৰূপত তান্ত্ৰিক শাক্ত ধৰ্ম্মৰ উদ্ভৱ হৈ, সি গোটাই দেশ জুৰি লৈছিল । প্ৰধানতঃ সেই কালত প্ৰায় লোকৰে ব্ৰাহ্মণকে আদি কৰি, ধৰ্ম্ম, কৰ্ম্ম, আচাৰ, ব্যৱহাৰ ন্যায়, নীতি, অতি কলুষিত হৈ পৰিছিল । সেই সময়ত মদ্য মাংসৰ লোভত পৰিণত হৈ অনেকজন ব্ৰাহ্মণ সজ্জনাদিয়ে মা কালী কামাখ্যা দুৰ্গাকে আদি কৰি ঘোৰ মাতৃকাৰ পূজা উপলক্ষ কৰি কৃষ্ণ সাৰ, মহ, ছাগলী, হাঁহ, পাৰ আদি জীৱ হত্যা কৰি আনকি নৰবলী পৰ্য্যন্ত হৈ, নৰহত্যা মহাপাপত লিপ্ত হৈ, মাংস ভোজী হৈ, পৰম গহীন গম্ভীৰ ভাৰত ওফন্দি গজাটোপ যেন হৈ পৰিছিল । আচল সাত্বিক ধৰ্ম্ম দুই একজন মান ব্ৰাহ্মণ সজ্জনৰ মনত মাথোন আছিল । কিন্তু প্ৰায় ভাগ ব্ৰাহ্মণ সজ্জনকে আদি কৰি ধৰ্ম্মৰ নামেৰে কপটৰ বাহ অন্তঃসাৰশূণ্য বিকৃতি পদাৰ্থৰ ঘোৰ তমসা বৃত্তিত পৰিণত হৈ শাস্ত্ৰত পণ্ডিত ব্ৰাহ্মণৰ পাণ্ডিত্যৰ শুকান কাঠ চাল ধৰিব ন্যায় দৰ্শন-কাব্য অলঙ্কাৰত আবদ্ধ আছিল । প্ৰকৃত বস্তু ঈশ্বৰৰ প্ৰকৃত জ্ঞান, ভক্তি, প্ৰেমময় বস্তু পৰমাত্মাত নাছিল । বঙ্গ দেশকে

আদি কৰি নিখিল ভাৰতত সেই শাক্ত পূজাইহে প্ৰচলিত আছিল। তাৰ প্ৰমান— যেতিয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱে "একশৰণ হৰি নাম ধৰ্ম্ম প্ৰচাৰ কৰে তেতিয়া কিছুমান ব্ৰাহ্মণে প্ৰতিবাদত শঙ্কৰক পৰাস্ত কৰিব নোৱাৰি বঙ্গ দেশৰ কোচবিহাৰ ৰাজ্যৰ ৰজা নৰনাৰায়নৰ আগত কালী দুৰ্গাৰ মূৰ্ত্তি সাজি পূজা কৰি পানীত উভাই দিয়া ধানখেৰৰ জুমুঠি কেইটামান নি গোচৰ কৰিছিল। পাচত বিচাৰ কৰাৰ ফলত ব্ৰাহ্মণবিলাক পৰাস্ত হোৱাত ব্ৰাহ্মণৰ হাতৰ বেদ, শাস্ত্ৰ বিলাক কাঢ়িনি দাগে কাতিকুৰি তোৰোচা নৈত ৰজাই পেলাই দিয়ালে, আজিযো কাকটকুৱা নদী নামহে বৈ আছে। আকৌ মানুহ মৰাৰ প্ৰেতৰ শ্ৰাদ্ধাদি যোগে প্ৰেতপূজা কৰি মৰাৰ চালটানি চাউল পাবলৈ নোপোৱাত ব্ৰাহ্মণ সকলে আহোম ৰজাৰ ঠাইত গোচৰ দিওঁতে, ৰজাই কোনাই চাওৰ পৰা খেদিলে। প্ৰমান শঙ্কৰ দেৱৰ চৰিত্ৰ যেনে—

দ্বিজসবে বোলে শঙ্কৰে দেয় হাক।
সমস্ত লোকক শ্ৰাদ্ধ বিধি কৰিবাক॥
এহি কথা দাবি গৈয়া ৰাজাত কহিলা।
শ্ৰাদ্ধ কাক বোলে বুলি ৰজাই শুধিলা॥
দ্বাবি বোলে মৰাক বঢ়াবে যত যত।
গুৱা পান কল চাউল দধি দুগ্ধ বস্ত্ৰ॥
তাক সবে নিবা পাছে ব্ৰাহ্মণে ভুঞ্জয়।
শ্ৰাদ্ধ বুলি ব্ৰাহ্মণ সকলে তাকে কয়॥
শুনিয়া অসম ৰজা ভৈলা কুপমন।
মৰাক বঢ়ায়া চাউল কৰয ভোজন॥

কাউৰ ডকৰা সম চুইবে নলাগয় ।
শঙ্কৰে কৰিবে শ্ৰাদ্ধ ভালেতো নেদয় ॥
মৰাৰ চাউল খাইবে নাপাই শঙ্কৰক ।
বোলে নষ্ট কৰিলেক সমস্তে ৰাজ্যক ॥
খেদাও চাণ্ডৰ পৰা কোবায়া এখন ।
হেন শুনি আপুনি নামিলা বিপ্ৰ গণ ॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ কালত যেনে অলৌকিক ঘটনাৰে পৰিপূৰ্ণ তেনেকৈ দৈৱকী নন্দনদেৱ শ্ৰীকৃষ্ণৰ লগত বিজনি কৰি দেখা গৈছে একে লীলা পৰিপূৰ্ণ । এওঁ আবিৰ্ভাৱৰ তৃতীয় দিনা শয্যাত অন্তৰ্দ্ধ্যান হৈ পুনৰাই প্ৰকাশ পায় । ষষ্ঠদিনা তেখেতৰ ভৰিলাগি খাট ৰাগৰি পৰে ; অষ্টম দিনা যেক শৃঙ্গ যেন গধুৰ হয়, দশম মাহত এওঁৰ গা লাগি হিন্দল গছ ভাঙে, একাদশ মাহত এওঁ যোগক্ৰিয়া দেখুৱায়, পঞ্চম বছৰত ব্ৰহ্মপুত্ৰত ডুব মাৰি চিতল মাছ ধৰি এৰি দিয়ে, অষ্টম বছৰত শিহু ধৰি এৰি দিয়ে, দশম বছৰত ভাদ মহিয়া ভৰপূৰ ব্ৰহ্মপুত্ৰ নদীত সাঁতুৰি ইপাৰ সিপাৰ হয়, বাৰ বছৰ বয়সত মহেন্দ্ৰ কন্দলীৰ স্কুলত পটি বৰ্ণমালা শেষ কৰিয়েই শ্ৰীকৃষ্ণ ভগৱন্ত পুৰুষৰ ৰূপ বৰ্ণন কৰি সংস্কৃত পয়াৰ লেখে । যেনে—

কৰতল কমল কমলদল নয়ন । ভৱদৱদহন গহন বন শয়ন ॥
নপৰু নপৰ পৰ সতৰত গময় । সভয় মভয় ভৱহৰ সততয় ॥
খৰতৰ বৰশৰ হতদশবদন । খগচৰ নগধৰ ফনধৰ শয়ন ॥
জগদঘ মপহৰ ভৱভয় তৰণ । পৰপদ লয়কৰ কমলজ বয়ণ ॥

সপ্তদশ বছৰত শঙ্কৰদেৱৰ বংশৰ ফুল পুৰোহিত ৰাম ৰায় গুৰুৱে এটি ছবি মন্দিৰ সাজি মূৰ্ত্তি পূজা কৰোতে, কি আশ্চৰ্য্য

যে পূজাৰ ফুল তুলসী মাল্যাদি মূৰ্ত্তিৰ গাত নপৰি শঙ্কৰদেৱৰ গাত পৰিল। তেতিয়া সকলো লোকে আশ্চৰ্য্য দেখি শঙ্কৰদেৱক ঈশ্বৰ কৃষ্ণ মহাপুৰুষ বুলি সেৱা ভক্তি নমস্কাৰাদি কৰিবলৈ ধৰিলে। অষ্টাদশ বছৰত দুৰ্দ্দান্ত ষাঁড় মৰ্দ্দন কৰে; উনৈশ বছৰ বয়সত চিহ্ন যাত্ৰা নামে ভাৱনা পাতি সপ্ত বৈকুণ্ঠৰ পট আকি বৈকুণ্ঠৰ ভগৱন্তক দেখুৱায়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে চিহ্ন যাত্ৰা'ৰ উদ্যোগত কাঠ অনাই খোলৰ জোখ দি আৰু কুমাৰৰ দাৰা'ই মাটিৰ খোল সজাই আনি, বাজনাৰ সৃষ্টি কৰিলে। চিহ্ন যাত্ৰাৰ পট আকি তাত লক্ষ্মী, সৰস্বতী. ১৪ পৰিষদ, ১২ গোপাল. ১১ বৈষ্ণৱ, ১০ অৱতাৰ, ৯ সিদ্ধ. ৭ বৈকুণ্ঠৰ-নাথ বহুৱাই, তাৰবীয় সকলক, মুখা সাজি পিন্ধাই সভাঘৰত, ঘোসাধেমালী, বৰধেমালী বামধেমালী, নাচ, নতুৱা, গীত, ৰাগ আদি শিকাই. ভকতসকলক লগত লৈ ৪টা আড়িয়া, ৯টা মৰটা, ৯টা বায়ন, গায়ন সহ, নিজে ৰাগ দি সূত্ৰধাৰ হৈ, একেলগে ৯টা খোল বজাই সপ্ত বৈকুণ্ঠ সহ ভগৱন্ত পুৰুষক দেখুৱাই দিয়াত, লোকসকলে একেথিৰে শঙ্কৰদেৱক চাবলৈ ধৰিলে। তেতিয়া দেখে যে গায়নতো শঙ্কৰ, বায়নতো শঙ্কৰ, সুত্ৰধাৰতো শঙ্কৰ, চিহ্নপটতো শঙ্কৰ, উৰ্দ্ধদিকেও শঙ্কৰ আৰু চতুৰ্দ্দিকে শঙ্কৰকহে দেখা পাই. হাজাৰ হাজাৰ লোক মুগ্ধ হৈ পৰিল। ৭ দিন ৭ ৰাতি অনৰ্গল দিন ৰাতি চিনি নোহোৱাকৈয়ে গল। সেই দিনাই শঙ্কৰ দেৱক ঈশ্বৰ, মহাপুৰুষ ভগৱন্ত বুলি চিনিবলৈ বা জানিবলৈ বাকী নেথাকিল'। যাত্ৰাৰ অন্তত শঙ্কৰদেৱে মহেন্দ্ৰ কন্দলীক সেৱা কৰিব খোজাত বাধা দিলে। যেনে—

প্ৰণামিবে চাহে গুৰু কন্দলী দেখিয়া। কি কৰাহা বুলি তাৰ

সাৰটি ধৰিয়া ॥ তোমাকেসে নমস্কাৰ কৰিবে লাগয় । তুমিয়ে ঈশ্বৰ স্বামী জানোহো নিশ্চয় ॥ মহেন্দ্ৰ কন্দলীৰ এনে কথা শুনি সকলো প্ৰজাই হৰিধ্বনি কৰিলে, হৰিধ্বনিৰ অন্তত— মহেন্দ্ৰ কন্দলী দণ্ডৱত কৰিলন্ত । কৰজোৰ কৰি সমস্তাক বুলিলন্ত ॥ শুনা সভাসদ বোলো নিশ্চয় বচন । শঙ্কৰ দেৱত মই পশিলো শৰণ ॥ (এই বুলি মহেন্দ্ৰ কন্দলীয়ে শৰণ লৈ আন বিপ্ৰসকলক কৈছিল) যেনে— শুনা কৰ্ণপুৰ চতুৰ্ভুজ দ্বয়োজন । নৰোত্তম গুৰু তুমি পণ্ডিত গহণ ॥ উৰ্দ্ধবাহু কৰি মই কৰো অঙ্গীকাৰ । শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ ॥ শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ । তাহাৰ ব্ৰাহ্মণ জন্ম আছোক ধিকাৰ ॥ মহেন্দ্ৰ কন্দলীয়ে এইদৰে কোৱাত ৰামৰাম গুৰু, কবিৰত্ন বিদ্যাবয়, ৰাম- সৰস্বতী আদি ব্ৰাহ্মণ পণ্ডিত সকলোৱে শঙ্কৰদেৱক ঈশ্বৰ কৃষ্ণ মহাপুৰুষ বুলি শৰণ লয় । যেনে—বোলে সৰ্ব্বজনে দেৱ শঙ্কৰক । শৰণ কৰাবো আৰে প্ৰভু আমাসাক ॥ ৰাম ৰাম গুৰু আদি ব্ৰাহ্মণ সকলৰ স্তুতি প্ৰাৰ্থনা অনুৰোধত শঙ্কৰদেৱৰ উত্তৰ, যেনে—

বোলন্ত শঙ্কৰে ইটো কথা নুহি ভাল । ব্ৰাহ্মণে শূদ্ৰক সেৱা কৰে কোনকাল ॥ ব্ৰাহ্মণ শূদ্ৰৰ গুৰু বেদত প্ৰসিদ্ধ । আমাত শৰণ লৈৰে নুহি মুক্তি সিদ্ধ ॥ শ্ৰীশঙ্কৰ দেৱৰ পৰা এনে কথা শুনি ইয়াৰ উত্তৰত ব্ৰাহ্মণসকলে কয়, যেনে—বদতি ব্ৰাহ্মণ সবে শুনিয়ো বচন । সাক্ষাত দেখিলো আমি তুমি নাৰায়ণ ॥ বৈশ্য বংশ ৰাজন্ত জাতিত বসুদেৱ । তাসবাৰ পুত্ৰৰূপে ভৈলা কৃষ্ণদেৱ ॥ দেৱঋষি ব্ৰহ্ম কিয়া তাক নেলেখিলা । যাৰ নাম গুণ বলে সংসাৰ তৰিলা ॥ আমাক তাৰিবে চোৱা তুমি দেৱ বৰ । তোমাত শৰণ আমি কৰিলোহো সাৰ ॥ শুনা সভাসদ সবে সেৱা

কৰয় মনে। আমাৰ শঙ্কৰ বিনে গুৰু নাহি আনে॥ সত্যে সত্যে সত্যে শঙ্কৰক গুৰু লৈলোঁ। কায়-বাক্য-মনে তান চৰণে ভজিলোঁ। ব্ৰাহ্মণ সকলৰ এনে সৎ অভিপ্ৰায় অপূৰ্ণ নকৰি, শঙ্কৰদেৱে বাড়িৰ ভিতৰতে গোপী উদ্ধৱ সংবাদ পুথিখনি লেখি পাচদিনা শৰাইত থাপনা কৰি, সৰ্ব্বজয় আতৈৰ বাবা ব্ৰাহ্মণ সকলক শৰণ কৰাই।) আপোনাক লাগি দণ্ডৱত কৰাইলা। বুদ্ধি অনুসাৰে তাক শৰণ কৰাইলা। (ভূঞা) ব্ৰাহ্মণ আনো নানা শ্লোক চয়। শৰণ লভিয়া সবে ভৈল ভাগ্যোদয়॥ (ইয়াৰ পাচত দামোদৰ বিপ্ৰৰ বচন যেনে:— একদিনা দামোদৰ কৰিয়া বিনয়। শঙ্কৰ দেৱক নমি প্ৰাৰ্থনা কৰয়॥ শৰণ লৈবাক লাগি হৈৰিলো নিশ্চয়। কৃপা কৰি শৰণ কৰায়ো দয়াময়॥ বদতি শঙ্কৰ তুমি ব্ৰাহ্মণ প্ৰধান। তোমাক শৰণ দিবে নাহিকে বিধান॥ শুনি দামোদৰে কহে তুমি নাৰায়ণ। ঈশ্বৰ অৱতাৰ ভৈলা সবাতো উত্তম। বিপ্ৰ ভট্টাচাৰ্য্য যত কন্দলী ব্ৰাহ্মণ। সিসবো তোমাত গুৰু লৈয়াছে শৰণ॥ তোমাৰ প্ৰভাৱ তাৰা সবে কহিলন্ত। তুমি দেৱ ঈশ্বৰ সাক্ষাতে ভগৱন্ত॥ নকৰিবো আশা ভজ পুৰাতন দাস। ত্ৰিলোক, শৰণ আমি কৰিয়াছো আশ॥ (এই কথা শুনি শঙ্কৰ দেৱে ভাগৱত শাস্ত্ৰ আনি শৰাইত থাপনা কৰি শাস্ত্ৰত দণ্ডৱৎ কৰাই শৰণ দিয়াই; আৰু শঙ্কৰ দেৱে দামোদৰক আদেশ দিছে) যেনে:— পাছে ভাগৱত আনি কৰাইলা থাপন। শাস্ত্ৰে দণ্ডৱৎ কৰাই দিয়াইলা শৰণ॥ আৰে দামোদৰ মোৰ আদেশ শুনিয়ো। ব্ৰাহ্মণ সৱক তুমি শৰণ কৰায়ো॥ এহি বুলি তাক মূৰ্ত্তি ভাগৱত দিলা। দেৱ দামোদৰ নাম সেহি দিনা ভৈলা॥

শৰণৰ পাছত দামোদৰ দেৱে শঙ্কৰ দেৱক ভক্তি কৰিছে, যেনে—

হেন শুনি দ্বিজবৰে, বুলিলন্ত অনন্তৰে, প্ৰণামিয়া শঙ্কৰ পাৱে ।
কিনো অনুগ্ৰহ মোক, কৰিলাহা বাপ তুমি, ভকতৰ কৰুণা স্বভাৱে ॥
যিতো দেৱ ভগৱন্ত, নাহি যাৰ আদি অন্ত, সেহি তুমি জানিলো সাক্ষাত
তুমি বিনে নাহি আৰ, কহিলোহো সাৰে সাৰ, লৈলো মই শৰণ তোমাত ।
তুমি মোৰ গুৰু নিষ্ঠ, দেৱতা পৰম ইষ্ট, তুমি বিনে নাই মোৰ আন ।
অনেক জন্মৰ মোৰ, দুৰ্ব্বাসনা গুচায়োক, ভকতি প্ৰদীপ দিয়া দান ॥

হৰি নামে এজন ব্ৰাহ্মণে দামোদৰ দেৱৰ মুখে শুনি শঙ্কৰ দেৱৰ ওচৰ পালেহি । যেনে :—

শঙ্কৰে বোলন্ত দ্বিজ কিসক আসিলা । হৰিয়ে গুৰু অৱনতে কহিবে লাগিলা ॥ হৰি দেৱতাত মোৰ মন লাগি হয় । আন দেৱসব জ্ঞান অংশ মাত্ৰ হয় । হৰি বিনে নাই কোনো মুকুতি দায়ক । বিচাৰি দেখিলো আমি সকলো শাস্ত্ৰক ॥ বৈষ্ণৱত বিনে আন উপদেশ দাতা । নাহিকে জানিলো তুমি তেজা মোক্ষ দাতা ॥ শৰণ কৰাযো মোক কৰিয়ো উদ্ধাৰ । তুমি জগতৰ গুৰু জানি আছো সাৰ ॥

এই বাক্যত হৰিয়ে শৰণ লোৱাৰ পাচত, দামোদৰ দেৱৰ ভাতৃ ভট্ট দেৱেও শৰণ লয় । শ্ৰীমন্ত শঙ্কৰৰ শৰীৰত এইৰূপে স্বয়ং ভগৱন্তৰ ৰূপ দেখি, অদ্বিতীয় অসাধাৰণ অৱতাৰ মহাপুৰুষ জগদ্ গুৰু বুলি ঘোষণা কৰিছে । প্ৰাচীন কামৰূপ জিলাৰ বাক্যত সেই অদ্বিতীয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ ৰচিত দশম, কীৰ্ত্তন, নামঘোষা, ৰত্নাৱলী, গুণমালা, বৰগীত আদি পুথি বিলাকে অসমৰ ঘৰে ঘৰে সেৱাৰ স্থলিত থাপনা কৰা কাৰ্য্যই, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক জগদ্ গুৰু বোলা সাৰ্থকতা কৰিছে, এই বিষয় মহা-পুৰুষশ্ৰীমন্ত মাধৱ দেৱ, পুৰুষোত্তম দেৱ, চতুৰ্ভুজ দেৱ, গোপাল

দেৱ এখাসনে মৰ্ম্মীভূত কেনেমনে প্ৰকাশ কৰিছে তাঁক চাওক অলপ মাত্ৰ তুলি দিয়া গল। যেনে—

ৰাগ ভাটিয়ালী,— জয়তি জগদ্গুৰু শ্ৰীমন্ত শঙ্কৰ ।
লোকক হিতার্থে হিত সবে জগতৰ ॥
অকপটে যিটো জনে গুৰুক সেৱয় ।
গুৰুৰ সমান শক্তি শিষ্যত হোৱয় ॥
শঙ্কৰক ঢাকি যিটো গুৰু ভাৱ লয় ।
নদীৰ কাষে বৃক্ষ হৈয়া ৰহিবে নিশ্চয় ॥
আশ পাশে বদ্ধ হই ধন দ্ৰব্য খাইব ।
শিষ্য সবে পক্ষী হৈয়া তাহাতে ভক্ষিব ॥
পৰম চতুৰ যিটো বুদ্ধিমন্ত সৱ হয় ।
শঙ্কৰ দেৱত পৰে গুৰু নাহি কয় ॥
শঙ্কৰ মাধৱ বিনে গুৰু নাই নাই ।
ভাগৱতৰ সাৰোদ্ধাৰ চতুৰ্ভুজে গাই ॥

ৰাগ ঐ— জয় জয় শ্ৰীমন্ত শঙ্কৰ দেৱ সাৰ ।
হৃদয় ভকতি পথ কৰিলা প্ৰচাৰ ॥
বাৰিষা কালৰ জল যেন বাঢ়ি যায় ।
সেহিমতে ভক্তি বৃদ্ধি কৰিলা সদাই ॥
শৰত কালৰ জল যেন তুটি যায় ।
সৰ্ব্বজনে ভক্তি কৰে কেহো জনে পাই ॥
কপট আচাৰ তত্ত্ব পায়া আছা মনাই ।
গলে শিলা বান্ধি যেন সাগৰে ডুবয় ॥
হৰি হৰি কিনো হৈল লোক সৰ্ব্বনাশ ।
হৰি ভক্তি এৰি কৰে আনক বিশ্বাস ॥

কহন্ত পুরুষোত্তম দীন মতি হীনা ।
সহজে দয়াল হরি ভকতি অধিনা ॥
তোমার চরণে সদা করোহো কন্দন ।
ভকতি পরমানন্দ কুসুম নন্দন ॥
তোমার মায়ায় লোক করিছে বিষম ।
মই সাধু বুলি ফুরো পাষণ্ড অধম ॥
পরম গম্ভীর ভাবে ফুরো ধৈর্য্য ধরি ।
অন্তর্গতে যরি ফুরো পাপক আচরি ॥
পরর দারত মোর মন নিমজয় ।
আসনে বসিয়া মালা জপিয়া দেখায়য় ॥
নাজানী মুগুচ সবে লোকে বোলে সাধু ।
বাস আছে কেশ নাই কণ্টকীর বাঢ় ॥
আপুনি বঞ্চিত ভৈলো ইসে মহাদুখ ।
কহয় পুরুষোত্তম পরম মূরুখ ॥
ভাটিয়ালী—হরি হরি কিনো ভৈল দুর্দিন হামারি ।
হাময় পাপের বধু নিরজিল পাপ সিন্ধু
ভাবিলা শঙ্কর অবতরি ।
তিনি যুগ ভৈল শেষ বলি কলি.পর বেশ
লোকক পিড়িল ঘোর পাপে ॥
শুবিনিল আত্ম তত্ত্ব ভৈল লোক উন্মত্ত
পুরি মরে সংসারর তাপে ॥
ভকতি রাখিবা হেতু লোকর কুশল হেতু
মিলালে শঙ্কর রূপে হরি ॥
সাগর গম্ভীর মেঘে বরষিলে অবিচ্ছেদে
হরি নাম জল যুগ ভরি ।

ভকত সকলে যত   পায়া পিয়ে উন্মত্ত
হৰি যশ ৰসৰ প্ৰভাৱ ॥
আনোলোক সুখী ভৈল   কলিমল দূৰে গেল
কহয় গোপাল হৰি পাৱ ॥

যেতিয়া ভগৱন্ত মহাপুৰুষ পৃথিবীত গুৰুৰূপে অৱতাৰ হৈছৈ আছে, তেতিয়া দেৱদেৱ মহাদেৱে কায়ত ভাৱৈৰে আনি, কুসুম্বৰ ভূঞা ও মহাযশোৱন্তি সত্যসন্ধ্যাৰ ঘৰত থয়হি। আগৰ ১৩পৃঃৰ পৰ ১৫ পৃষ্ঠাত ১১—১২—১৩—১৪ শ্লোকত চাওক। আৱশ্যকীয় বুলি গুৰুচৰিত্ৰৰ পৰা অলপ তুলি দিয়া হল। যেনে—

কৃতাঞ্জলি কৰি,   তহিতে আছয়,   ভূতপতি ত্ৰিনয়ন।
তাহাক সম্বোধি   আনন্দিত মনে   বুলিলা হৰিবচন ॥
শুনা জটাধৰ   কহিয়ো সত্বৰ   কুসুম্বৰ আগে যাই।
তাহাৰ গৃহত   হৈবো অৱতাৰ   কহিলোকো সমুদাই ॥
এই আজ্ঞা কৰি   তহিতে তেখনে   ভৈলা হৰি অব্যক্ত।
ঈশ্বৰ বাণী   শুনি চক্ৰপাণী   কহিলন্ত কুসুম্বত ॥
জগত আধাৰ   হৈবে অৱতাৰ   জানিবা তযু গৃহত।
ৰুদ্ৰৰ বচন   শুনি তেতিক্ষণ   আনন্দ ভৈলা মত্ত ॥
লভিল চেতন   স্বনে স্বনে মন   বোলন্ত মই লভিলো।
জানিলো স্ব স্বপ্ন   কহিল আবাত   যি সব পূৰ্ব্বে দেখিলো।
ভাৰ্য্যাক বোলন্ত   শুনিয়ো ঘৰিণী   কহিলন্ত মহেশ্বৰ।
আমাৰ গৃহত   হৈব অৱতাৰ   জানিলোহো গদাধৰ ॥

শ্ৰীকৃষ্ণ ভগৱন্ত পুৰুষে একাদশ স্কন্ধত উদ্ধৱক যি উপদেশ দিছিল, নাৰায়ণ ৰূপে চতুৰাননত যি বিজ্ঞান প্ৰদান কৰিছিল, সেই ধৰ্ম্ম কলিত লুপ্তহৈ বেদৰ প্ৰৰোচন পুষ্পিত বাক্যত মুগ্ধহৈ মানুহে

যেতিয়া নানা দেৱতাৰ পূজাও ধৰ্ম্ম কৰ্ম্ম কৰি অধোগতিৰ বাট লব, তেতিয়া মই শঙ্কৰ নামে বটদ্ৰৱা প্ৰান্তত অৱতাৰ হৈ চাৰিযুগৰ সাৰ, চাৰি শাস্ত্ৰৰ ৰস, বিচাৰ কৰি, গীতা, ভাগৱত, পুৰাণ, সংহিতা, বেদ, বেদান্তৰ তত্ত্ব উদ্ধাৰ কৰি ৮০ বিধ ভক্তিৰ ভিতৰত ৯ বিধ ৯ বিধৰ ভিতৰত তিনিবিধৰ ভিতৰতো এক শৰণ হৰিনাম গুণ শ্ৰৱন কীৰ্ত্তনকে সাৰোগত কৰি, নিৰ্মল ভক্তি ধৰ্ম্ম, ঠায়ে ঠায়ে প্ৰচাৰ কৰিম বোলা, যমৰজাৰ আগত ঈশ্বৰ পুৰুষ ভগৱন্তৰ নিজ মুখৰ বাক্য প্ৰমান আছে। আৰু মই যেতিয়া পূৰ্ব্বদিশে ধৰ্ম্ম প্ৰচাৰ কৰিম তেতিয়া মোৰ লগত ১৪ পাৰিষদ, ১২ গোপাল আৰু বৈষ্ণৱ ১০ অৱতাৰ ৯ সিদ্ধকে আদি কৰি মালাকাৰ বেশাকাৰ পৰ্য্যন্ত অৱতাৰ হবগৈ। সেই বাক্যকে সাব্যস্ত কৰি, দৈৱকী পৰমানন্দ জগতৰ গুৰু কৃষ্ণ শঙ্কৰ স্বৰূপে অৱতাৰ হৈছিল। সত্ত ৰাম দৈৱজ্ঞই গণনা কৰি শঙ্কৰ, গদাধৰ, ডেকাগিৰি অধিকাৰী, সন্ত, মহন্ত, আত্মা, গৃহস্থ আচাৰ্য্য, গুৰু আতা ভুঞাঁ শিৰমনি গোমোস্তা, ইষ্টদেৱহৰি আদি এতাৰ্হ ক্ৰমে প্ৰধান দশ নাম থয়। সাৰ্ব্বভৌম ভট্টাচাৰ্য্য নামে একজন উৎকল ব্ৰাহ্মনে অনেক শাস্ত্ৰ পঢ়ি সকলোশাস্ত্ৰ মন্থন কৰি পদ্মপুৰাণ স্বৰ্গখণ্ডত শঙ্কৰ চৰিত্ৰৰ নামাদি চন্দ্ৰ ৰচনা কৰি লিখি থৈ যায়। যেনে—

সাৰ্ব্বভৌম মোত আগে প্ৰনাম কৰিয়া।
পাছে তুমি ভক্তি তাৰে নামক ধৰিয়া॥
তৰ্ক তাহ বিদ্যাপতি ভট্টাচাৰ্য্য কৰ।
মাধৱ আচাৰ্য্য ত্ৰিভুৱন যে ঠাকুৰ॥
কৱিৰত্ন বিদ্যাৰত্ন উপাধ্যায়েৰ।
সৰস্বতী শ্ৰীকান্ত পঞ্চেৰ. মহাদেৱ।

রামচন্দ্র কৃষ্ণ দত্ত বিষ্ণু নারায়ণ ।
গোপাল জৈমিনি দেব দেব জনার্দন ॥
তাৰাসবে আপোন কুশল চিন্তাকরি ।
শঙ্করক গুরু মানি ভজিলন্ত হরি ॥
সূর্য্য মিশ্র কালিদাস তাহু হরিহর ।
চতুরর চুড়ামণি জ্ঞানী যজ্ঞেশ্বর ॥
জ্যোতিষ প্রধান শিব রাম নরোত্তম ।
চন্দ্রধর সূর্য্যধর সূর্য্য শর্ম্মা নাম ॥
মুচ্ রজা রত্নখরি বিজয় পরি নাম ।
ধর্ম্মখরি বজ্রখরি মতীর শ্রীরাম ॥
শ্রীগুরু গণেশ যে শিব শর্ম্মা নাম ।
উদিত উদয় খরি দিবাকর নাম ॥
সর্ব্বকালে ব্রহ্ম উপাসক সর্ব্বজন ।
শঙ্করক গুরুমানি লৈলেক শরণ ॥
ক্ষত্রিয়র মহারাজ রূপ সনাতন ।
শঙ্করক গুরুমানি লৈলেক শরণ ॥
বারানসী হন্তে আইল মহাভাগবত ।
প্রকাশিবে আপোনার স্বধর্ম্ম যত ॥
সুবর্ণ গৌরাঙ্গ তনু বর্ণ মহাকায় ।
পরম লাবণ্য মূর্ত্তি অধিকে শোভয় ॥
ছত্রাকৃতি মাঠা আকুঞ্চিত কেশচয় ।
সুলম কপোল বহু তিলক শোভয় ॥
চারুকর্ণে সুশোভিত নাসাতিল ফুল ।
দশন মুকুতা পাতি অধর বান্ধুল ॥

পূৰ্ণচন্দ্ৰ সমমুখ সিংহৰন্ধ স্কন্ধ ।
বহল জদম স্থক উদ্ধী প্ৰবন্ধ ॥
আকস্মিতে দেখি যেন বাহু চাৰিখান ।
চ ৰি অস্ত্ৰ শোভে হস্ত দেখি বিতোপণ ॥
উদৰত তিনি ৰেখা শোভে নিম্নমান ।
পূৰ্ণদুগ্ধ সম প্ৰতি দেখিতে শোভন ॥
জঘৰ ডৰক যেন কটি শোভাময় ।
উৰু ৰাম কল যেন অধিকে অলস ॥
ভকভজনৰ নিজ বাঞ্ছিত পুৰণ ।
গহীন গম্ভীৰ যেন সাগৰ বচন ॥
সকল সমান যেন অধিক বিৰাজে ।
যেন দিগ বিজয়ক কামদেৱ সাজে ॥
এমত লক্ষণ ৰাৰ দেখিবা প্ৰকাশ ।
যাঁক দৰশনে পাপ সকল বিনাশ ॥
জগন্নাথ স্বপ্ন দেখি নিদ্ৰাৰ জাগিল ।
শঙ্কৰ শঙ্কৰ বুলি প্ৰনাম কৰিল ॥
কতোদিনে আসি শঙ্কৰক লাগ পাই ।
জগন্নাথে স্বপ্ন কৈলা শঙ্কৰৰ ঠাই ॥
জগদীখে স্বপ্ন দেখি পাণ্ডাক কহিল ।
ভাগৱত লৈয়া পূৰ্ব্ব দিশক লৰিলা ॥
যতেক কহিলা ৰূপ সব দেখিলন্ত ।
ভাগৱত দিয়া তাত শৰণ লৈলন্ত ।
শঙ্কৰে কহিলা ভান পূৰ্ব্ব গুনগ্ৰাম ।
ইটো বিপ্ৰ আছিলন্ত মনেশ্বৰ নাম ।

বহুত বছৰ পূজা আমাক কৰিলা ।
পূজাৰ কাৰ্য্যত অন্ন চিত্ৰ আচৰিলা ॥
তাহাতে জন্মিলা বেদনিধি বিপ্ৰ হই ।
ইটোজন্মে গতি পাইবে কহিলো নিশ্চয় ॥
মহাশান্ত শীল সাধু বিষ্ণুপুৰী নাম ।
ব্ৰহ্মানন্দ আগে কৈলা পূৰ্ব্ব গুণ গ্ৰাম ॥
শঙ্কৰ স্বৰূপে হৰি হৈবে অৱতাৰ ।
তাক লাগি দিবা ৰত্নাৱলী গ্ৰন্থসাৰ ॥
ইটো ভাগৱত বাৰ স্কন্ধৰ তত্ত্ব ।
থৈলো ৰত্নাৱলী গ্ৰন্থ জানিবাহা তত্ত্ব ॥
বৈষ্ণৱী প্ৰচাৰ হোৱে ইটো প্ৰসাৰ ।
বৈষ্ণৱী হৈবন্ত হৰি সন্ত অৱতাৰ ॥
মোহোৰ প্ৰণাম চাৰি শ্লোক দি পঠাইবা ।
তুমিও তাহাক ভক্তি কৰিয়া ভজিবা ॥
সেসবো বিপ্ৰত কহি দিয়া পঠাইলন্ত ।
শঙ্কৰৰ আগে তেহো সেৱা জনাইলন্ত ॥
পৰমানন্দ নামে এক মহন্ত আছিল ।
শঙ্কৰক লাগ পাই তেহেন্তে ভজিল ॥
ৰাম কান্ত নামে শিষ্য মথুৰা পুৰত ।
শঙ্কৰক গুৰু মানি শৰণ লৈলন্ত ॥
ৰাধা নামে এক সন্ত আছিল গকুলে ।
শঙ্কৰক গুৰু মানি সিয়ো ভক্ত হৈলে ॥
সন্ন্যাসী ত্ৰিভক্তা নামে ব্ৰজত আছিল ।
শঙ্কৰক গুৰু মানি হৰিক ভজিল ॥

গোপীনাথ নামে সন্ত পুৰুষ তীৰ্থত।
শঙ্কৰক সিজনেও গুৰুমানি লন্ত ॥
জগন্নাথ পাণ্ডাসুত বিষ্ণুদত্ত নাম।
ৰামানন্দ হৰিদাস জৈমিনী শ্ৰীৰাম ॥
কৃষ্ণ ৰঘুনাথ আৰ এহি দশজন।
শঙ্কৰক গুৰুমানি লৈলন্ত শৰণ ॥
ৰামৰূপে শুক্লধ্বজ নৃপতি প্ৰধান।
শঙ্কৰক ইহাৰেও লৈলন্ত শৰণ ॥
ৰবি বুদ্ধি কৰিলন্ত নৰনাৰায়ণ।
শঙ্কৰক গুৰুমানি ভৈলন্ত কল্যাণ ॥
ইসব লক্ষণ মই দেখিলোঁ প্ৰত্যয়।
পণ্ডিতে নিন্দিবে কেন বুদ্ধি নাহয় ॥
শঙ্কৰদেৱৰ কোনে কহিবে মহিমা।
অনেক চৰিত্ৰ লীলা কোনে পাবে সীমা ॥
ইসব কথাক মই এহিমানে থও।
আশ্চৰ্য্য মহিমা তান কিছুমান কও ॥
শিশুকালে ছাত্ৰ সবে শাস্ত্ৰ পঢ়িলন্ত।
মহেন্দ্ৰ কন্দলী চতুৰ্ভুজ দেখিলন্ত ॥
গাতোবৈকুণ্ঠৰ চিহ্ন যাত্ৰা কৰিলন্ত।
অষ্টভুজ চতুৰ্ভুজ ৰূপ ধৰিলন্ত ॥
অনন্ত কন্দলী চতুৰ্ভুজ দেখিলন্ত।
চৈতন্যেও পৰম নিকট দেখিলন্ত ॥
চতুৰ্ভুজ ৰূপ দামোদৰে দেখিলন্ত।
তেহে ৰূপ দশ পাণ্ডা আগে ধৰিলন্ত ॥

কোবোলা বাঢৈক মূর্ত্তি কৰিবাক দিলা ।
কৰিবে নোৱাৰি বাঢৈ স্তুতিক বুলিলা ॥
শঙ্কৰে বোলন্ত বাঢৈ মান সময়ন্ত ।
দৰশন হৈবা মোক কৈলো স্বৰূপত ॥
বাঢৈয়ে শুনিয়া মান সময়ন্ত চাইলা ।
পৰম লাবণ্য চতুর্ভুজক দেখিলা ॥
তেহ্নয় স্বৰূপ বাঢৈ মূর্ত্তি গঢ়িলন্ত
শঙ্কৰে দেখিয়া পাছে আনন্দ ভৈলন্ত ॥
মদন গোপাল নাম মূর্ত্তিৰ থৈলন্ত ।
শঙ্কৰৰ মূর্ত্তি তান সমস্তে সেৱন্ত ॥
চান্দসাই নামে এক যৱন আছিল ।
নানাভাৱে শঙ্কৰক আশ্বাস কৰিল ॥
একদিনা চতুর্ভুজ ৰূপক দেখিলা ।
দুই হস্ত প্ৰসাৰিয়া শৰণে পশিলা ॥
বদৰিকা শ্ৰমত আছে উদ্ধৱ মহন্ত ।
তান আগে চতুর্ভুজ ৰূপ ধৰিলন্ত ॥
উদ্ধৱে জানিলা এহি কৃষ্ণদেৱ বুলি ।
শঙ্কৰেও চাৰিহাতে ধৰি আকোৱালী ॥
পুছিলা কুশল বার্ত্তা প্ৰীয়সখি বুলি ।
কহিলা বহুত কথা ভকতি সমুলি ॥
বৃন্দাবনে গোপপুৰ মথুৰা পুৰত ।
দ্বাৰকাৰ মাজে চতুর্ভুজ দেখিলন্ত ॥
ৰূপসনাতন দেখিবাৰ চতুর্ভুজ ।
হৰি বুদ্ধি মানি মনে ভৈলন্ত নিকুঞ্জ ॥

জগন্নাথ চান্দসাই দৰশণ কৰে।
চতুৰ্ভুজ ৰূপ পাছে ধৰিল তথাতে॥
তাহান চৰিত্ৰ লীলা মহিমা অপাৰ।
পদ বাহুল্যক দৰে নকৈলো বিস্তৰ॥
এক বাৰ ছয় বিংশ বৰিষ ভৈলন্ত।
তথাপি কিশোৰ স্বভাৱ নেৰিলন্ত॥
পৰম গম্ভীৰ ধীৰ মাধৱ মহন্ত।
তান আগে চতুৰ্ভুজ ৰূপ ধৰিলন্ত॥
পৰম অমূল্য যিটো মহাধৰ্ম্ম হয়।
সবে ভাৰ মাধৱত অৰ্পিলা নিশ্চয়॥
শুনিয়ো মাধৱ তুমি স্বৰূপ বচন।
পূজাত্মক ধৰ্ম্ম দিবা নিৰূপণ॥
তাহান কনিষ্ঠ চতুৰ্ভুজ নাম যাৰ।
সম্প্ৰদা স্বৰূপে ভক্তি কৰিবা প্ৰচাৰ॥
মোহোৰ সন্ততি নাথাকিব পৃথিবীত।
জীয়াৰী সন্ততিয়ে ধৰ্ম কৰিব বিদিত।
শুনিয়ো মাধৱ তুমি আমাৰ বচন।
পূৰ্ব্বদিশে আসিবেক ভক্ত দুইজন॥
গোপাল যদুমণি দুয়ো পৰম মহন্ত।
তাহাৰ জিবাহা ইটো মূৰ্ত্তি ভাগৱত॥
মহাধৰ্ম্ম কহিবাহা তাহাক নিশ্চয়।
ধৰ্ম্ম প্ৰবৰ্ত্তাবা ইটো নাহিকে সংশয়॥
গোপাল যে নিৰাশ্ৰয়ী ধৰ্ম্ম আচৰিব।
যদুমণি গৃহাশ্ৰয়ী ধৰ্ম্ম প্ৰবৰ্ত্তাব॥

ভবানী পুৰত স্থিটা গোপাল মহন্ত ।
তাহাক দিবাহা ধৰ্ম মহ বস্তু সন্ত ॥
গোপালেও প্ৰবৰ্ত্তিব মহৎ ধৰ্ম ভৱ ।
তোমাত কহিলো মই নাহিকে সংশয় ॥
পুন্ন নামে একজন পৰম মহন্ত ।
তাহাতে কহিবা ইটো ভকতিৰ তত্ত্ব ॥
পৰম বৈষ্ণৱ সিটো বিপ্ৰ দামোদৰ ।
উদাস একন্ত সিটো শিষ্য শেহতৰ ।
পৰম দুঃখীত ভংশ পুৰ্বত আছিল ।
পৰ অৰ্থে শ্ৰম কৰি জীৱিকা কৰিল ॥
শঙ্কৰে তাহাক লাগি সাদৰ কৰিলা ।
শত্ৰুক পচয়া তাক পূজা ভাগ দিলা ॥
পাচ বাভগীত মন্ত্ৰ সভা কৰিলন্ত ।
আচাৰ্য্য পাতিয়া দামোদৰক থৈলন্ত ॥
শঙ্কৰে বোলন্ত শুন বিপ্ৰ দামোদৰ ।
শৰণ কৰাতা বিপ্ৰ কৰ্মী নিৰন্তৰ ॥
দামোদৰে মাধৱৰ ধৰ্মক পালিল ।
নিজ শক্তি প্ৰচাৰিল বৈকুণ্ঠক গৈল ॥
সংসাৰ চাকিয়া ভক্তি হাত পাতিলন্ত ।
ভক্তি বস্তু কিনি সবে বৈকুণ্ঠে চলন্ত ॥
শুনিযো সজ্জন আৰে স্বৰূপ বচন ।
শঙ্কৰেসে আদিমূল ভক্তিৰ লক্ষণ ॥
সমস্তকে ত্যজি তাঙ্ক কৰিযো আশ্ৰয় ।
শংকৰেসে পুৰুষ তৰিবাৰ ভাগি হয় ॥

স্বৰ্গ খণ্ডে কহে কলি যুগৰ নিৰ্ণয় ।
ৰাম ৰাম বুলি কৰা পাপৰ প্ৰলয় ॥ ২১৭ ॥

ইয়াকে সাৰ্বভৌম ভট্টাচাৰ্য্যে অতি সংক্ষেপ কৰি পদ্ম পুৰাণ স্বৰ্গ খণ্ডত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰিচয়ৰ উদ্দেশ্যে, শঙ্কৰ চৰিত্ৰ নাম দি ৰচনা কৰি থয় ।

সেই হেতুকে বৰ্ত্তমান আমি মানুহ বুলি যে পৰিচয়, অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ ও অন্ত্যেজকে আদি কৰি সকলোকে মানুহ জাতি বুলি পৰিচয়, অৰ্থাৎ এই মানৱ জাতিৰ জীৱনৰ লক্ষ্য উদ্দেশ্য, কাৰ্য্য-কৰ্ম, চিন্তা, ভাৱনা, গৱেষনা, সুখ, শান্তি আদি যি কোনো বিষয় আলোচনা কৰিলে সেই শঙ্কৰদেৱৰ প্ৰভাৱ অলপ নহয় অলপ দেখা যায় । কিয়নো, মানৱ জীৱন আনন্দতে উৎপত্তি, আনন্দতে প্ৰতিপালিত, আনন্দতে লয়, আনন্দই মানৱ জীৱনৰ থাই মূল বস্তু । এই আনন্দই হৈছে মানৱৰ শুদ্ধ সত্ব বৃত্তি । এই শুদ্ধ সত্ব বৃত্তি উপলব্ধি হয় ক'ত ? আত্মা চিন্তাত, আত্মা বোধত বা আত্মা জ্ঞানত আৰু আত্মা ভাৱত । এই আত্মা উপলব্ধি কৰি আনন্দৰ ৰস উপভোগ কৰাৰ অভিলাষ মানৱৰ স্বতন্ত্ৰ বস্তু, এই আনন্দময় বস্তুকে ভোগ কৰাৰ উপায় কৰিলে "এক শৰণ সংঘৰ" হৰিনামৰ মাজেৰে, গুৰুদেৱ, নাম, ভক্ত ভজেৰে নামৰ মহিমা দেখুৱাই একান্ত ভক্তি পথত ধাৰণা কৰালে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ॥ বিশেষ আমাৰ প্ৰকাশিত এক শৰণ সংঘৰ পুথিত পাব ।

এই মৌলিক ভাব আনন্দক চিৰস্থায়ী আৰু সজীৱীভূতকৈ কৰাৰ কাৰণে শঙ্কৰদেৱে ৰচনা কৰিলে দশম, কীৰ্ত্তন, নামঘোষা, ৰত্নাৱলী, বৰগীত, ভটিমা, চৌটৰ, চপয়, ভাগৱত, ৰামায়ণ, পুৰাণ

আদি নানান শাস্ত্ৰ । ভক্তিত বৰ্দ্ধিত কৰিবৰ কাৰণে খুতিতাল, ভুততাল, বৰতাল, খোল প্ৰসঙ্গ, খৰতবা, ৰবকাচ আদি নানা শাস্তৰ সৃষ্টি কৰিলে । আৰু ঈশ্বৰত কি প্ৰকাৰে ভক্তি জনাব লাগিব বা ভক্তি কৰিব লাগিব তাৰ নিমিত্তে পদ, ছুলবি, ছবি, লেচাৰি, প্ৰাৰ্থনা, স্তুতি, মিনতি, কাকুতি, কাকণ্য, মুক্তাৱলী পিতাছবি আদি নানান তাল-মান, লয়-সুৰ, সকাব উলিয়ালে বিচিত্ৰ ছন্দ অলঙ্কাৰৰ ব্যৱহাৰে । আৰু সেই সকলো বিলাক চিন্তাক, ভাৱক, বাস্তৱত দৰ্শনীয় কৰিবৰ কাৰণে যাত্ৰা, নাটক, পট, নতুৱা উৎসৱাদি ও পুৰাৰ প্ৰভাতি-প্ৰসঙ্গ, দুপৰ-প্ৰসঙ্গ, বিয়লী প্ৰসঙ্গ, সায়ং সন্ধ্যা প্ৰসঙ্গাদিৰ ভিতৰত চৌদ্দ প্ৰসঙ্গ প্ৰকাশিত কৰিলে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ।

মানৱ চিন্তাৰ শৃঙ্খলতাৰ ৰক্ষণ, মানৱৰ অন্তৰত প্ৰীতি সঞ্চাৰণ, সমাজ প্ৰিয়, মানৱক সমাজ বন্ধনত ৰক্ষণ, সকলোৰে মাজত সৰ্বভাৱ প্ৰসাৰণ, মানৱ চামত হৃদয় স্পন্দন হৱন অৰ্থে শঙ্কৰদেৱে পাতিছিল সত্ৰ অনুষ্ঠান । সত্ৰ অনুষ্ঠানৰ মাজেৰে সমাজ এক কেন্দ্ৰী, একছত্ৰী, এক মানৱ জাতি, এক শৰণ ধৰ্মৰ ভাৱত, পালন, পোষন, ৰক্ষণ কৰিছিল মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে এই সত্ৰৰ মাজেৰে ।

অতীত, বৰ্ত্তমান, ভৱিষ্যত মানৱ অন্তৰত সমাজে যি প্ৰকৃত কথা বিচাৰ কৰে আৰু যি অনুসন্ধান কৰে ; তাৰ ভিতৰত প্ৰধান হৈছে সাম্যভাৱ, সৌম্যমূৰ্তি, অস্পৃশ্যতা বৰ্জন, নিৰপেক্ষতা জাতি বৰ্ণ নিৰ্বিশেষে ধৰ্ম উপদেশ দান, সকলো লোকৰ পক্ষে ভক্তিৰ দুৱাৰ মুক্তকৰণ, সকলোৰে আত্মাক বিকাশ কৰি দিছিল, সকলোৱে বুজিব পৰা ভাষা আদি কাৰণেই শঙ্কৰদেৱৰ উদাৰতা

প্ৰকাশ কৰিছে। সেই হেতুকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ ধৰ্ম নীতি, উপাসনা পদ্ধতি, আচাৰ নীতি, সত্য তাৰ পদ্ধ সকলো লোকৰ পক্ষে অৱশ্য অনুকৰণীয়। কিয়নো, শঙ্কৰ নীতিত "পাৰ আত্মাবৎ সৰ্ব্বভূতেষু, অহিংসা পৰমো ধৰ্ম, বহুজন হিতায়, বহুজন সুখায়, যত্ৰ জীৱ তত্ৰ শিৱ।" সেই কাৰণে শঙ্কৰ দেৱৰ প্ৰতিষ্ঠিত সকলো অনুষ্ঠান সৰ্ব্ব সাধাৰণৰ উমৈহতিয়া ক্ষেত্ৰ। বি ক্ষেত্ৰত সকলো আধ্যাত্মিক, মানসিক, শাৰীৰিক সামাজিক নৈতিক সকলো বিষয় আলোচনাত বহিব পাৰে, এনে হৈছে শঙ্কৰ দেৱৰ সৰ্ব্বজনীন ক্ষেত্ৰ অসম ভূমি, বৰ্ত্তমান যুগত ৰাজনীতি, সমাজ নীতি, শিক্ষা নীতি বুজি শঙ্কৰদেৱৰ মূলনীতি ৰক্ষা কৰি আমাৰ সমান বিষয়বোৰ সংস্কাৰ কৰা প্ৰয়োজন হৈ পৰিছে দেখিছেই, অৰ্থাৎ এই মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ও অন্যান্য পণ্ডিত সকলৰ ধু সকলৰ লেখনি বিলাকৰ প্ৰমাণ পাই আমি ইয়াক—সাৰোদ্ধাৰ গ্ৰন্থ বা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ পৰিচয় নামেৰে প্ৰকাশ কৰা হৈছে। কিয়নো, ইয়াৰ থাই কাৰণ এই, যেনে—

চাণ্ডালে কৰে হৰিনাম মাত্ৰ, কৰিবে উচিত হৰুৰ পাত্ৰ চাণ্ডালে কৰিছে হৰি কীৰ্ত্তন, বুজিয়া নিবে বিটো ব্ৰাহ্মণ। তাৰ সম্ভাষণ কৰিলে কৰে, আজন্মৰ পূণ্য তেখনে হৰে। বিষ্ণুৰ গুণ গায়ে নৃত্য কৰে, অন্তৰে যিবা কৰি আছে গীত। তাক নিন্দা কৰে যিটো দুৰ্বুদ্ধি, পূণ্যক নাশি যায় অধোগতি। [illegible]

অৰ্থাৎ যি ক্ষেত্ৰত জাতি বৰ্ণ নিৰ্বিশেষে অধিকাৰ আছিল, সকলোলোকৰ উমৈহতীয়া ক্ষেত্ৰ আছিল, সকলোলোকৰে সমান অধিকাৰ আছিল, তাত কেতিয়াও পক্ষপাতি হোৱা নাছিল। কিন্তু এতিয়া দেখা যায় যেই সেই জাতি বৰ্ণ তকত এখন শ্ৰেণি

যাৰে গুণে মালা-মন্ত্ৰ সহ পৰিপূৰ্ণ হৈ অলঙ্কৃত হৈ থাকিলেও তেওঁ কেতিয়াও গোসাই বা মহন্ত অথবা মুকুত বৰ পাঠকী হব, গাদিত বহি অধিকাৰ হৈ, আগত বাকলী শৰাই থম পাব নোৱাৰাতো শঙ্কৰদেৱৰ মতৰ বিৰোধি আৰু গাদিত বহি থকা অধিকাৰ জনৰ পুতেক যদি অৰ্থ বা পৰমাৰ্থ একো নাজানিলেও অথবা ভকত বৈষ্ণবকো কি বস্তু নাজানে, যি চোতালৰ মুকুত বহিবলৈ যি যি ঘৃণা কিলা কৰিব পাৰে, তেওঁকে গাদিত বহি অধিকাৰ হৈ আগত বাকলী শৰাই হিজুলীয়া শৰাই লৈ শৰ গোসাই, মূঢ়া অধিকাৰ বুলি পৰিচয় দিয়াটো শঙ্কৰ দেৱৰ মতৰ বিৰুদ্ধি আৰু ভক্তিপথত কণ্টক বুলি লেখি থৈছে। শঙ্কৰদেৱে যেতিয়া ধৰ্ম প্ৰচাৰ কৰিছিল, তেতিয়া তেখেতৰ পুত্ৰ ও কন্যা থকা স্বত্বেও সিবিলাকৰ ধৰ্মৰ ভাৰ নিদি মাধৱ দেৱকে আদি কৰি ব্ৰাহ্মণ, শূদ্ৰ ও যবনকে একেলগে গাদিত বহুৱাই একেটা ঘৰতে নাম প্ৰসঙ্গাদি কৰি প্ৰসাদাদি ভোজ ভাত আদি খাই ধৰ্মৰ উপদেশ দিবলৈ সকল অধিকাৰৰ ভাৰ দি থৈ গল।' সেই নিয়মে পৰিয়াৰ মাধৱ দেৱ, হীৰাৰ মথুৰাদাস আতা, কৈবৰ্ত্তৰ গোপাল আতা, নাপিতৰ নাৰায়ণ ঠাকুৰ ইত্যাদি। বিশেষতঃ— কায়স্থ শঙ্কৰৰ ধৰ্ম গ্ৰহণত গোসাই জাতি হব নোৱাৰে ই নিশ্চিত কথা কেৱল মাত্ৰ তেখেতে ভকত পাতি ভকতক ভক্তি দান কৰি থৈ গৈছে, অৰ্থাৎ বংশানুসাৰে নহয়, গুণকৰ্ম অনুসাৰেহে আছিল। প্ৰমাণ যেনে :—

শ্ৰৱণ দান, ধ্যান ভূত দয়া, সৰ্ব গুণ সম্পন্ন ঠিক। [illegible] ভকতি দানে কৰে শুদ্ধ, ছায়া তন্তুৰো অধিক। যি জন সকলো গুণৰে পৰিপূৰ্ণ, যি জনৰ পৰম লাৱণ্য ৰূপবান আৰু সকলো

জীৱক দয়া কৰোতা, সেইজনে নিজৰ পুতেকতকৈয়ো অধিক দয়া ভকতত ভকতি দান কৰিলে । যেনে :—

ভকতত ভকতি কৰিবা ভাল মতে । মোৰ ভক্ত কথা লৈবা ভকতৰ হতে ॥ ভকতি আচৰিবা ভকত জনতে । ভেদে আৰু কিছু নাথাকিব আপোন মনতে ॥ ভকতৰ সঙ্গ নিতো লৈব অনৱৰ্ত্ত । মোহোৰ চৰিত্ৰ শুনিবেক ভকতত ॥ ভকতেসে মোৰ হৃদি জানিবা নিশ্চয় । ময়ো ভকতৰ জানিবা হৃদয় ॥ মোত পৰে ভকতে নিচিন্তে কিছু আন । ভকতত পৰে মই নাজানোহো আন ॥ কৃষ্ণক পাইবাৰ ভকতেসে পথ । এহিসে কহয় গীতা ভাগৱত গ্ৰন্থ ॥

এই বিলাক পৰম পুৰুষ ভগৱন্ত শঙ্কৰদেৱে লেখি থৈ গল । এতিয়া মাত্ৰ আমি যোবা কীৰ্ত্তন গাই ভূত তাল বজাই গল্প আৰু সমাজৰ মাজত গাদিত বহি আগত বৰ শৰাই, বৰমান ৰৰ গোসাই হব পাৰিলে আমাৰ দেশৰ যশ, গৌৰৱ, গৌৰৱাৰী বিলাক ৰক্ষা নপৰে যেনে :—

জাতি বিদ্যা মহত্ত্ব ৰূপ যৌবন যেবচ ।
যত্নতঃ পৰিবৰ্জ্জেৎ পঞ্চৈতে কণ্টকা ॥

শ্ৰী ধনজন যৌবন মদে । অন্ধ হোৱে বিদ্যা গৰ্ব্বৰ পদে ॥

জাতিৰ গৌৰৱ, বিদ্যা, মহত্ত্ব, ৰূপ, যৌবন এই পাঁচটা গৰ্ব্ব হলে ভক্তি সিদ্ধি নহয়, ভক্তি পথৰ কণ্টক কিছুমান ভিতৰৰ বাহিৰ, কণ্টক কুসঙ্গ, কুচৰিত্ৰ দৰ্শন, কুবাক্য কথন, কুগীত শ্ৰৱণ, কুশাস্ত্ৰ পাঠন· কুটবুদ্ধি কুটনীতি কপট লম্পট ছল প্ৰতাৰণা এনে কিমানবোৰ কুসংস্কাৰ পুথি শাস্ত্ৰত উল্লেখিত আছে । অৰ্থাৎ যাৰ জাৱন দৰ্শন, উচ্চাৰণ বা সকলোৰ কুভাব উৎপন্ন হয় তাক প্ৰাণপণে বৰ্জ্জন কৰিব লাগে । কিয়নো ? প্ৰাণীৰ আত্মা বিশেষে মৈথুনীৰ ভূত

দর্শনে দুষ্টগ্রহাদি ও দুষ্ট ভিন্ন অন্যান্য দেবতা আরাধনা বাসনাতে পৈশাচিক ভাব উদয় হয়। পক্ষান্তরে ভাব বর্জন করি সৎশাস্ত্র পাঠ ও শ্রবণ, সৎলোকের আলাপন, অকপট ভাব, সুচিত্র দর্শন, সঙ্গীত শ্রবণ, সুবাক্য কথন আর শুদ্ধ সত্ত্ব পর আচরণে মানুষের মন প্রাণ ও শরীর আদি পবিত্র হয়। যেমন—

যদি ভক্তের সাধ, মনে ইচ্ছা কর তাই, সাধুসঙ্গ সদাই কর সার
একবার মাত্র কেবলে সাধুর সঙ্গ হোবে নাও ভব তরিবার॥

সৎলোকে মানুষ পবিত্র হয়, অসৎলোকে মানুষ মলিন মন, মলিন বুদ্ধি, উগ্রকর্ম্মা ও অপবিত্র। এমন কথা জগতে কয় যে, স্বামীর ভার্য্যার, পিতার পুত্রের, গুরুর শিষ্যের ভক্তি পথের বাধা দিলে তা সকল স্থলে; জেনে পিতা, মাতা, স্বামী আর গুরু প্রভৃতি ত্যাগ করা উচিত।

নিবোধিতা ভক্তি পথে যদি তাং পিতা পতির্বা গুরু অগ্রে যোগ্যা।
তথাপি ত্যাজ্যো ভগবৎ জনানাং চ যা বহুধা নতু বাদী সাধু॥
প্রহ্লাদেন পিতা ত্যক্তা মাতা চ ভরতে নহি। বলিনা ত্যক্তা-
মাচার্য্য বিভূষেণ স্ববান্ধবা॥ গোপাঃ স্বেষ পতিভিঃ গোবিন্দং শরণং গতা॥

ভক্তি পথের বিরোধ আচরণে প্রহ্লাদে পিতৃ, ভরতে মাতৃক, বিদুরে ভ্রাতৃ, বিভীষণে ভাই, বলিতে গুরু শুক্রাচার্য্য, গুহ মুনির দেবতার সঙ্গ আর গোপীসকলে স্বামীর কথা ললিতাদি পেলাই উদ্ধ কৃষ্ণ মহাপুরুষের শরণ ললে। ভক্তি আচরণে পিতা, মাতা, ভ্রাতৃ গুরু, বন্ধু-বান্ধব সকলকে ত্যাগ করিলে, তথাপি তার দোষ নহে।

কিন্তু শাস্ত্রে লিখিত আছে নিজের স্বার্থের হীন-ভাব করি। অজ্ঞতায় বা বিরুদ্ধ সহজে [illegible] ভক্তি সম্বন্ধে [illegible]

নচলে ভক্তি সিদ্ধ নহয়। কেৱল মাত্ৰ লোকক দেখুৱাই কাছুত মালা-উত্তৰীয় আদি ললেই আৰু দুত তাল বজালেই জীৱ ভকিত নে হ'ব। যেনে—উতলী নদীৰ আবাত বিদূৰ। এৰি জাতি দূৰ পাইলে মহা দুখ॥ ই সিদ্ধ ভগৱত পুৰুষৰ মুখৰ বাক্য। অৰ্থাৎ উথলা তুমিত বিনাৱে জল নহয়, সেইদৰে নিজে ভাল্লহোৱা জনৰ ভক্তি নহয় আৰু পৰমব্ৰহ্মৰো কৃপা নহয়। যেনে—

তৃণাদপি সুনিচেন তৰুৰিৱ সহিষ্ণুনা।
অমানিনা মান দেয় কীৰ্ত্তনীয় সদা হৰি॥

বৃক্ষৰ যেনে সহিষ্ণুতা গুণ আছে ঈশ্বৰত ভক্তি কৰা ভকত গুৰু গোসাই মহন্ত সকলোৰে তেনে গুণ থাকিব লাগিব। মানুহে কাটি চিৰি দুখ কৰিলেও গাছে সহ্য কৰে, আৰু তাল কাটি দিয়া জনকো ছাঁয়াহে দিয়ে। ভগৱন্ত ভকতি কৰা লোক সকলেও সেইদৰে শত্ৰুকো আশ্ৰয় দিয়ে। দ্ৰোণাচাৰ্য্যক বধ কৰিবলৈ জন্ম হোৱা শত্ৰু ধৃষ্টদ্যুম্ন ও অৰ্জ্জুনক জানিও দ্ৰোণ চাৰ্য্যই শিক্ষা দান দিছিল। "পৰৰ উপকাৰ বুলি মানি যা মনত। অহিংসাৰ গছ পুলি কই লোৱা হৃদয়ত।" বৃক্ষে যিদৰে মাটিত থাপুচি ধৰি থৈ আছে, হৰিত ভকতি কৰা লোক সকলেও সেই দৰে ইন্দ্ৰিয় বিলাকক দমাই একনিষ্ঠা ভাৱে স্থিৰ হৈ হৰিক ভজিলেহে ভক্তি সিদ্ধ হয়। ধৈৰ্য্য আৰু সহিষ্ণুতা যাৰ নাই তাৰ ভকতি নহয়; যাৰ মৰ্য্যাদাৰ আকাঙ্ক্ষা নথাকি সকলো প্ৰাণীকে এক পৰমাত্মা ব্ৰহ্মৰ অংশ বুলি ভাবি সকলোকে সন্মান কৰিব। নিজৰ মান, ধন, পদবি, গৌৰৱৰ মত্ত ভাব বিসৰ্জ্জি গৰ্ব্বহীন আৰু সৰ্ব্ব-মান্য হব লোভ ত্যাগ ও পৰমভক্তিৰ সৈতে হৈ থকা জনৰ ঈশ্বৰৰ চৰণত ভক্তি আৰু আৰু হৈছে যে অৰ্থাৎ লোৱাহে

নিজেও নকৰে কেৱল মাত্ৰ বাহিৰত বিনীত নম্ৰভাৱ দেখুৱাই অন্তৰত মান যশ পদৱী গৌৰৱৰ আশা কৰা জনৰ অন্তৰত কৃষ্ণ ভক্তিৰ বীজ অঙ্কুৰিত নহয় আৰু তেওঁ তয়'নক কপট বা পাপহে হয় ।

মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱৰ ধৰ্মত সত্য শৌচ ক্ষমা, তপ, সহিষ্ণুতা সৰলতা তাৰ আৰু যি সকল একমাত্ৰ ঈশ্বৰ বিশ্বাসী, একমেৱ একমেৱ একব্ৰহ্ম সনাতন, এনে ব্ৰহ্মজ্ঞান ব্ৰহ্মতত্ত্ব জনা ঋষি মুনিৰ সদৃশ দেৱ দুৰ্লভা ফিলকল লোকৰ পাইছিল ; জাতিবৰ্ণ নিৰ্বিশেষে যেনে পৰিবাৰ মাধৱ তুতৰ বলৰাম আতৈ গাৰোৰ গোবিন্দ যৱনৰ চান্দসাই, নগাৰ নৰোত্তম দাস খামতিৰ জয়হৰি ব্ৰনিয়াৰ বান্ধচা আৰু কেইজনমান সাত্বিক ব্ৰাহ্মণকো একেলগ একেলগ কৰি ঠায়ে ঠায়ে থান সত্ৰাধিকাৰ পাতি থোৱা ধৰ্মৰ ধ্বজ 'জয় পটকা' উৰিব লাগিছে । যি দেশত বাৰজন মহন্তৰ সত্ৰ, যি দেশত চাৰি সত্ৰাধিকাৰ যেনে নিৰঞ্জন পাঠক আউনি 'আতি সত্ৰাধিকাৰাদি কায়স্থ শঙ্কৰ আজ্ঞামতে যি দেশত চৌধ্য অগদ চৰি আছে যি দেশত মুখনা মহাভক্তক তপত তেলত পেলাই ভক্তিৰ পৰীক্ষা কৰি থোৱা আছে, যি দেশত মহাসিদ্ধ মুনি কপিল দেৱৰ কপিলি গঙ্গা অহৰহ বৈ থাকিব যি দেশত অৰ্দ্ধৰ বঙ্কি অলিখকা তেলৰ তৰক আছে, যি দেশত মৰপেটা, বৰদোৱা, মধুপুৰ কমলাবাৰি দ্বুপৰি দিয়া, পাটবাউসী, আদি সত্ৰসমূহৰ চিহ্ন আছে ; এয়ে হৈছে অসমবাসীৰ প্ৰধান গৌৰৱ, ইয়াক হয়তো আদি কোনোমতে অস্বীকাৰ কৰিব নোৱাৰে ।

বাকী বিভিন্ন দেশৰ শঙ্কৰ মাধৱৰ নামেৰেহে কোনেকো শৰণ ভজন দি পেলাই পাতিছেহে, পূৰ্বে দেশৰ শিষ্যসমূহ আৰু জাতি গোত্ৰ কি আছিল ; যাৰ যাৰ দ্বাৰা আদি যত্নিত লোকত

পৰি নৰক ভুগি থাকে, ব্ৰাহ্মণ শূদ্ৰৰ শ্মশান গছকি জলদানিত বাহাদুৰী ধৰা, মেহাৰভোজী শ্ৰাদ্ধবিধি অন্ত্যেষ্টি ক্ৰিয়াত যত দুৰ্গাদি ষোড়শমাতৃকাৰ পূজা গণেশাদি পঞ্চদেৱতাৰ পূজাত, ভূত প্ৰেত গছ লৈ সৰীসৃপলৈকে আশ্ৰয় কৰা ব্ৰাহ্মণ বা শূদ্ৰৰ গুৰু, শঙ্কৰ মাধৱ আগেয়ো হোৱা নাই বৰ্ত্তমানেয়ো নাই আগলৈয়ো নহব কাৰণ কৃষ্ণদেৱতাৰ উপাসনা ভিন্ন আনদেৱতাৰ উপাসনাত শঙ্কৰ মাধৱৰ প্ৰকাশিত একশৰণ ধৰ্মভ্ৰষ্ট হয়। কিন্তু যি সকলে সত্যধৰ্ম্ম সত্যপন্থ, সত্যবিচাৰক ও ঈশ্বৰ বিশ্বাসী সেইসকল স্ত্ৰী শূদ্ৰ ব্ৰাহ্মণাদিৰ গুৰু শঙ্কৰ মাধৱেই চিৰকাললৈ থাকিব। যেনেকৈ শান্তি জানৰ ধৰ বান্ধিবলৈ শান্তি তিকতাৰ বিচাৰত যি ব্ৰাহ্মণ সকলে প্ৰত্যেকে ৫০ ৬০।৭০।৮০' ৯০।৯৮ পৰ্য্যন্ত উপপতিৰ স্বীকাৰ নিজ মুখে দিছিল, তেনে ব্ৰাহ্মণী খা লেই সেই ব্ৰাহ্মণীৰ পতি সকলৰ গুৰু শঙ্কৰ মাধৱ নহয় আৰু নহবয়ো। অৰ্থাৎ তেনে তিকতাই বা তেনে তিকতাৰ স্বামীসকলে শঙ্কৰদেৱৰ প্ৰচাৰিত একশৰণ ধৰ্ম্ম ৰাখিব কেনেকৈ? এইবিলাকৰ বাদে শান্তি তিকতা, সত্যগ্ৰাহী ঈশ্বৰ বিশ্বাসী যি ব্ৰাহ্মণ বা শূদ্ৰৰ গুৰু মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱেই আগেয়ো আছিল বৰ্ত্তমানে আছে আগলৈয়ো থাকিব। অৰ্থাৎ যেনেকৈ শান্তি জানত তিনটা কাঠিৰে পোল এটাত ব্ৰহ্মপুত্ৰৰ পৰা পানী এপোন আনি তাক সেই পোলেৰে মাটি এপোন আনি শান্তি জানৰ মুখত দি শান্তিজানৰ ৰাখি, শান্তি তিকতাৰ গৌৰৱৰ পৰীক্ষা দিয়া শ্ৰীমতী ৰাধিকা দেৱীৰ নামে উজনাভিমুখ ব্ৰহ্মপুত্ৰলৈ শান্তিজান, কৈবৰ্ত্ত, গৌৰৱ চিৰকাললৈ বৈ থাকিব। যেতিয়া মহাপুৰুষ গুৰুজন বৈকুণ্ঠপুৰাণৰ ধ্ৰুৱ ... ৰাজৰ পাচত পিছুৱান স্বাৰ্থ,

লোভীয়ে ৰজাকো শৰণদি ৰজাবো ভকতৈ থাট পাছলৈ সন্মান পৌৰাণীৰ বৰ্ণনা ৰক্ষা কথা কাৰো অবিদিত নহয় অনেক খন বুৰঞ্জী আদিত পোৱা গৈছে। এতিয়া মাত্ৰ শঙ্কৰদেৱৰ ভক্তি ধৰ্ম পন্থবিধি কেৱল নাম, যশহে ৰক্ষা কৰা হৈছে, কিন্তু আদল মূলত সত্যধৰ্ম সত্যপথ সত্যকথা সত্যবিচাৰৰ পৰা বিচলিত হৈ পৰিছে। সেই গতিকে সেই সত্যবিলাক কেনেকৈ চিৰকাললৈ ৰক্ষা হব, এনে কথা ভাবি পৰম কৃপালু গুৰু দয়াময় হৰিয়ে দুখীয়া জীৱৰ প্ৰতি সদৃষ্টি কৰি, দশম, কীৰ্ত্তন আদি পুথি বিলাকত তাম্ৰ কলি, শিলৰ ৰেখা মুক্তকৰি লেখি থৈ গল। তাকে মাত্ৰ চাই ভুলভ্ৰান্তি বিলাক আমি সোধৰণি কৰি ললেই আমাৰ পূৰ্ণ স্বৰাজও স্বাধীনতা বা স্বভক্তি অৱহেলে পোৱা হব তাত কোনো সংশয় নাই। যেনে দশমৰ তাৎপৰ্য্যত কৈছে

সত্যব্ৰতং সত্যপৰং ত্ৰিসত্যং সত্যস্য যোনিং নিহিতঞ্চ সত্যে।
সত্যস্য সত্যমৃতং সত্যনেত্ৰং সত্যাত্মকং ত্বাং শৰণং প্ৰপন্নাঃ॥
একায়নো হসৌ দ্বিফলস্ত্ৰি মূলশ্চতুৰসঃ পঞ্চবিধঃ ষড়াত্মাঃ।
সপ্তত্বগষ্ট বিটপে নবাক্ষোদশাচ্ছদী দ্বিখগো হ্যাদিবৃক্ষঃ॥ ১০ স্কঃ ভাঃ

তুমি সত্যব্ৰত মোক্ষৰ সাধন সৰ্ব্বকালে থাকা তুমি।
মহা পঞ্চভূত তোমাতে উপজে তুমিসৰ্ব্ব অন্তৰ্য্যামি॥
সৃষ্টিৰ অন্তত তুমি মাত্ৰ থাকা সমস্তাৰ প্ৰবৰ্ত্তাই।
তোমাৰ চৰণে পশিলো শৰণে তুমি বিনে গতি নাই॥
প্ৰকৃতি আশ্ৰয়ে আছে আদি বৃক্ষ সুখদুখ দুই ফল
তিনিগুণে মূল অৰ্থ চাৰিৰস পিকাৰে ইন্দ্ৰিয় দল॥
ছয়ঊৰ্মি আত্মা সাতধাতু ছাল শাখাৰে অষ্টপ্ৰকৃতি।
দশবায়ু পাত ঈশজীৱ দুইপক্ষী থাকে অনাসক্তি॥

হেনয় সংসাৰ বৃক্ষ, তোমাতেসে উপজয়, মহাজ্ঞানী গণে আক জানে। যাঁৰ মায়াৰে মোহিত মন, যিটো অপণ্ডিত গণ, তোমাক বিবিধ কৰি মানে॥ সন্তৰ ৰক্ষাৰ হেতু, বহুবিধ ৰূপ ধৰা, দুৰ্জ্জনক বিনাশিবা ৰণে। তোমাৰ চৰণ পাৱে, গো খোজ সমান কৰে, সংসাৰক ভকত সকলে॥

এই দশমৰ তাৎপৰ্য্যটিয়েই প্ৰায় সকলো কথা বুজাই দিছে, আৰু অলপ কীৰ্ত্তনৰ পদলৈকো ভাবি চাওক কিযে সুন্দৰৰূপে বুজাইছে।

নমো নমো মাধৱ বিধিৰ বিধি দাতা। তুমি জগতৰ গতি মতি পিতা মাতা॥ তুমি পৰমাত্মা জগতৰ ঈশ এক। একো বস্তু নাহিকে তোমাৰ ব্যতিৰেক॥ তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ। সুবৰ্ণ কুণ্ডল যেন নাহিকে অন্তৰ॥ তুমি পশু-পক্ষী সুৰা-সুৰ তৰু-তৃণ। অজ্ঞানত মূঢ় জনে দেখে ভিন্ন ভিন্ন॥ তোমাৰ মায়াৰে মোহিত সৰ্ব্বজন। তুমি আত্মা তোমাক নেজানে একোজন॥ সমস্ত ভূতৰ তুমি আছা হৃদিগত। তৰ্ক নেপাই তোমাক বিচাৰে বাহিৰত॥ তুমিসে কেৱল সত্য মিছা সবে আন। জানি জ্ঞানী গণে কৰে হৃদয়ত ধ্যান॥

এই পৰমাত্মা বস্তুৱেই গোটেই নিখিল জগতৰ বিশ্ব ব্ৰহ্মাণ্ড ব্যাপি আছে। তেওঁৱেই বিধিৰ বিধাতা, সকলোৰে পিতা মাতা সকলোকে গতি মুক্তি দিব পৰা দাতা, গৰাকী ও স্বামী, আৰু সত্য, সনাতন, নিত্য, শাশ্বত, নিত্যা-নিত্য বস্তু বিবেক, ঈশ্বৰ পুৰুষ ভগৱন্ত। এওঁৱেই সকলোৰে পালন কৰ্ত্তা ৰক্ষণশীল। অৰ্থাৎ কাৰ্য্য বিনোদ, মায়া বিনোদ, জীৱ ৰূপে ভোগ ভুক্তা, অন্তৰ্য্যামী ৰূপে পালন কৰ্ত্তা। এওঁকে জ্ঞানীসকলে 'পৰমাত্মা' ৰূপে জানি·

স্বৰূপত ধ্যান কৰে; কিন্তু অজ্ঞানী মূঢ় লোকে ভিন্ন ভিন্ন কৰি বহু জাতি, বহু সম্প্ৰদা, বহু সংহতি, বহু দেৱতাৰ পূজা কৰে।

মায়াভেদে দেখয় বিবিধ পৰিচ্ছেদ। স্বৰূপত তোমাৰ নাহিকে কিছু ভেদ॥ চৈতন্য স্বৰূপে ব্যাপী এক নিৰঞ্জন। তোমাক বুজিবে বৈত্য কোন অজ্ঞজন॥

তুমি মাত্ৰ এক নিৰঞ্জন বস্তুৱেই চৈতন্য স্বৰূপ ব্যাপী এই বিশ্ব ব্ৰহ্মাণ্ডক সচেতন কৰি সকলো জীৱকে জীয়াই ৰাখিছা। তোমাত পৰে দ্বিতীয় বস্তু একো নাই। যি সকলৰ মন বুদ্ধি চিত্তাদি মায়াত মুগ্ধ হৈ আছে, সেই সকলেই অজ্ঞানী, মূৰ্খ আৰু অপণ্ডিত। তোমাৰ স্বৰূপ তত্ত্ব নেজানিকে তোমাকেই ভিন্ন ভিন্ন কৰি মানে গীতাত পৰমাত্মা শ্ৰীকৃষ্ণই কৈছে, যেনে—

"আশ্চৰ্য্যবৎ পশ্যতি কশ্চিদেন, মাশ্চৰ্য্যবদ্বদতি তথৈব চান্যঃ।
আশ্চৰ্য্যবচ্চৈনমন্যঃ শৃণোতি, শ্ৰুত্বাপ্যেনং বেদ ন চৈব কশ্চিত॥ গীতা

এই আত্মাক কোনোৱে আশ্চৰ্য্যবৎ দেখে, কোনোৱে আশ্চৰ্য্যবৎ বোলে, কোনোৱে আশ্চৰ্য্যবৎ বুলি শুনে, কোনোৱে আশ্চৰ্য্যবৎ বুলি ভাবে, কিন্তু এই আত্মাক জানি শুনিও কোনেও সঠিককৈ ধৰিব নোৱাৰিলে। আকৌ এই পৰমাত্মা বস্তুৱেই কাৰ্য্য কাৰণ হেতু লৈ এই বিশাল জগতত নানা দিশে নানা ৰূপে নানা ভাৱে প্ৰকাশ হয়। কি কাৰণে প্ৰকাশ হয়? ইয়াৰ উত্তৰত শ্ৰীকৃষ্ণই কৈছে যেনে গীতাৰ চতুৰ্থ অধ্যায়ৰ ৭ শ্লোকত চাওক।

যদা যদাহি ধৰ্মস্য গ্লানি ভৱতি ভাৰত।
অভ্যুত্থানম্ ধৰ্মস্য তদাত্মানং সৃজাম্যহম্॥

যি যি সময়ত ধৰ্মৰ ক্ষীণ আৰু অধৰ্মৰ উৎপত্তি হয়, মই সেই

সেই সময়ে নিজক নিজে সৃজন কৰো। কি কাৰণে নিজক নিজে সৃজিত কৰে? এই উত্তৰত পৰমাত্মা শ্ৰীকৃষ্ণই কৈছে যেনে

পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্ম্ম সংস্থাপনায় সম্ভৱামি যুগে যুগে॥ গীতা।

সাধুসকলৰ পৰিত্ৰাণৰ কাৰণে আৰু দুৰাচাৰ লোকক বিনাশ কৰি ধৰ্ম্ম সংস্থাপন কৰি ৰাখিবৰ কাৰণে মই যুগে যুগে অৱতাৰ বা জন্মগ্ৰহণ কৰো।

মৎস্য কূৰ্ম্ম আদি অংশ অৱতাৰ যত। সৃষ্টি লীলা কাৰণত ধৰো স্বৰূপত॥ মোৰ নিজ শুদ্ধ ধৰ্ম্ম যত যশ সাৰ। শান্ত মূৰ্ত্তি ধৰি মই কৰিবো প্ৰচাৰ॥ কলিত বৈষ্ণৱ মূৰ্ত্তি যতেক ধৰিবো। তোমাৰ আগত মই সমস্ত কহিবো॥ পালক বিষ্ণুৰ শক্তি সত্ত ৰূপ ধৰি। কৈবেক চৈতন্য নাম জানা নিষ্ঠ কৰি॥ যুগধৰ্ম্ম প্ৰবৰ্ত্তাবো কৰ্ত্তা ভক্ত চয়। মোৰ নাম জপিবেক জানিবা নিশ্চয়॥ জল সাইত হবে গৈয়া ৰমানন্দ নাম। জ্ঞান যোগ প্ৰবৰ্ত্তাবা জনা বিধি ৰাম॥ জপিবেক ৰাছু নাম আনন্দে মজিব। প্ৰচাৰিব ধৰ্ম্মচয় লোক প্ৰবৰ্ত্তিব॥ হৰঅংশে হৈব গৈয়া বৃন্দাবন দাস। অচলা ভক্তিক স্নেহে কৰিব প্ৰকাশ॥ অষ্টনাম জপিবেক কহিলো নিশ্চয়। ধৰ্ম্ম প্ৰবৰ্ত্তাব ব্ৰহ্মা জানিবা নিশ্চয়॥ সৰ্ব্বাৰ মনত যিটো থাকে নাৰায়ণ। সেহি অংশ হৈব জানা ৰূপ সনাতন॥ দশনাম জপিবেক ভক্তি যোগ হয়। লোকক কহিবে ব্ৰহ্মা জনা মহাশয় যিটো মূল ৰূপ মোৰ বিৰাটক কয়। সেহি অংশে হৈব জানা কৰি নিশ্চয়॥ এক নাম জপিবেক বিৰল যতনে। কেৱলাত প্ৰবৰ্ত্তিব কৈলো তত্ব ঠাৱ॥ তত্ব অংশে হৈবে গৈয়া নিত্যানন্দ নাম। গৃহাশ্ৰমী ধৰ্ম্ম ধৰি কৰিবা বিশ্ৰাম॥ দান পুণ্য অতিথিক

শুশ্ৰূষা কৰিব । সেহি ধৰ্ম প্ৰবৰ্ত্তিব লোকতো কহিব ।॰ শুনিয়োক ব্ৰহ্মা কহো স্বৰূপ বচন । মোৰ নিজ প্ৰেম ভক্তি প্ৰধান কীৰ্ত্তন ॥ পূৰ্ব্বত আছিল ভক্তি গুপ্ত চাৰি নাম । ভাগৱত নানা বিধ গ্ৰহ অনুপাম ॥ আৰু প্ৰচাৰিবে লাগি নিজ অৱতাৰ । ভকতৰ গুৰুৰূপে হৈবো অৱতাৰ ॥ নিজ যশ প্ৰচাৰিবো নানা বিধ কৰি । ঘটপট ভাঙ্গিবোহো কুজ্ঞান সংহৰি ॥ শুনিয়া ব্ৰহ্মাৰ মনে মিলিল সংশয় । ইটো অৱতাৰ প্ৰভু কহিয়ো নিশ্চয় ॥ মাধৱ বদতি তুমি শুনা স্থিৰ কৰ। ইটো অৱতাৰ কথা শুনা বিধিবৰ ॥ চন্দ্ৰৰূপ ধৰি শূদ্ৰকুলে হৈবো জাত । হৈবোহো শঙ্কৰ নামে জগতে প্ৰখ্যাত ॥ যোৱনেসে কুসুম ধীৰা সত্য সন্ধ্যা হয় । তাহাৰ ঘৰত মই জন্মিবো নিশ্চয় ॥ মোৰ নিজ অংশ হলিৰাম নাম ধৰ । মাধৱ স্বৰূপে হৈবো শুনা বিধিবৰ ॥ নিজভক্তি ধৰ্মমত প্ৰকাশ কৰিবো । জ্ঞানদাহে সমস্তৰে মনক পূৰিবো ॥

যেতিয়া নাভিকমলত ব্ৰহ্মা জনম হয়, তেতিয়াই এই বিলাক কথা পৰমাত্মা পৰম পুৰুষে ব্ৰহ্মাক কৈছিল যে, মই নিজক নিজে অৱতাৰ কৈ শূদ্ৰৰ কুলত শঙ্কৰ নামধৰি অনান্য সকলো ধৰ্ম ত্যাগকৰি আৰু মোৰ যি হলিৰাম নামে নিজ অংশ আছে, সেই অংশে মাধৱ স্বৰূপ নামধৰি পূৰ্বদিশে, মোৰ নিজ স্ব ভক্তি একশৰণ হৰিনাম কীৰ্ত্তন ধৰ্ম প্ৰচাৰ কৰিম ইয়াকে জানি মহাপুৰুষশ্ৰীমন্ত মাধৱদেৱে নাম ঘোষাত লেখিছে যেনেঃ—

পৰম অমূল্য বস্তু, হৰিৰ নামৰ পেৰা, অতিগুপ্ত স্বৰূপে আছিল । লোকক কৃপায়ে হৰি, শঙ্কৰ স্বৰূপে আসি, মুদ ভাঙ্গি সমস্তকে দিল ॥ হৰি নাম প্ৰেম ৰস, অমৃত নিধিৰ বাদ্ধি, গুপ্ত কৰি থৈলা দেৱগণ । দয়ালু শঙ্কৰে পায়, তুলি মুদ ভাঙ্গি দিল, সুখে পান কৰে

সৰ্ব্বজনে ॥ হৰি নাম ৰসে, বৈকুণ্ঠ প্ৰকাশে, প্ৰেম অমৃতৰ নদী। শ্ৰীমন্ত শঙ্কৰে, পাৰ ভাঙ্গি দিলে, বহে ব্ৰহ্মাণ্ডক ভেদি ॥ ভকতিৰ হাত, পাণ্ডিলন্ত ভাত, শঙ্কৰে জগত জুৰি। ৰাম নাম ৰত্ন, বিকায়া জগন্তে, চলয় বৈকুণ্ঠ পুৰী ॥ ১০০।১০১ ৩৭১।৩৭৪ নামঘোষা।

এই কেইপদ ঘোষাৰ দ্বাৰাই বুজা যায়, গোটাই ব্ৰহ্মাণ্ডত হৰি নামৰ প্ৰেম ৰস পৰম অমূল্য ৰত্ন ভাণ্ডাৰ শ্ৰীমন্ত শঙ্কৰেহে প্ৰকাশ কৰাৰ প্ৰমান হল। অন্তৰ কোনো প্ৰমাণৰ বিষয় কোনো শাস্ত্ৰত নাই। হব পাৰে কোনোজনে শঙ্কৰ দেৱৰ মত নেমানি কেৱল মাত্ৰ নিজৰ গৌৰৱ পৌৰুষালী দেখুৱাবলৈ, অৰ্থাৎ যিবিলাকৰ এত শাস্ত্ৰত নাই সিবিলাকৰ মত গোটেই জগতত বিয়পি গৈছে—

শঙ্কৰৰ শুদ্ধ মত, ঈশ্বৰ ভক্তিৰ তত্ত্ব, প্ৰচাৰিলা শাস্ত্ৰ সাৰ জানি। ইহাক নজানি নৰে, জীৱিকাৰ অৰ্থে ফুৰে, আপোনাৰ মহত্ব বখানি ॥ নাম ঘোষা ৫৩।

ঈশ্বৰত কেনেকৈ ভক্তি কৰিব লাগে, সকলো শাস্ত্ৰৰ সাৰ বাচি শুদ্ধ মত শঙ্কৰদেৱে প্ৰকাশ কৰি থৈ গল। কিছুমান লোকে সেইবিলাক মত নেমানি নিজৰ মহত্বৰ বাখ্যা দেখুৱাই জীৱিকাৰ কৰি অৰ্থ লোভত দেশ দেশান্তৰে ভ্ৰমি ফুৰিছেহি।

শঙ্কৰে সংশয় ছেদি, শাস্ত্ৰৰ তত্বক ভেদি, প্ৰচাৰিলা কৃষ্ণৰ ভকতি। তাক এৰি কিকাৰণে আনক বোলয় গুৰু, কিনো লোক মহামূঢ়মতি ॥

সকলো শাস্ত্ৰৰ তত্ব ভেদ কৰি আৰু সকলো লোকৰে মনৰ সংশয় ছেদ কৰি, কৃষ্ণক কেনেকৈ ভক্তি কৰিব লাগে সেই সকলোবিলাক শঙ্কৰ দেৱে প্ৰচাৰ কৰি দেখুৱালে; এনেস্থলত কি কাৰণে শঙ্কৰ দেৱক গুৰু বুলি আনক গুৰু বোলে? যি শঙ্কৰক গুৰু নোবোলে, সিয়ে এই সংসাৰত মহা অতি মূৰ্খমতি।

রাজা প্রজা আদিলোক তাঙ্কি পথ, শঙ্কর মত উৰ । সিটো মত এরি, আনক আচরি, পরম সিটো মুরুখ ॥ ২১১ ॥ অর্থাৎ পরা প্রজালৈকে সকলোরে প্রধান করি দেখিলো যে শঙ্করদেৱে সকলো শাস্ত্রর সার মন্থন করি যি শুদ্ধ নির্ণয় করি কৃষ্ণ ভক্তি শুদ্ধ মত প্রকাশ করিলে, তেনে মত এরি বা তেনে মত অবজ্ঞা করি যি অন্য মত আচরণ করে বা অন্যান্য পন্থ অবলম্বন করে, সিজনেই এই সংসারত পরম মূর্খ ও গোধিয়া অর্থাৎ শঙ্কর মতক বিনে নাজানে তেওঁরেই পাপী পাষণ্ড ।

যেতু কৃৎজিত বশিনঃ সর্ব্বতীর্থময়ো হরিঃ ।

জিতেন্দ্রিয়ো জিত ক্রোধো জিত লোভো জগদ গুরু ॥

শ্রীমন্ত শঙ্করে প্রকাশিলা, গোবিন্দর নাম গুণ যশ, জগতর লোকে পরম আনন্দে গাবে । হেনয় শঙ্কর গুরু বিনে, কমন কারণে আন জনে, লোকর মাজত আপুনি গুরু বোলাবে ॥

শ্রীমন্ত শঙ্করদেৱে গোবিন্দর নাম গুণ যশ প্রকাশ করি দিয়াত সকলো জগতর লোকে পরম আনন্দ মনে গাই আছে ; এনে স্থলত তেনে শ্রীমন্ত শঙ্কর দেৱক গুরু নুবুলি, কি কারণে আন লোকে অন্য মত প্রকাশ করি, লোক সকলর মাজত গুরু বুলি পরিচয় দিছেহি ?

কেশবান্ন পরো দেবো ন নাম্নাৎ ধর্ম্ম মুত্তমঃ ।

শঙ্করান্ন পরো গুরু ন ভক্তি সজ্জনাদিপ ॥

কেশবত পরে অন্য দেৱতা নাই, নামত পরে অন্য ধর্ম্ম নাই, শঙ্করত পরে অন্য গুরু নাই আরু শঙ্করর প্রকাশিত সাধু সন্ত ভকত পুজনর সেৱা শুশ্রূষার বাহিরে অন্য ভক্তি নাই ।

নিগুর্ণ কৃষ্ণ সেৱত গুনাগী কীর্ত্তনং কৃষ্ণ ।

এষো ধর্ম্ম সনাতনঃ জানাতি শ্রীশঙ্করঃ ॥ ৩৫৩ ॥

যি নিৰ্গুণ পৰম ঈশ্বৰ কৃষ্ণ দেৱতাৰ গুণ অন্ত নাই, সেই নিৰ্গুণ ভক্তিৰ তত্ত্ব কেৱল মাত্ৰ শ্ৰীমন্ত শঙ্কৰ দেৱেহে জানি ভক্তি সকলো জীৱৰ প্ৰতি দয়া দৃষ্টি কৰি প্ৰকাশ কৰিলে।

আদৌ কৃত যোগে ধৰ্মো নৃনাং হংস ইতি স্মৃতঃ।

কৃত কৃত্যাঃ প্ৰজা জাত্যা তস্মাৎ কৃত যোগ স্মৃতাঃ॥ ৬১৮॥

আদি সত্য যুগ শুক্লবৰ্ণ, আছিলেক মাত্ৰ হৰিনাম, সেইসবে ভক্ত কৰি কৰি ন কপট। সেই হৰিনাম ব্যক্ত কৰি, সমস্ত লোকক উদ্ধাৰিলা, শ্ৰীমন্ত শঙ্কৰে জানিলা সবাৰো পট।

প্ৰথমে সত্য যুগত শুক্লবৰ্ণ কেৱল মাত্ৰ হৰিনাম আছিল, ধৰ্ম্ম দ্ৰোহী সকলে কপট কৰি আৰু কিছুলোকে দুৰ্দান্ত স্বভাৱে যেনেৰ পাষণ্ডে তান্ত্ৰিক শাক্তপূজাৰ উদ্ভৱ কৰি সেই হৰিনাম ধৰ্ম লুকাই ৰাখিছিল। শ্ৰীমন্ত শঙ্কৰে কপট চাতুৰি ঘটপট পূজা কৃত্যাদিক সংহৰি সেই হৰিনাম শুক্লবৰ্ণ ব্যক্ত কৰি সকলো লোকৰ উদ্ধাৰৰ উপায় কৰিলে। নাঃ ঘোঃ

এসময়ত এটা চিকাৰীয়ে সিংহ এটা মাৰি তাৰ ছালখন মকত শুকুৱাই থাকি থৈছিল। এদিন গাধ এটাই হঠাৎ যাওঁতে সেই সিংহৰ ছালখন গাধটোৰ মূৰৰি সোমাই সিজিলে দেহতে গোটাই গাত লুকি পৰিছিল। পাছে গাধটোৱে গাধৰ মাজেদি সাৰল ধৰ টকীয়া খোজদি যাওঁতে; তাকে দেখি মানুহ, গৰু, ম'হ, ছাগলী, হাতী কে আদি কৰি প্ৰায়ভাগ জীৱই ভয়ত আতুৰহৈ দৌৰাদৌৰ অৰণ্য পাহাৰ পৰ্ব্বতত সোমালগৈ; পাছে গাধটোৱে দেখিলা নিজৰ মাজেদে মাতধ্যাতি চিঞৰিবলৈ ধৰিলে তেতিয়া তাৰ পিৰিঙিতে চিনি পাই ধৰি আনি সিংহৰ ছালখন গুচাই তাক কাতৰাই মাৰি থেকেৰ সোধালে। কিঃ ম শা ৩৩ পৃষ্ঠা।

ইয়াৰ তাৎপৰ্য্য এই যে তাক গীতা ভাগৱত পুৰাণ আদাম্ গুপ্তই

আদি শাস্ত্ৰ বিলাকত পৰব্ৰহ্মৰ গুণবুলি পৰিচয় দিছে আৰু তাঁৰ ভক্তি ধৰ্ম বুলি পৰিচয় ৰাশি ৰাশি দিব লাগিছে; আৰো বিজয়ে উজনি অসমত অৰ্থাৎ পূবদিশে সূৰ্য্য উদয় হৈ পশ্চিম ভাৰত, দক্ষিণ ভাৰতৰ পৰা উত্তৰ ভাৰত বদৰিকা শ্ৰমত উত্তৰাদি পুৰুষতীৰ্থ পঞ্চক্ষেত্ৰ •আদি ব্ৰহ্মপুত্ৰ তীৰ্থকো বিজয়ে শৰণ ভজন দিওঁতা প্ৰধান যেনে পঞ্চক্ষেত্ৰ আদি ব্ৰহ্মপুত্ৰ তীৰ্থ ৰাজ। ইসবেও ভক্তি পাই তৰে শাখৰাজ ॥ ব্ৰহ্মগীতা শাস্ত্ৰ দিবা জলৰ মধ্যত। ব্ৰহ্মপুত্ৰে শৰণ লৈলেক শঙ্কৰত ॥ শ্ৰীমন্ত শঙ্কৰদেৱৰ গুৰু বুলি বা অৱজ্ঞা কৰি, যিসকলে গুৰুগিৰি দোলাই ফুৰিছে সেই সকলৈ লক্ষ্য কৰি নামঘোষ'ত মাধৱদেৱে ১০১, ৩৭১, ৩৭৪, ৩৫৩, ৭৬৮ আদি পদত পৰিচয় কৰাই দি ৫৩, ৫৪, ২৯১, ৬২২ পদৰ যোগাযে আৰু বিষ্ণুধৰ্মোত্তৰ কৃত যোগ বিচাৰ ও যামল আদি শাস্ত্ৰেৰে গাধৰ পিঠিত মাধৱৰিয়া যাৰ গোধোৱাৰ নিচিনাকৈ যাৰ গোধাইছে বিশেষকৈ প্ৰধান অৱতৰি মাহাত্ম্য গান্ধী আৰু অসমৰ মহাপুৰুষীয়া ধৰ্মপ্ৰচাৰক জনছেৰেকৰ উপদেশত বৰ্ত্তমান দিনত অসমত জনচেৰেকে সিংহৰ মুকান ছালৰ মোটতো কোনোৰকমে অলপমান গুচাই, গাধৰ জমৰ ভেৰতো এৰি গৰ্চা নচিকৈ সিংহৰ ঠাঁই ধৰিছে হয়; কিন্তু ইয়াৰ ভিতৰতে বিধ্বংস অৱশ্যম্ভাবি।

১ ৭ ৩ ১
কশাকে, ভুৱনে, ষণ্ঢো, নিশাকাৰেন্দ, ধি মহি।
শাকে প্ৰীতি কবিতাদ্ৰি মনোমা মদাকোদ্ভবাঃ।

৯ ১১
গ্ৰহ, ৰুদ্ৰ, বৰ্ণানি শকৰ স্থিতি ভূতৰ্কে।

০ ৯ ৪ ১
আকাশং, গ্ৰহ, বেদ, ব্ৰহ্ম নিগজৌ জানাজাকাবাজকং ॥

আপোনাৰ মুক্তিৰ। পিছত দেখাইবে জ্ঞানবাক্য চাহি কৰি। মোহোৰ গীত কৰিতাক সমান্বিৰ আপুনি বস্ত্ৰ কৰি কীৰ্ত্তন কৰিব। লোকেষণী কহে শঙ্কৰ ধৰ্মমূলি। ভেদ কৰিবাক যোগে তাহাক সমূলি। কহিলোহো বিধি সব কৰিবা শাস্ত। তিনিও পথৰ লোকে নিন্দিবে সর্বত। সত্যক এৰিবা অসত্যত প্ৰবৰ্ত্তিব। নিজ গুৰুক এৰিবা আনগুৰুক ভজিব।

যেতিয়া মহাপুৰুষীয় ভাগৱতী সনাতন ধৰ্ম্ম বেখাপাত সংস্থিছিল তেতিয়া শ ত্ৰয় বিসকল সৰ্ব বেত্তা ব্ৰাহ্মণ আছিল, তেওঁলোক শাস্ত্ৰ কণ্ঠ। আন লোকক সর্বসাধাৰণক স্ত্ৰী শূদ্ৰসকলক কৈছিল হেৰা মানুহ, তোমালোক বৰ বেয়াকপাল, তোমালোক সাগৰ এই ঘোৰ কলিকালত উপজিছা, ইয়াৰ দ্বাৰাই প্ৰমাণ হৈছে যে তুমি পাপী এই সংসাৰ ধন পোতা শাস্ত্ৰ, তুমি পোতাশালৰ বন্দি। ইন্দ্ৰিয়বোৰ তোমাৰ শত্ৰু, তুমি তোমাৰ কৰ্ম্মৰ ফলত এনে কলিকালত জন্মিছাহ্ন; এতেকে তোমাৰ আৰু নিস্তাৰ নাই। গতিকে তুমি নিয়ম পাৰা ব্ৰাহ্মণক দান দক্ষিণা ও ভোজনাদি কৰাবা আৰু ব্ৰাহ্মণৰ পদধোৱাই ব্ৰাহ্মণৰ পাদোদক খাই নিজক ধন্য ও জনম পাপ মুক্ত কৰিবা। কাৰণ আমি ব্ৰহ্ম মুখৰ পৰা জন্মিছো আমিয়েই ঈশ্বৰ বেদ শাস্ত্ৰৰো গৰাকি। বিশেষ তুমি জনম গ্ৰহীতক ভাবি ভোজাভোগ তোমালোকৰ পিতৃ, মাতৃ, ভক্ত লোকসকলৰ পূজিত নিয়মক ৰক্ষিলে প্ৰেতত্বে মুক্ত [illegible] যাতে আমি শ্ৰীকৃষ্ণ ভক্তিত আৰু পিণ্ড দিওঁতেহে মুক্তি পাব। ইয়াৰ বিপৰীতে তুমি, অসংখ্য যাতনা ভুগিব লাগিব। শাস্ত্ৰ সৰ্ব বেত্তা ব্ৰাহ্মণৰ মুখৰ পৰা এনে উপদেশ [illegible] শাস্ত্ৰীয় বাণী শুনি, [illegible] ১০০ জনৰ ভিতৰত [illegible] ৯০ জন মুক্ত [illegible] নাই [illegible]

অন্তর ভুক্ত। সেই সময়ত যত জনা পণ্ডিত ব্রাহ্মণ [illegible] [illegible] শাস্ত জনহা। শিষ্য অতীব [illegible] [illegible] বহু কৰিব [illegible] [illegible] [illegible] যদি এনে লোক [illegible] যি, [illegible] দুটি বৈষ্ণবী নাৰী পাব [illegible] পাই পৰ একো [illegible] [illegible] কাৰ্য্য কৰি, এই [illegible] [illegible] পৰা শ্ৰেষ্ঠলোক উদ্ধাৰ পাবলৈ থাকিব লাগিছে। শ্ৰেষ্ঠলোকৰ উপৰত শাস্ত্ৰবেত্তা ব্ৰাহ্মণ অশেষ [illegible] প্ৰতিপালিত. অৰ্থাৎ শাস্ত্ৰ [illegible] [illegible] [illegible] শাস্ত্ৰবেত্তা ব্ৰাহ্মণৰ বীৰতি পাই কৈ পৰিছে। এবাৰ গোটাই তাহাতে সেই [illegible] [illegible]। যি ব্ৰাহ্মণ জাতিৰ বা কাশী কাৰখানা [illegible] [illegible] যি [illegible] মহাপাপ কৰি মহাৰাজাৰ [illegible] [illegible] [illegible] তোমাক [illegible] সেই জাতিক কোনোৱা [illegible] [illegible] [illegible] [illegible]? [illegible] [illegible] এই কথা বিশ্বাস [illegible]? কোনোৱাই ইয়াক প্ৰত্যেকৰ [illegible] পাৰিলে নিৰ্ধক।

এক [illegible] ধৰ্মত বিভাগ হোৱা পৰিচয়।

মানুহৰ এনে নৈৰাশ্য আৰু মানসিক দুৰ্দিনৰ দিনত বঙ্গদেশত মহাপ্ৰভু শ্ৰীচৈতন্য, [illegible] [illegible] [illegible] কৰি সেইটোই জগতত শ্ৰীচৈতন্য [illegible] [illegible] [illegible] [illegible] [illegible] 'বাইবুল' [illegible]

মোৰেহঁত প্ৰাণত সংসাৰ সাগৰৰ পৰা উদ্ধাৰ হৈ বৈকুণ্ঠ লাভ কৰিব পৰা শিকিব পাৰিছি, সোণৰ অৰ্থলাভ উঠি যাব পৰা যাব সাধু সেৱক আদি আত্মীয় স্বজন কীৰ্তি আদি হৈ গল। যেতিয়া উত্তৰ অসমত ধৰ্ম প্ৰচাৰ কৰি মধ্য অসমৰ বৰপেটাত সত্ৰ পাতি মহা-পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰ কৰোতে, তেতিয়া দামোদৰ হৰিদেৱ, ভট্টদেৱ, অনন্তদেৱ আদি কেইজনমান সাত্বিক ভাবৰ শিক্ষিত ব্ৰাহ্মণ পাই সৰ্বশ্ৰেষ্ঠ আচাৰ্যৰ দ্বাৰা কাৰণ শঙ্কৰ ধৰণ সোৱাৰ চৰিত্ৰ বিলাকেই প্ৰধান।

যেতিয়া চৈতন্য দেৱ ২৪ বছৰ বয়সত সন্ন্যাস ধৰ্মত দিক্ষীত হ'ল তেতিয়া শ্ৰীমন্ত শঙ্কৰদেৱৰ বয়স ৬০ বছৰ।' যেতিয়া শঙ্কৰদেৱে চিহ্ন মালাদি পাতি সন্ত বৈকুণ্ঠ সেৱুৱাই এক শৰণ ধৰ্ম প্ৰচাৰ কৰে তেতিয়া চৈতন্য ধৰ্ম বা অন্ত কেনো সম্প্ৰদায়ৰ সৃষ্টি হোৱা নাই আৰু ৩০।৩৫ বছৰ বাকী। চৈতন্য ভাগৱত, চৈতন্য চৰিতামৃত কি পুৰাতন ভক্তমালা আদি গ্ৰন্থত অসমত মহাপুৰুষীয়া নিৰ্মল ভক্তি ভাগৱতি ধৰ্ম প্ৰচাৰ কৰিবলৈ শঙ্কৰদেৱক আজ্ঞা কৰা বা উপদেশ আদি দিয়াৰ আনকি ছায়া পাবলৈ নাই। কিন্তু শঙ্কৰ দেৱেই গোটাই ব্ৰহ্মাণ্ড ভেদ কৰি ভক্তি বল বোৱাই দিয়াৰ প্ৰমাণ অখণ্ডনীয় হৈ আছে।

ভকতিৰ হাত, পাতিলন্ত তাত, শঙ্কৰে জগত দুখি।
যাক নাম হৰ, দেখাইলা জগতে, চলয় বৈকুণ্ঠ দুখি।।
তুমি ভকতি মূল, শিক্ষা জগতকে, ভাৰ্গীন সংসাৰ সিন্ধু।
যেনো কৃপালু, শঙ্কৰ বিনাই, আই নাই "বন্ধু বন্ধু"
শ্ৰীমন্ত শঙ্কৰ, হৰি ভকত, জানা যেন "কল্পতৰু"
তাহান বিনাই, নাই নাই নাই" আমাৰ পৰম গুৰু"

যিজনক শাস্ত্ৰাদি যোগে জগদ্ গুৰু বুলি প্ৰমাণ কৰিছে সেই জনৰ আৱিৰ্ভাৱ বা তিৰোভাৱ উপলক্ষে সকলোৱে মহা মহোৎসৱ বিলাক পালন কৰা উচিত। কিয়নো, দৈৱকী নন্দন কৃষ্ণই শঙ্কৰ, আৰু শঙ্কৰেই কৃষ্ণ এই কথা হৰ পাৰ্ব্বতী, নাৰদাদি ও অন্যান্য লোক ঋষি মুনি সকলেও শাস্ত্ৰাদি যোগে প্ৰমাণ কৰি নিশ্চয়াত্মিকা কৰিছে যদিকে এই মহা-মহোৎসৱ বিলাক যেন সকলোৱে পালন কৰে। যদিহে শঙ্কৰক নেমানে ভেদে কৃষ্ণকো মমনা' হয়, কৃষ্ণ স্বোপাদিলে পৰম ব্ৰহ্ম পৰমাত্মাকো অৱজ্ঞা কৰা হয়। আগৰ পাঠ বিলাকত শঙ্কৰকো পৰম ব্ৰহ্ম বোলা হৈছে আৰু শঙ্কৰক যি মনুষ্য জ্ঞান কৰি অৱহেলা কৰে ভেওঁ সি নিজ ধৰ্ম্ম পৰা ভ্ৰষ্ট হৈ ঘোৰ নৰকত মজি থাকিব। চাৰিও আশ্ৰম, নিজ পিতৃ কুল, আনিমা বিটো বংশে। এহি ঘোৰ নিজ ধৰ্ম্মে ভ্ৰষ্ট হৈ, ঘোৰ নৰকত মৰে।

কলি কোৱা যে মূলত আৰাধ্য দেৱতা একমাত্ৰ পৰম ব্ৰহ্ম পৰমাত্মা পৰমেশ্বৰ একেজন, কেৱল মাত্ৰ হয় পাৰে সাধন ক্ৰিয়া মাৰ্গ বেলেগ বেলে— শ্ৰীচৈতন্যৰ, হৰে কৃষ্ণ হৰে, কৃষ্ণ কৃষ্ণ হৰে হৰে। হৰে ৰাম হৰে ৰাম, ৰাম ৰাম হৰে হৰে। এই ১৬ নাম। ৰমানন্দ, মধুসূদন, কৃত্তিকা বা গোপাল বামন, অচ্যুত; কেশৱ, হৃষিকেশ, পৰশুৰাম, দামোদৰ, নাৰায়ণ, মাধৱ, গোবিন্দ, বিষ্ণু এই বাৰ নাম। হৰিব্যাস, বৃন্দাবন দাসৰ অচ্যুত, কেশৱ, বিষ্ণু হৰি, সত্য, জনাৰ্দ্দন, হংস, নাৰায়ণ এই আঠ নাম। ৰূপ সনাতনৰ মৎস্য, কূৰ্ম্ম, নৃসিংহ, বামন, পৰশুৰাম, ৰঘুনাথ, বৰাহ, শ্ৰীৰাম, বৌদ্ধ, কল্কি, কিন্তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ 'এক শৰণ' হৰি-নাম প্ৰধান কীৰ্ত্তনত সমস্ত সকলো বিলাক নাম সংযুক্ত আছে

গোলোকাৎ বৰম পদ তাঁতে বৈকুণ্ঠে লোকে বৰো ।

০ ৫ ১ ৪

কলৌ আয় গতে বৰ্ষে খ, বান, ইন্দু, বেদকে ।

বটদ্ৰবা নাম গ্ৰামে বিষ্ণুৰ্ব্বভক্তি । বকাবাদিনি শকাব হৰি উদ্যতে

ভক্তি পন্থা প্ৰকাশিতঃ বৰ্দ্ধিতাং কৃষ্ণ চৰিত্ৰাং ॥ হৰ-গৌৰী সংবাদ ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেই যশোদা নন্দন কৃষ্ণদেৱ । দুদৰৰ ভূঞা । সত্যসন্ধ্যাৰ যৰত আত কলিৰ ৫০৪১ বছৰ যোৱাত ৰবদোৱাত ১৩৭১ শকত, ভকতৰ গুৰু ৰূপে অৱতাৰ হৈ ১১৯ বছৰ ব্যাপী পৃথিবীত পৰম নিৰ্ম্মল ভক্তি ধৰ্ম্ম প্ৰকাশ কৰি ১৪৯০ শকত বৈকুণ্ঠলৈ গুচি যায় । কিন্তু দুখৰ বিষয় এই যে গোটাই জগতত যি ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰি দি গৈছিল এতিয়া যাথোন অসমতহে অলপ চিহ্ন মাত্ৰ আছে । বাকী আটাই ঠাইত প্ৰায়েই লুপ্ত হল । মাত্ৰ জগন্নাথ শ্ৰীক্ষেত্ৰত হলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদশিলাত এতিয়ালৈকে বন্তি জ্বলি আছে আৰু পশ্চিম ভাৰতত কবীৰ দাস নামে এজন যৱন কুলত মহান পণ্ডিত অৱতাৰ হৈ শঙ্কৰদেৱত এক শৰণীয়া হৈ কেইটিমান গীত ৰচনা কৰিছিল । তাৰে মাত্ৰ এটি গীত তুলি দিয়া হল ।

হাৰো কবীৰ হাৰাবু খোৰি । চৌদিশে শঙ্কৰ গেল বিয়াপি ॥

হাতবাহু বকত হীন হীন বিধি । বিকল ভৱৰ নটেল সিদ্ধি ॥

যোহি পূৰ্ণ ব্ৰহ্ম নিৰাকাৰা । গোকুলে কৃষ্ণ ৰূপে অৱতাৰা ॥

সোহি এক পুনৰ্ব্বাৰ কিয়ি । কলিত শঙ্কৰ নামক ধৰি ॥

নিজ মন তপ কৰি উদ্ধাৰ । সোলখি কীৰ্ত্তন কৰলি জ্ঞান ॥

ঠাকুৰ ৰমানন্দ হৰি ধ্যানা । জ্ঞান কৰ্ম্মযোগ কৰি প্ৰকাশা ।

নিত্যানন্দ বৃন্দাবনহু দাস । ভক্তি ভাৱ যোগহু কৰী প্ৰকাশু ॥

ৰূপ সনাতন পাছ হয় যে ভায়া। যে উপদেশে ভকতি পাইয়া।
নাৰদ কৰীৱ অনিৰুদ্ধ আদি। যেৱল ভক্তি কৰিলাৰ সিদ্ধি ॥
হাৰাকো তেহি বৈশাখ নাম। যিক হাৰাব ক্ষমোঁহ তাপ ॥
হাবাকো দেখি বৰ গাম্ভলা। চিদানন্দ পাইব চৰণ পাইলা ॥
হাৰাই বৰে দিলা চিনহি পাও। হায় পাকুৰিয়ে কিয়ে দিবে বলাও ॥
তোহো শকব দয়াল ধাৰী। তোহে দেখি চাহেব চাপৰ হাসি ॥
তোহাৰি ভকতৰ সৰহু বাৰা। তিদুক কৰিয়ে কৰিছো ইচ্ছা ॥
মহাত্মা কবিৰাৰ বচন মতে 'কবীৰবা'।

কিন্তু এক্ষিয়া কবিৰাব শ্ৰাম বিদ্যাৰন্ত কবিৰৰ শিষ্য সকলে এই কথা কোনোমতে স্বীকাৰ নকৰে।

শুনা পৰমাৰ্থ তত্ব, শ্ৰীমন্ত শঙ্কৰ মত, ধৰিয়োক সজ্জন সকল।
হৰিৰ কীৰ্তন কৰি, সুখে সংসাৰক তৰি, পাইবা ভক্তি পৰম নিৰ্মল ॥
শুনা সভাসদ হয়, দেখিবা শাস্ত্ৰৰ লয়, হৰি গুণ ভাগৱত সাৰ।
সাধু সঙ্গ অনুসৰা, শ্ৰৱণ কীৰ্তন কৰা, পৰিহৰা পাষণ্ড আচাৰ ॥

হে সভাসদ গণ, মঁই সত্ত সজ্জন সকল পৰমাৰ্থ তত্ব শুনাচোঁ, ভাগৱতৰ হৰিৰ গুণ নাম সাধুৰ সঙ্গত সদায় শ্ৰৱণ কীৰ্তন কৰি, পাষণ্ড আচাৰ নীতি পৰিত্যাগৰ মত ধৰিবি পৰম নিৰ্মল ভক্তিধৰ্ম শাস্ত্ৰৰ তত্ব বিচাৰ দেখি, শ্ৰীমন্ত শঙ্কৰ মতকে ধৰি সুখেৰে এই লোকৰ সংসাৰৰ পৰা উদ্ধাৰ হৈ যোৱা। অৰ্থাৎ শাস্ত্ৰ ভাগৱত আদিয়ে আৰু বহা সাধু-সন্ত পণ্ডিত সকলেও যাক ভালেৰ বুলি আৰু যাক বৰ তত্ব বুলি সকলোৱে নিৰ্ণয় কৰি দেখুৱালে তাক কোনোমতে অৱজ্ঞা কৰিব নেপায়। আৰু নেমানিলে পাপী পাষণ্ড বুলি কয়।

এইবিলাক প্ৰমাণৰ দ্বাৰা বুজা যায় যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ

সেয়েহে পৰম ব্ৰহ্ম সনাতন শ্ৰীকৃষ্ণ যুগে যুগে অৱতাৰ হয় তাত কোনো সংশয় নাই। ভাগৱতক আদি কৰি সকলো বেদ শাস্ত্ৰ পৰিচয় দিয়াং কৰি দিলে। যেতিয়া এই শংকৰদেৱে পৃথিৱীত পৰম নিৰ্মল 'একশৰণ' হৰিনাম ভক্তি ধৰ্ম স্থাপিত কৰি বৈকুণ্ঠ পয়াণ কৰে; তাৰ পাচত ৩৪ পুৰুষ মানলৈ কেইজনমান সাত্ত্বিক লোকে শুদ্ধভাৱ লৈ ধৰ্ম ৰক্ষা কৰিছিল। কিন্তু যেতিয়া সেই সাত্ত্বিক লোক কিজন পৰলোক পাছত মাজে মাজে কলচেৰেক স্বাৰ্থ লোভিয়ে জাতিমতাৰ প্ৰতিবাদ কৰি অৰ্দ্ধশিক্ষিত বাকাৰুৱা বাথি নিজৰ মান ধন গৌৰৱশালী দেখুৱাবলৈ সেই কাৰণ পৰম ধৰ্মকে আগ্ৰহি (আগৰ পাতত কৈ অহা ৩৩ শ্লোকত) নিজৰ মত বুলি প্ৰকাশ কৰি ধৰ্মত বিধিনি ঘটায়।

হৰি হৰি হৰি কিনো ভৈল ইটো, কৃষ্ণৰ মায়াৰ বল।
হৰি ভকতিৰ, পৰত কপট, পাতিলেক অমঙ্গল॥
শাস্ত্ৰক কিচৰ, মাজালে ভকতি, সৰবাৰ্থ অতি মূঢ়।
হৰি কথা চলে কৰ্ণত তুলয়, কইব কথিয়া মূঢ়॥

হে হৰি কিবে আচৰ্য্য কথা, যি সকলে কৃষ্ণৰ মায়াত মূঢ় হৈ শাস্ত্ৰৰ তত্ত্ব মৰ্ম বুজি নোপোৱা লোক সকলে শুদ্ধ ভাৱ লৈ, হে হৰি, ভক্তি পৰত ঐদৰে চলনা কৰিলা কপট কৰি, সকল জ্ঞান দিও বুলি অতি মূঢ় লোকে কাণত শুনক গোপন আছে কোনোও তমিৰ জোপোৱা কৰি ব্যভিচাৰ ধৰ্ম কিমান সৰবাৰ্থ তাৰ বুলি দিলা দিয়ে পাচত সেই কথা কাৰো আগত কব নোৱাৰি, কইবলৈ নোৱাৰি। আকৌ সেইবিলাক সবাই কাকো মুখ খোলাই, তাঁতে মিচত থাব নোৱাৰি সেই শাস্ত্ৰ লোক সকলে অকস্মাৎ মূৰ্খলোক অসাধ গৌৰৱশালী দিনে দিনে হ্ৰাসহৈ পৰম ধৰ্মৰ মূল। কিন্তু

যিবি সকলে শঙ্কৰদেৱৰ একশৰণ ধৰ্ম গ্ৰহণ কৰে, সেই সকল এক সমাজ একছত্ৰি এককেন্দ্ৰি এক মানুহ জাতি মাত্ৰ, তাক যি ভিন্নাভিন্ন কৰি গৌৰৱ দেখুৱাই তাক শাস্ত্ৰৰ সম্মতৰে পাপী পাষণ্ড দুৰাচাৰ বুলি কৈছে। এইয়ে শঙ্কৰদেৱৰ ধৰ্মৰ যাʼই মূল কাৰণ। আৰু তাতে যোৰ প্ৰবাদ কৰিব যে শঙ্কৰৰ গুৰু কোন? শঙ্কৰে শৰণ কʼত লৈছিল? তাতে কোনোৱে কয়যে দামোদৰত লৈছিল, কোনোৱে কয় যে শ্ৰীচৈতন্যত দিক্ষা লৈছিল, এনে কিছুমানে প্ৰতিবাদ কৰি শঙ্কৰৰ নিৰ্মল ভক্তি ধৰ্মত বিঘিনি ঘটাই। কিন্তু যি যি সকলে শঙ্কৰৰ ধৰ্মলৈ শঙ্কৰদেৱক লেখানে বা চিনি নেপাই সেই সকলবো পৰিচয় শাস্ত্ৰতে নিহিত আছে পদ্মপুৰাণ স্বৰ্গখণ্ডত চাওক নাৰায়ণে ব্ৰহ্মাক পদ্মকল্পতে কোৱা আছে যেনে—

মোক নমানিবে ব্ৰহ্ম উপাসক হয়। শূদ্ৰবুলি অহংকাৰ কৰিবে নিশ্চয়॥ ব্ৰাহ্মণ দৈৱজ্ঞ ক্ষত্ৰ বৈশ্য চাৰি জাতি। দুওনিব আমাৰ কথাক কাণ পাতি॥ কতোজনে আপোনাক ব্ৰহ্ম বুলি কয়। কথনে মথনে মাত্ৰ মোক নেদেখয়॥ মৰ্য্যদাকো এৰিবে সমস্তে তেজিব। আপোনিলে কৃত্যকৰি তাক প্ৰবৰ্ত্তিব॥ কেৱলে তৈলোহো মই মহাপুৰুষ। দেৱতাবো দেৱগুৰু সবে অগ্ৰুতৰ॥ মনে মহা গুৰু বুলি মানিবে মনত। বেদ শাস্ত্ৰ নিন্দিবেক পৰম গৰ্ব্বত॥ মহাপুৰুষৰ নামে কৰিয়া মহত্ব। গুৰুদেৱ বোলাইবেক অত্যন্ত গৰ্ব্বত॥ শৰণ লোৱাতে আপোনাকে গুৰুমানি। ভকতিক নিকাৰস্ত শিষ্যত আপুনি॥ সিসবৰ উপদেশ মাত্ৰ অকাৰণ। সোট্ৰ-ভক্তি তাগি সিটৌ নাহিকে কল্যাণ॥ কতোৰনে শূদ্ৰবুলি, মোক নমানিব। মোৰ নাম ধৰ্ম বুলি লোকত সকৈব॥ আপুনিয়ে তৈলো মই শৌৰ্যিজনৰ। সৰ্ব্বজনে কৈবে মোত দুহিকে শৰণ॥ শৰণাদিয়তে

যেনে—অচ্যুত কেশৱ বিষ্ণু, হৰি সত্য জনাৰ্দ্দন, হংস নাৰায়ণ অষ্ট নাম ; পৰম মঙ্গল জপ, অহৰ্নিশে যিটো লয়ে, পুণ্যহোৱে তাৰ মনকাম ॥ মৎস্যকূৰ্ম্ম নৰসিংহ, বামন পৰশু ৰাম, হলিৰাম বৰাহ শ্ৰীৰাম বোধকৰি নামে দশ, আকৃতি ধৰিছা কৃষ্ণে, ভৱ পাৰে কৰোঁ প্ৰণাম। এই দশ নাম। কৃষ্ণ ৰাম, কৃষ্ণৰাম, কৃষ্ণকৃষ্ণৰাম, জয় জয় ৰাম, কৃষ্ণহৰি, ৰাম হৰি, ৰাম, ৰাম, ইত্যাদি নাম ডাকা প্ৰণালী এটাৰ যোলনাৰ পৰিচয়।

মহাপুৰুষৰ ধৰ্ম্ম গ্ৰহণ পদ্ধতি শৰণ লোৱা বোলে, চৈতন্যদেৱৰ ধৰ্ম্ম গ্ৰহণ পদ্ধতি দীক্ষা লোৱা বোলে, শ্ৰীৰামানুজৰ ধৰ্ম্মগ্ৰহণ পদ্ধতি শৰণাগতি বোলে, শ্ৰীহৰিব্যাসৰ ধৰ্ম্মগ্ৰহণ পদ্ধতি সমাশ্ৰয় বোলে, চৈতন্যদেৱৰ নামলোৱা প্ৰণালীক সংকীৰ্ত্তন বোলে, শ্ৰীৰামানুজৰ নামলোৱা প্ৰণালীক মন্ত্ৰলোৱা বোলে, শ্ৰীহৰিব্যাসৰ নামলোৱা প্ৰণালীক বৃহদ্গীত বোলে, কিন্তু শঙ্কৰদেৱৰ নামলোৱা প্ৰণালীক নাম কীৰ্ত্তন বা নামপ্ৰসঙ্গ বোলে, চৈতন্যদেৱৰ নাম লোৱা ঠাইক মঠ বোলে, ৰামানন্দৰ ঠাইকো মঠ বোলে, আৰু শঙ্কৰ দেৱৰ নামলোৱা ঠাইক থান সত্ৰ বোলে, চৈতন্য দেৱৰ গুৰুক মহাপ্ৰভু বোলে, ৰামানন্দৰ গুৰুক স্বামী বোলে নানক গুৰুক গুৰু বোলে, কিন্তু শঙ্কৰদেৱৰ গুৰুক মহাপুৰুষ গুৰু বোলা হয়। চৈতন্যদেৱৰ গুৰু শিষ্যৰ সম্বন্ধ মধুৰ আৰু শঙ্কৰদেৱৰ সম্বন্ধ দাস্য ও পবিত্ৰ, যেনে- মাধৱ বাপুৰ উত্তৰাধিকাৰ, বদ্ৰ মাধৱদেৱ ভুঞা কিবা দামোদৰ কে, বদ্ৰ মাধৱদেৱ, আকৌ পদ্ম আতা, কেশৱ চৰণ আতা হৰি হৰ আতা শ্ৰীৰাম আতা, মাধৱদেৱ, দামোদৰ নাৰায়ণ ঠাকুৰ আতা এই সকলো হয়ত আৰু কহে কৃষ্ণবৰ্ত্তি ৰামৰ দাস, পৰম কিংকৰ, গোপাল চৰণ ইত্যাদি। এতিয়া এই জাতিৰ সাম্প্ৰদায়ৰ

মূলত একনাম ঈশ্বৰ উপাসনা দিয়ে অন্যান্য দেৱতাৰ উপাসনা নাই কিন্তু মহাপুৰুষীয়া ধৰ্ম্মাৱলম্বীসকলৰ ভিতৰে, আৰু আন সম্প্ৰদায়িসকলে কালাৰুদ্ৰ গীতাৰ বুলি নাম লয়, আৰু দুৰ্গাদি দেৱদেৱীসকলৰ সকলো আদি পঞ্চদেৱতাৰ পূজাৰ যোগে হাঁহ ছাগলীৰ মূৰকাটি বলি বিধান কৰে, এনে বিধান আচৰণ কৰিলে মূলত যি ভাগৱতী সনাতন ধৰ্ম আছে সি নষ্ট হয়।

প্ৰথমে যেতিয়া সৰ্ব্বজনাই চাৰি অংশে ভাৰতৰ চাৰি দিশে অৱতাৰ হৈ কেৱল মাত্ৰ নাম ধৰ্ম দান কৰি অচেতন জগতক সচেতন কৰিছিল। তাৰ পাছত কিছুমান স্বাৰ্থ লোভীয়ে নব মানৱৰ লোভত অনেক দেৱতাৰ পূজা কৰি মূৰ্ত্তি মূৰ্ত্তি ধ্যান কৰি মূলত থকা মহাপুৰুষৰ ভাগৱতী সনাতন ধৰ্মৰ পৰা আঁতৰি যায়। ভক্তি দুবিধ যেনে – ১ম মিশ্ৰ ভক্তি, ২য় নিত্য ভক্তি; অৰ্থাৎ যি বিলাক ভক্তি প্ৰকৃতি সংযুক্ত তাকে কয় মিশ্ৰ ভক্তি, আৰু যি বিলাক ভক্তি শৰণ ভজনেই মূলত আৰু নাম লৈহে শৰণ লৈহে মূলত তাকে কয় নিত্য ভক্তি। কিন্তু প্ৰকৃতি সংযুক্ত ভক্তিবিলাক যেনেকৈ কাঠ এডালত ঘুণ আৰু তোমোৰাই অসংখ্যাত বিন্ধা কৰি নষ্ট কৰাৰ দৰে হয়। আচলতে শ্ৰৱণ, ভজন, ভকত এই তিনিও নিৰাকাৰ ৰূপ। তথাপি দেৱতা ধৰিব ঠাইত দেৱ পদশিলা আছে, তথাপি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদশিলাৰ পৰা যেনেগে ৰাখিছে। চাৰোৰ হৰমীৰ মাধৱ-শ্ৰীমন্ত হাতীৰ ভিতৰত মহাপুৰুষ মাধৱ ঠাকুৰ আছিলেহে মহাপুৰুষ শ্ৰীমন্ত মাধৱ দেৱৰ পদচিহ্ন আৰু সেই মাধৱৰ পাঁচটা আঙুলিৰ চিহ্নত, যেনেকৈ একঠাই লেখা শ্ৰীমাধৱ আদি ব্ৰহ্মা কৰি আৰু হাতত তোলা ধুনুকৰ দাগৰ চিহ্ন আছে।

এইবিলাক প্ৰমাণৰ দ্বাৰা বুজা যায় মহাপুৰুষ গুৰুজনে কাকো ভিন্ন সম্প্ৰদায় বা বামুণীয়া ঠাকুৰীয়া আদি কালসংহতি পুৰুষ সংহতি, ব্ৰাহ্মণ সংহতি আদি বেলেগ বেলেগ দামোদৰীয়া, শ্ৰীচৈতন্যীয়া বা উদাসীন বদাসীন আদি বিভিন্ন পন্থত পৰিণত কৰা নাছিল। বিশেষতে মহাপুৰুষ গুৰুজনৰ যি মূল মন্ত্ৰ প্ৰকাশ কৰি শৰণৰ যি নাম মন্ত্ৰ দিছিল, সেই মূল মন্ত্ৰত সত্য আদি চাৰি সত্য, বিশ্বাসাদি আছিল। কিন্তু এতিয়া চলিত পতিত পৰি শিক্ষা অনুসাৰে কোনো কোনো গুৰুত সকলৰ মুখত চাৰিসত্য ও বিশ্বাসাদি নাই। যদি গুৰুৰ মূল মন্ত্ৰত বিশ্বাসাদি সত্যাদি নাই তেন্তে সি আচলত কণমৰা কঠিয়া, তাৰ দ্বাৰা খেতি হব নোৱাৰে। তেনেকৈ মূল মন্ত্ৰত চাৰি সত্য বিশ্বাসাদি নাই তাৰ অন্তৰত ভক্তিৰ বীজ অঙ্কুৰিত হব নোৱাৰে। কেৱল মাত্ৰ লোকৰ মাজত মান সংকাৰ লৈ গুৰুগিৰি বোলাই, মহাপুৰুষৰ মূল নীতি বচনকো দীঘল আৰু চুটি কৰিব পৰা, আতাপুৰীয়া সকলে সিদিনা বৰ্তমান দিলতো যি অসমত প্ৰধান ১২ জন মহন্তকে আদি কৰি শঙ্কৰদেৱ মাধৱদেৱৰ মূৰ্তিৰূপ হৈ জীৱিত আছে যেনে— শঙ্কৰদেৱে মাধৱদেৱক কৈছিল যে,

শুনিও মাধৱ মোৰ থাকিবাৰ স্থান ; কীৰ্ত্তন দশম মোৰ মূৰ্ত্তি সমান॥
নিগূঢ় বিচাৰে গুৰু মোহোৰ কোঁৱাৰ, কীৰ্ত্তনও দশমত দেখিবা নিশ্চয়।
কীৰ্ত্তন দশম পুথি থাকয় যথাত, জানিবা সাক্ষাতে মই থাকোঁহো তথাত
মোৰাপাৰ শাস্ত্ৰ গ্ৰন্থ লিখি শেষ কৰিবা, মহাপুৰুষ মোৰা মাধৱ ভকতি থাকিবা। মাধৱ দেৱে ভকতসকলক সকলক কৈছিল—

(বিবৃত যত শাস্ত্ৰ আছে যত যত, সকলোৰে সাৰ আছে ঘোষাত বেকত।
যদি আমাৰ দেহা হইবেক গত, থাকিবেক আত্মা মোৰ ঘোষাত বেকত।

কাঁকাটা, বৰজোবা, মধুপুৰ, কমলাবাৰি আদি মৈহৰ্ষৰ থান

বিলাকত বিজয় স্তম্ভ জয় পতাকা উৰি চৌদ্দ প্ৰসঙ্গৰ কীৰ্ত্তনে বিজয় ধ্বনিৰ উকলি জোকাৰ দিব লাগিছে। আৰু বিশেষকৈ বৰ্ত্তমানে মহাপুৰুষৰ নামে 'শঙ্কৰ সঙ্ঘ' নাম ধৰি পৰম কৃপালু গুৰু দেৱৰ মুখ পদ্মৰ পৰা ঠায়ে ঠায়ে সৰি পৰা পদ্মগুটি সকল গজিব ধৰিছে। এনে মহান বিদ্যুৎ শক্তিৰ কৃষ্ণ সূৰ্য্য উদয় হৈ থকা সত্বেও কিছুমান ঘোৰ কঁলা ডাৱৰে ঢাকি দোৰ্ঘোৰ অন্ধকাৰ কৰি অজ্ঞান অবিদ্যাছন্ন মোহ জালা বৃত্তিৰ, চিত্ত ভ্ৰম পহৰ মহা পাষণ্ড লোক সোমাই সমাজাদি খণ্ড খণ্ডত পৰিণত কৰি গৌৰবাণী দেখুৱাই জ্ঞান কৰ্ম ভক্তিক অধোগতি কৰিছে। গীতাৰ ষোড়শ অধ্যায়ত দৈবাসুৰ যোগত শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনৰ আগত কৈছে যেনে—

প্ৰবিত্তিঞ্চ নিবৃত্তিঞ্চ জনা ন বিদুৰা সুৰাঃ।
নশৌচং নাপী চাচাৰে ন সত্যং তেষু বিদ্যতে ॥ ৭ ॥

আসুৰি স্বভাৱৰ লোক সকলে ধৰ্মত প্ৰবৃত্তি আৰু অধৰ্মত নিবৃত্তিৰ বিষয় একো নাজানে, এই কাৰণে তাহাতৰ শৌচ নাই আৰু সত্য বিবাহাদি একো নাই কাৰণে সিহঁতেই অসুৰ, আনকি যি বিলাক ঘোৰ তামসীক অসুৰে নিজৰ পো-জিকে কাটি খাই।

অসত্যম্ প্ৰতিষ্ঠন্তে জগদাহুৰনীশ্বৰম্।
অপৰস্পৰ সম্ভূতং কিমণ্যাৎ কাম হৈতুকম্ । ৮ ।

তাহাতে জগতক অসত্য বুলি মানে, ধৰ্মাধৰ্ম হীন ঈশ্বৰ শূন্য আৰি নিজেই ঈশ্বৰ, স্ত্ৰী, পুৰুষ সম্ভূত অৰ্থাৎ বাপেকৰ পৰা পুতেক আৰু পুতেকৰ পৰা নাতি; এইনিয়মে সৃষ্টি হয়; কামৰ হেতুঁ জাৰী গতিকে কামৰ পৰা উৎপন্ন বুলি বৰ্ণনা কৰে।

এতাং দৃষ্টিম্ অৱষ্টভ্য নষ্টাত্মানোহল্প বুদ্ধয়ঃ।
প্ৰভৱন্ত্য উগ্ৰকৰ্মাণঃ ক্ষয়ায় জগতোহহিতাঃ।

সেইসকল অল্পবুদ্ধিলোকে এইৰূপ জ্ঞানক আশ্ৰয় কৰি মলিন মন, উগ্ৰকৰ্ম্মা, ক্ৰোধী আৰু অপকাৰি হৈ জগতৰ হানিৰ কাৰণে জন্ম হয়।

কামমাশ্ৰিত্য দুষ্পূৰং দম্ভমান মদান্বিতাঃ ॥
মোহাদ্গৃহীত্বাহ সদ্গ্ৰহান্ প্ৰবৰ্ত্তন্তেহ শুচিব্ৰতাঃ ॥

দম্ভ, অভিমান, মদ অশুচিব্ৰত আৰু দুষ্পূৰণ (পূৰণ নোহোৱা আধাৰণিয়া মত্ত) কামনা (নিজৰ মান, যশ, পৌৰবাদী) অৱলম্ব কৰি মোহৰ কাৰণে অসৎ পৰিগ্ৰহ -অৰ্থাৎ এইমন্ত্ৰেৰে এই দেৱতাক বা ঈশ্বৰাধনাদি কৰি বহুত ধন-বস্তু পাম, আৰু শ্ৰাদ্ধাদি ও হোমাদি কাৰ্য্য কৰি সন্তোষ লভিম, এইৰূপ কুইচ্ছা কৰি ক্ষুদ্ৰ দেৱতাক আৰাধনা কৰে। বিশেষতঃ গীতা, ভাগৱত যোগে হৰি ভকত বা হৰিত শৰণীয়াজনে, শ্ৰাদ্ধাদি ও হোমাদি কাৰ্য্য নিষিদ্ধ আছে। যেনে—

যান্তি দেৱব্ৰতা দেৱান পিতৃন যান্তি পিতৃব্ৰতাঃ ।
ভূতানি যান্তি ভূতেজ্যা মদ্ যাজিনোহপিমাম্ ।

দেৱসেৱকে দেৱলোক, পিতৃ সেৱকে পিতৃলোক, ভূত সেৱকে ভূতলোক পায় আৰু কৃষ্ণক উপাসা কৰালোকে কৃষ্ণক পায়।

হিংসাং দ্ৰব্যময়ং কাম্যমগ্নিহোত্ৰাদ্য শান্তিদম্ ।
দৰ্শশ্চ পূৰ্ণ মাসশ্চ চতুৰ্ম্মাস্যং পশুসুতঃ ॥
এতদিষ্টং প্ৰবৃত্ত্যাখ্যাং হুতং প্ৰহুত মেৱ চ ।
অন্নং বৈশ্বঃ ইতি স্নেশ পিতৃযানং পূৰ্ত্তকঃ ।
এভৈক ভেলাহ পূৰ্ব্বা ভূত্বা ভূক্তে জায়তে ॥ ভাগৱত ॥

যাগ, যজ্ঞ, হোম, শ্ৰাদ্ধ, অশ্বমেধাদি পশুযজ্ঞ হোমাদি যাগ আহুতি প্ৰত্যাহুতি কৰ্ম্মকিলাকে মাহুহক মাথে মাথে দুখ দিয়ে

কাৰণে ই ঘটি হয়। অৰ্থাৎ এইবিলাক হিংসা বিশিষ্ট কাম্য কৰ্ম প্ৰবৃত্তি পথ, ইয়াক পিতৃযান মাৰ্গ বোলে। এনেবিলাক কৰ্মে জন্ম-মৃত্যুৰ যোগে মানুহক অশেষ দুখ-কষ্ট দি সংসাৰ ভ্ৰমায়, তাৰ আৰু নিস্তাৰ নাই।

দেবযান মিদং প্ৰাহুৰ্ভূত্বা ভূত্বানু পূৰ্ব্বশঃ ।
আত্মযাজ্য পশান্তাত্মা হ্যাত্মাৰামো নিবৰ্ত্ততে ॥

এক পৰমাত্মা বিষ্ণুৰ উপাসনাই নিবৃত্তি ধৰ্ম, এই পথে গলে বৈকুণ্ঠ পাই পুনৰ ঘূৰি আহিব নেলাগে। ভাগৱত ৭ম স্কন্ধ।

এয়ে গীতা ভাগৱতৰ ন্যায় নীতি, যিবিলাকে গুৰু পৰম্পৰা এক পদ্ধতিতে এক উপাস্যৰ উপাসনা ও ধৰ্মাচৰণ কৰে; সিবিলাক এক সম্প্ৰদায়ী, এক সংহতি, এক আচাৰ নীতি, এক সমাজ, এক শ্ৰেণী, একত্ৰিত এক মানৱ জাতি মানোৱ। ইয়াক যি ভিন্নাভিন্ন কৰে মানৱ সমাজে সিবিলাক পাপী পাষণ্ড দুৰাচাৰ অংশ তুলৰো তুল অধিক আৰু ভুল বোলা হৈছে। চৈতন্য সম্প্ৰদায়ী মত হল— মাধৱ সম্প্ৰদায়ী মাধৱেন্দ্ৰ পুৰীৰ শিষ্য, ঈশ্বৰ পুৰী অদ্বৈত্য ও ৰঙ্গ পুৰী ঈশ্বৰ পুৰীৰ শিষ্য শ্ৰীচৈতন্য। (ভক্তমালা গ্ৰন্থ ৬ষ্ঠ মালা)

সম্প্ৰদায়বিহীনা যে মন্ত্ৰাস্তে নিষ্ফলা মতাঃ ।
দাম্ভৌৰ্যৈৰ্ন সিধ্যন্তি কোটি কল্প শতৈৰপি ॥

(ভক্তমালা গ্ৰন্থ ৬ মালাত উদ্ধৃত গৌতমীয় তন্ত্ৰ বচন)
অদ্বৈতাচাৰ্য্য মাধৱেন্দ্ৰ পুৰীৰ ঠাইত গৌতমীয় তন্ত্ৰ সম্মত দশাক্ষৰ মহামন্ত্ৰ মতান্তৰে দশাক্ষৰ মদন গোপাল মন্ত্ৰ মতান্তৰে দশাক্ষৰ মদন গোপাল মন্ত্ৰৰ গ্ৰহণ কৰি দীক্ষা লৈছে। (চৈতন্য ভাগৱত আদি ১২ অঃ ১৩৫ পৃঃ) সকলো মন্ত্ৰ দীক্ষা সব নাশিলে বেদ আৰু তন্ত্ৰৰ মতে ইন্দ্ৰ, চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণাদি অন্যান্য দেৱতাৰ অৰ্চ্চনা

পূৰ্বৰ ক্ৰিয়া কৰিব লাগে। আৰু শিৰ পাধ্যাদি শোধন তিথি বাৰ নক্ষত্ৰ অৰ্দ্ধি ৰাশি নিৰ্ণয় ইত্যাদি বিধি পালন কৰিব লাগে। নকৰিলে সিদ্ধি নহয় বৰং অনিষ্টকৰ হয়, (সনাতন ৰচিত হৰি বিলাস ১ম ভাগ ২য় বিলাস আৰু চৰিতামৃত মধ্য লীলা ২৩ পৰিচ্ছেদ) আৰু ভজন সম্বন্ধেও চৈতন্য দেৱে জগন্নাথ ক্ষেত্ৰত সাৰ্ব্বভৌম ভট্টাচাৰ্য্যক গুৰু ৰূপে আশ্ৰয় কৰি উপদেশ লোৱাত সাৰ্ব্বভৌমৰ আদেশমতে গোদাৱৰী তীৰত শূদ্ৰৰাম ৰায়ৰ ঠাইত গুৰু মানি সেই যুগল মন্ত্ৰ ৰাধাকৃষ্ণ মন্ত্ৰ লৈছে—(ওঁ ক্লীং কৃষ্ণায় গোবিন্দায় গোপীজনায় বল্লভায় স্বাহা) লৈছে। (চৈতন্য চৰিতামৃত মধ্যলীলা ৮ পঃ) আৰু ৰামানন্দী সম্প্ৰদায়ৰ (ওঁ শ্ৰীং ৰাম ৰামায় নমো নমঃ) হৰিদাস সম্প্ৰদায়ীৰ মতে-(ওঁ নমো ভগৱতে বাসুদেৱায় নমো নমঃ) এইবিলাক মন্ত্ৰ বা দীক্ষাৰ কথাত গম্য হয়। চৈতন্য সম্প্ৰদায়ীৰ বা অন্য সম্প্ৰদায়ৰ দীক্ষা আৰু সকলত অন্যান্য দেৱতা অৰ্চ্চনা সাপেক্ষ, বিবিধ অৰ্চ্চন ক্ৰিয়া মূলক আৰু ভজন সম্বন্ধেও ৰাধা কৃষ্ণ বা সীতা ৰামৰ যুগল মন্ত্ৰ, যুগল মূৰ্ত্তি পূজা ও ধ্যানেই পৰমাৰ্থ সাৰ বুলি সিবিলাকে স্বীকাৰ কৰে।

এই ঠাইতে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বচনত মিলাই চাওক কিমান পাৰ্থক্য! বিধি কিছু মতেক লাগয়, তাক পাছ কৰি থৈয়ো। বিবিধ দৈৱ, হৰি ভকত যায়, তাহাতে [illegible] বেদৰ বিহিত কৰ্ম, তাহাকো হৈটো সংসাৰত, সবে ভকতি নাশক [illegible]। হেনয় হৰি নাম, সিজনে কীৰ্ত্তন কৰে, সেহিজন পৰম সাধু [illegible] পুৰুষোত্তম প্ৰেম, একচিত্ত শুদ্ধ ভকত আছয়, দুষ্কৃতিৰ [illegible] [illegible] তাহাৰে পৰা, বিবিধ বিষয় ভক্তি, সতত সদা নামকীৰ্ত্তন। বিবিধ দুৰিত [illegible] হয়, সেই বিলাক পৰা বিবিধ, বিবাদ

কৰিব নোপাৰি; কৰিলেও ভক্তি ভ্ৰষ্ট হয়— বেদৰ বিহিত কৰ্ম ভকতৰ কৰিবাৰ যোগ্য নহয়। যদি মোহ হৈয়া কৰে ভকতি ভ্ৰষ্ট হয়॥ ভক্তি প্ৰদীপ॥ পৰম পাষণ্ড যত, সৰ্ব্বমতে ভৈগৈ হত, জানিবা তাক নিশ্চয় কৰি। ইটো কলিকালে আন নাম বিনে নাই সাৰ, নাম মন্ত্ৰ এৰি কৰ্ম কৰি॥ ধৰিবে পাষণ্ড ৰীতি, নাই নাই তাৰ গতি, প্ৰবৰ্ত্তিবে লোক ব্যাভিচাৰ॥ নিন্দিবে ভকতি ধৰ্ম কৰিবেক বিধিকৰ্ম, সৰ্ব্বমতে পৰমপাষণ্ড॥ ঘূচাভাষ্য

এই কলিকালত হৰিনাম ভক্তিধৰ্ম্মৰ বাহিৰে অন্য কোনো ধৰ্ম, কৰ্ম অৰ্থাৎ তীৰ্থাদি ভ্ৰমণ যাগ-যজ্ঞাদি নাই যেনে- তীৰ্থৰো পৰমস্থান কৃষ্ণৰ চৰণ, বন্দাচৰণক সেৱি নৈয়োক শৰণ। কিন্তু যিসকললোকে ঈশ্বৰ শৰণ, ভজন, ভক্তিধৰ্ম অৱহেলাকৰি কেৱল শাস্ত্ৰ বিধিপালনৰ কৰ্মকেহে কৰে তেওঁলোকে মহা-মদ গৰ্ব্বি— অহংকাৰী, সৎপথত বিঘিনি আচৰোঁতা, পৰমপাষণ্ড ও ব্যভিচাৰি বোধ অৱতাৰে বেদ পথ কৰিহয়, নানান শাস্ত্ৰে মোহি আছে সৰ্ব্বজন। নিন্দিয়ে চৰন নাম ৰসক তোমাৰ, সদাই প্ৰমত্তলোক পাষণ্ড আচাৰ। বোধ অৱতাৰ-বোধ অৰ্থে জ্ঞান, জ্ঞান অৰ্থে তৰ্ক; যেতিয়া তৰ্কৰ অৱতাৰ হয়, তেতিয়া যিসকললোকে নানান শাস্ত্ৰৰ মতামত প্ৰবৰ্ত্তন কৰা বা বিধিনাৰ প্ৰবৃত্তিপথ যেনে— দুৰ্গাদি ষোড়শমাতৃকা, গণেশাদি পঞ্চদেৱতা, পঞ্চ নৈ সধীয়ৰত আশ্ৰয় কৰা বলি ও ভূবিপশ্চিত আৰু যেনেও বিধিনাৰ প্ৰবৃত্তি পথ বাহন কৰিছে, তাক যি আচৰণ কৰে, তেওঁ হৰিপৰায়ণীয়া ভকত, বৈষ্ণৱ বা ভক্ত আদি একো নহয়। সেই কাৰণে ভগৱান অৱতাৰেহে সেই বিধান পথক বাধক কৰি ভগৱানৰ পাদ-পদ্ম অনন্ত চিন্তা কৰি কৰ্ণেৰে শ্ৰৱণ মুখেৰে হৰিনাম কীৰ্ত্তন কৰাৰ উপদেশ দিছে।

কিন্তু এঁতিয়া সেইবিলাক মত এৰি যেনেকৈ বাৰুণীসুৰা পান কৰি প্ৰমত্ত হয়; তেনেকৈ বিধিপালন কাৰ্য্যত অৰ্থাৎ শ্ৰাদ্ধ-পিণ্ডাদি হোমাদি কাৰ্য্যত উন্মত্ত হৈ পাষণ্ডৰ বিধি ধৰিছে মাথোন। বেদৰ বচন্ হৰিৰ কীৰ্ত্তন, শ্ৰৱণ, ভজন ও ভক্তি। সেহেৰ দুৰ্ল্লভ ঈশ্বৰ কৃষ্ণক ভকতিয়ে কৰে বশ। আগম নিগম গীতা ভাগৱত শাস্ত্ৰৰ এইটোৱে ৰহস্য। এইমতেহি গলে কাৰো জাতি-ধৰ্ম জ্ঞান-কৰ্ম ও ভক্তি বেলেগত পৰিনত হব নোৱাৰে। সকলোৱে একশৰণ একভক্তি, একধৰ্মৰ একমাত্ৰ জাতি মাথোন। আমি মাত্ৰ হব লাগে মান-উপাধিলৈ আশা নকৰি; অকপট ভাব সৰল হৃদয়, এক ঈশ্বৰ বিশ্বাসী আৰু সেই মহাপুৰুষ গুৰুজনৰ মহান বাক্যত শ্ৰদ্ধা, ৰতি প্ৰেম প্ৰীতী আৰু অনুৰাগ জন্মাব পাৰিলে অনাহেলে স্বাধীন, স্বৰাজ, স্বশক্তিক লাভকৰি, ভক্তি পন্থৰ কণ্টকবিনাশ দূৰকৰি, অহিংসাৰ অস্ত্ৰধৰি কূটনীতিৰ ছল-প্ৰবঞ্চনা শঠবুদ্ধি ত্যাগ কৰি মুক্তিপথলৈ আগ বাঢ়াহে উচিত।

মাধবেন্দ্ৰ পুৰীয়ে ব্ৰজা বৃন্দাবনত মদন-গোপাল গোবৰ্দ্ধনত গোপাল বিগ্ৰহ প্ৰতিষ্ঠা আৰু স্বপ্নাদেশমতে সেই বিগ্ৰহৰূপি কৃষ্ণৰ শৰীৰৰ তাপ নিবাৰণৰ নিমিত্তে নিজে শ্ৰীক্ষেত্ৰৰ পৰা মলয়চন্দন ভাৰ অনা(চৈঃ চঃ মধ্যঃ ৪ পৰিঃ অদ্বৈত বিলাস ১ম খণ্ড) বিদ্যা নগৰৰ সাক্ষীগোপাল বিবৰণ (চৈঃ চঃ ৫ ম পৰিঃ) মধ্বাচাৰ্য্যৰ প্ৰতিষ্ঠাত উড়ুপ কৃষ্ণমূৰ্ত্তিত সেই সন্ন্যাসীৰ ঈশ্বৰদেখি শ্ৰীচৈতন্যপ্ৰেমপ্ৰকাশ (চৈঃ চঃ মধ্যঃ ৯ম পৰিঃ) আৰু অদ্যাপি নবদ্বীপত শ্ৰীচৈতন্যদেৱৰ সৰ্ব্বত্ৰ শ্ৰীচৈতন্যৰ মূৰ্ত্তি প্ৰতিষ্ঠা ও অৰ্চ্চনাদিয়ে এই সন্ন্যাসীক যী অত সন্ন্যাসীকো মূৰ্ত্ত্যাকাৰে বিগ্ৰহ পূজাত বহুতো পদ্ধতি দিখলাইছে আৰু ভজন সম্বন্ধেও ৰাধা-কৃষ্ণ ও সীতা ৰাঘব-যুগল

মূর্ত্তি যুগল—মন্ত্রই প্রেমের নিদান সকল তন্ত্রের সারবুলি উপদেশ দি ৩২ অক্ষরী ১৬ নামবুলি প্রচার করিছে (বীরেশ্বর প্রমাণীকের অদ্বৈত বিলাস ১ম খণ্ড—১৫১—১৫৪—১৬১—১৬৪পৃঃ ২২০—২২৭ পৃষ্ঠা কিন্তু অসমের মহাপুরুষ শ্রীমন্ত শঙ্করদেবের একশরণ ধর্মত অনাত্র কোনো বিগ্রহদেবতার পূজা নাই যেনে—আন দেবীদেব, নকরিবা সেব; মূর্ত্তিক নচাইবা প্রসাদ নখাইবা ভক্তিহৈব ব্যাভিচার ॥ একে বাসুদেবতসে করিব ভকতি নকরিব আনএকো দেবতাত রতি। একদেব একসেব একত বিনে নাই কেব ॥ যার এক, তার নাই হেলেক্ পেলেক্ ॥ চৈতন্যদেবের মতে আনদেব দেবীক পূজাকরা কর্ত্তব্য (চৈঃ ভাঃ আঃ অন্ত্য খণ্ড ৭র্থ অধ্যায়।) শ্রীকৃষ্ণচন্দ্র বলেন আপন বদনে, শিবে যে না পূজে মোরেপূজে কেনে মোরপ্রিয় শিবপ্রতি অনাদর যার, কেমতে বা মোরে পূজা হইব তাহার অতএব সর্বাগ্রে শ্রীকৃষ্ণ পূজি তবে, প্রীতে শিব পূজি পূজিবেকসর্বদেবে লৌকিক বৈদিক যতকিছু বিষ্ণুশক্তি, সভার সম্মানে হয় কৃষ্ণে দৃঢ়ভক্তি দেবদ্রোহ করিলে কৃষ্ণে পায় দুখ, গণসহ কৃষ্ণপূজা করিলেই সুখ' (ঐ মধ্য খণ্ড ১৮ অধ্যায়) শ্রীচৈতন্যে অদ্বৈতাচার্যক প্রকৃতি-পুরুষ ভাবে স্তুতি করিছে যেনে—রাধেকৃষ্ণ বর্মোরক্ষু গীতেবায় শিবেশিব বোহসি সোহসি নমোনিত্য সোহসি সোহসি নমোহস্ততে (চৈঃ চঃ মধ্যঃ ১৫ পরিঃ) চৈতন্য ভক্তসকলে আদ্যশক্তিরূপে চৈতন্যক স্তুতি করিছে যেনে—

কেহোপড়ে নারীভর কেহো চণ্ডি স্তুতি সবেস্তুতি পড়ে যার যেন স্ফূর্তি জয়জয় জগত জননী মহামায়া, দুঃখীত জীবেরে দেহ চরণের ছায়া সত্তে লইলাও মাতা তোমার শরণ, শুভ দৃষ্টিকর তোমাপদে রহমন (চৈঃ ভাঃ মধ্যঃ ১৮ অধ্যায়) শ্রীচৈতন্যই যে কেবল কৃষ্ণর জগত

আনদেৱতাৰ পূজা কৰিছই, কৃষ্ণ ভিন্ন অধিয়ো আনদেৱতাৰ পূজা
স্বকীয়াকৈ কৰিছে যথা একাম্ৰকাননত (চৈ চঃ ভাঃ অন্ত্য ২য় অঃ)
আপন ভুবনেশ্বৰে শিক্ষা গৌৰচন্দ্ৰ। শিৱপূজা কৰিলেন লৈয়া ভক্ত
বৃন্দ॥ দীনেশ বাবুৰ বঙ্গভাষাৰ সাহিত্যৰ ২৯৫।৩০৮ পৃষ্ঠাত উদ্ধৃত
গোবিন্দৰ কড়চা দেখিলেও তেওঁ গণেশ দুৰ্গা কালী শিৱ শিৱাদি
অন্য দেৱতাৰ পূজা অৰ্চনাদি দেখা যায়।

কিন্তু গীত ভাগৱত যোগে কৃষ্ণৰ বাহিৰে অন্যদেৱতাৰ পূজা
কৰা লোকক নিন্দাসূচক আৰু অস্পৃশ্যতা কৰি তিৰস্কাৰ কৰিছে
অনাচাৰ কৰি অপৰাধি মোৰ দ্ৰোহ, আনদেৱ পূজে যিটো সেহি
মোৰ দ্ৰোহী॥ অৰ্জ্জুনক গীতাত হৰি কহিলন্ত সাত। আনদেৱ
পূজি সিটো হৈবে পিশাচ॥ প্ৰেতৰ লগত ফুৰিবেক পূজা খাই
আউৰ শত জন্মতো তাহাৰ গতি নাই॥ মোকোক সুদৃঢ় বিশ্বাস
সখি কৰি। আনদেৱ ধৰ্মমানে কাহাকো নাসৰি॥ বহুজন্মতো বহুত
লোকে নাম কৰ। তাতেকে বোলয় মহা ভাগৱতী ধৰ্ম॥ মহামোক্ষ
দাতা মোত পৰে নাই কেৱ। যিটো জনে মোক তেজি ভজে
আনদেৱ॥ যিটো মহাম্লেচ্ছ কুকুৰকো খাই যাৰি। তাতোকৰি
অপবিত্ৰ সিটো অহঙ্কাৰী॥ দেখিবুৰ দিবেলাগে নাহি তাৰ চিত্ৰ
চাণ্ডালৰো অধমা হৈলসে অপবিত্ৰ॥ যই নিজ পিতৃক কৰিলে
অপমান। ব্ৰহ্মাণ্ডত নাই পাপী তাহাৰ সমান॥ সেহিলে বাঢ়েস
সেহি পুৰুষ অসুৰ। সেনেক জন্মৰ আছে পাতক প্ৰচুৰ॥ আন
দেৱ ধৰ্মমানে আয়াসৰ দেখা। মোকোৰ বচন সখি শাস্ত্ৰাদি কেৱা
মোৰ বেদ বাক্যক লঙ্ঘিলে দুৰাচাৰ। নৰকৰ পৰা তাৰ
নাহিকে নিস্তাৰ॥

শ্ৰীচৈতন্যৰ মত বেদান্তৰ তাৎপৰ্য্য পৰিণাম বাদ, নিৰ্ব্বিশেষ

নহয়। জীৱদেহত যে আত্মাবুদ্ধি সেই মিছা, কিন্তু জগত মিছা নহয় কেৱল নশ্বৰ (চৈঃ চঃ মধ্যঃ ৬ পঃ ১২০—১২৪ শ্লোকে) প্ৰকৃতি জগতৰ উপাদান আৰু মায়া নিমিত্ত কাৰণ। মায়াৰ দুই মূৰ্ত্তি যে মায়া আৰু প্ৰধান! মায়াৰ নিমিত্তহেতু বিশ্বৰ উপাদান (চৈঃ চঃ মধ্যঃ ২০ পৰিঃ ১১৮) তেওঁ পুৰুষ—প্ৰকৃতিক সত্য নিত্য বুলি দ্বৈতবাদ স্থাপনকৈ যুগল মূৰ্ত্তিৰ উপাসনা কৰে। এই প্ৰমাণৰ দ্বাৰা বুজা যায় চৈতন্য ৰামানন্দী ও হৰিব্যাসাদি সম্প্ৰদায়ৰ ভক্ত সকলে মহা অধিক কিছুমান ছাই-মাটিৰে ঢাকি পেলালে।

গীতা ভাগৱতাদি ও পুৰাণাদি শাস্ত্ৰৰ প্ৰমাণৰে বুজা যায় যে মূলত পৰমব্ৰহ্ম পৰমাত্মা একেজনেই চাৰিঅংশে বিভক্ত হৈ ভাৰতৰ চাৰিদিশে অৱতাৰ হয়। আকৌ অৱতাৰ হৈয়ো চাৰিয়োজন পূৰ্ব্বে জগন্নাথত মিলিত হৈ একেজন হোৱাৰ চৰিত্ৰত প্ৰমাণ পোৱা যায়। আৰু মহাপুৰুষৰ সৈতে কথাবাৰ্ত্তা হৈ সেই জগন্নাথতে জগন্নাথৰ দৰ্শন পাওঁা সহ সেই মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে শৰণ দিলে; আৰু সেইদেখিয়েই সকলো শাস্ত্ৰতে শঙ্কৰদেৱক পৰমগুৰু, পৰমাত্মা, পৰমেশ্বৰ বুলি কৈছে, আগতে আমি অনেক প্ৰমাণটি আহিছো, তাকে দেখুৱালেই হল। কিন্তু এতিয়া কাল ক্ৰমত তিনিও সম্প্ৰদায়ৰ লোকে যুগলমূৰ্ত্তি যুগলধ্যান কৰি প্ৰকৃতি উপাসক হৈ এই নিৰ্মল নিতান্ত নিৰ্গুণ মহাপুৰুষৰ একশৰণ ধৰ্মৰ পথ আতৰি যায়। মহাপুৰুষপ্ৰচাৰিত ভাগৱতী সনাতন ধৰ্মৰ মত যথা—

শাস্ত্ৰৰ উত্তম, গীতা ভাগৱত, ধৰ্ম্মৰ মধ্যত নাম। দেৱ মধ্যত দৈৱকী নন্দন, চৰণত কৰে প্ৰণাম। দেৱৰ মধ্যত দৈৱকী নন্দন, ধৰ্ম্মৰ মধ্যত নাম। দুইও পৰে তিনি, নাহি নাহি নাহি, অদ্ভুত পুৰাণ মনতাৰ। সত্যৰূপে কৃষ্ণঅৱতাৰ মহাপুৰুষশ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন

চৰিত্ৰ গ্ৰহ 'শ্ৰীকৃষ্ণদেৱৰ দৰে অলৌকিক লীলাপূৰ্ণ । শ্ৰীকৃষ্ণদেৱে যেনে গীতাত শ্ৰীকৃষ্ণত একান্ত শৰণ হৰি ভজন ৰূপে ভাগৱতত সংসদ পৰমধৰ্ম নিৰ্ণয়কৈ অৰ্জ্জুন ও উদ্ধৱাদি ভক্তসকলত প্ৰচাৰ কৰিছিল; শ্ৰীমন্তশঙ্কৰদেৱে তেনে সেই একান্ত শৰণে হৰিভজনধৰ্মকে প্ৰচাৰ কৰি থৈ গল ।

স্বতঃ সিদ্ধ বিজ্ঞানময় মূৰ্ত্তি যোগেশ্বৰ ভগৱন্ত শ্ৰীমন্ত ঈশ্বৰকৃষ্ণদেৱৰ যেনে লৌকিক দীক্ষাগুৰু নাছিল তেনেকৈ মহাপুৰুষশ্ৰীমন্তশঙ্কৰদেৱৰো লৌকিক গুৰু অ'ৱস্তক নাছিল । গীতাভাগৱত যোগে অৰ্জ্জুন ও উদ্ধৱধিক শ্ৰীকৃষ্ণদেৱে যেনেকৈ উপদেশ দিছিল, সেই পৰম পুৰুষ ভগৱন্ত শ্ৰীকৃষ্ণদেৱৰ মুখপদ্মৰ বহিৰ্ভূত সেই উপদেশকে গীতাভাগৱত যোগে শঙ্কৰদেৱে ,একশৰণ হৰিনাম ভক্তি ধৰ্ম প্ৰচাৰ কৰাত মহাগুৰু পৰমপুৰুষ ভগৱন্ত শ্ৰীকৃষ্ণদেৱকে গুৰুবুলিব পাৰি, শ্ৰীকৃষ্ণ দেৱে গীতাত অৰ্জ্জুনক কৈছিল যেনে—

গীতামে হৃদয়ং পাৰ্থ গীতামে সাৰমুত্তমম্ ।
গীতামে জ্ঞানমত্যুগ্ৰং গীতামে জ্ঞানমব্যয়ম্ ॥
গীতামে চোত্তমং স্থানং গীতামে পৰমং পদম্ ।
গীতামে পৰমং গুহ্যং গীতামে পৰমো গুৰু ॥
গীতাশ্ৰয়েহহং তিষ্ঠামি গীতামে পৰমং গৃহম্ ।
গীতাজ্ঞানং সমাশ্ৰিত্য ত্ৰিলোকং পালয়াম্যহম্ ॥

মহাপুৰুষশ্ৰীমন্ত শঙ্কৰদেৱে এই গীতা শাস্ত্ৰকে আশ্ৰয় কৰি এক শৰণ ধৰ্ম প্ৰকাশ কৰে আৰু এই গীতা শাস্ত্ৰকে স্থাপন কৰি মাধৱদেৱক অৰ্পণ দিলে । শ্ৰীমন্ত ঈশ্বৰ কৃষ্ণদেৱে বৈকুণ্ঠ পদাৰ্থ সমস্ত লোকসকল উদ্ধাৰৰ পথ মহাজনৰ নিমিত্তে নিজশক্তি সমস্ত ভাগৱতত অৰ্পণ কৰি আপুনিও নিজে প্ৰৱেশ কৰিছে ।

ইত্যুক্তঃ শ্ৰুত্বা প্ৰভাসে চিত্তযেষকবিঃ।
ভক্তাৱজ্ঞানাৰ্থায কিং বিষেয়ং ময়েতি চ
স্বকীয়ং যত্নায়তে ভক্তৈ ভাগৱতে দধাৎ।
তিৰধায প্ৰবিষ্টোয়ং শ্ৰীমদ্ভাগৱতাৰ্ণবং ॥
তেনেয়ং বাঙ্ময়ী মূৰ্ত্তি প্ৰত্যক্ষাবৰ্ত্ততে হৰেঃ।
সেৱনাচ্ছ্ৰৱণাৎ পাঠাৰ্দ্দৰ্শনাৎ পাপ নাশনঃ ॥

মোৰ মূৰ্ত্তি ভাগৱত আগত থৈয়াই, উপদেশ দিব দিতো জানিবা নিশ্চয়। পদ্ম পুৰাণ উত্তৰ খণ্ড ৬৩ অধ্যায়।

সেইহেতু শঙ্কৰদেৱে শৰণ দিবৰ সময়ত শ্ৰীকৃষ্ণৰ মূৰ্ত্তিস্বৰূপ ভাগৱত আগত ৰাখিছে ভগৱন্ত পুৰুষত একান্ত শৰণ দি ভকত কৰিছিল আৰু সেই পৰমপুৰুষ ভগৱন্তকে তেখেতৰ গুৰুলুলি অৰ্থাৎ কৃষ্ণৰ দ্বাৰাই উপদেশ পাইছো বুলি নিজে লেখিছে যথা—

নমো নমো মোৰ মহাগুৰু হৃষীকেশ। কৃষ্ণৰ চৰণে মনে পায়া উপদেশ॥ দ্বাদশ স্কন্ধৰ কথা দ্বন্দ্বদীৰ্ঘছন্দে। কৃষ্ণৰ কিঙ্কৰে বিৰছিলো পদবন্ধে॥ নমো মধুৰিপু ৰাম মোৰ মহাগুৰু। প্ৰভু ভগৱন্ত ভকতৰ কল্পতৰু॥ অতি পাতকীসো ভৱ যাহাৰ স্মৰণে। কৰো কোটি নমস্কাৰ কৃষ্ণৰ চৰণে॥ প্ৰভু পদ পঙ্কজ থৰি হৃদয়ত। যেনমতে বুজো টিকা ভাষ্যাৰ সমস্ত॥ জ্ঞান কৰ্ম ভক্তিক বিজনে কহয়। সেহি মোৰ গুৰু জানিবা নিশ্চয়॥

এই সূত্ৰৰ শাৰিৰিক ভাস্তত পুৰুষ শৰীৰতে পৰমব্ৰহ্মৰ সম্যক সন্নিধান বুলি প্ৰতি পাদিত

ন মাসো কল্পিতা মূৰ্ত্তিনৃণাং চেজ্জোষ্ক সাধনা।
স্বপ্নলব্ধেন ৰাজ্যেনা ৰাজানো মানবস্তথা ॥
মৃচ্ছিলা ধাতুদৰ্ব্বাদি মূৰ্ত্তাবীশ্বৰ বুদ্ধয়।
ক্লিশ্যন্তস্তপসাজ্ঞানং বিনা মোক্ষং ন যান্তিতে ॥

যদি মনঃ কল্পিত মূৰ্ত্তিয়ে মনুষ্যক মুক্তি দিব পাৰে তেন্তেহলে সমস্ত পোৱা বাজ্যখণ্ড লোক বজা হব পাৰিলে হেতেন। মাটিশিলা ধাতু আৰু কাঠৰ মূৰ্ত্তিত ঈশ্বৰ বুদ্ধিত যি বিলাকে উপাসনা কৰে সিবিলাকে বৃথা কষ্ট পায়। কাৰণ জ্ঞান কৰ্ম্মতকৈযো ভক্তিবিনা, মুক্তি পাব নোৱাৰে।

তীৰ্থানি তোয় ৰূপানি দেবান পাষাণমৃন্ময়ান।
যোগিনো ন প্ৰপদ্যন্তে আত্মাধ্যান পৰায়ণা ॥
অগ্নিদেবোদ্বিজাতিনাং হৃদি দৈবতম।
প্ৰতিমাস্বল্প বুদ্ধিনাং সৰ্ব্বত্ৰ সমদৰ্শিনাম ॥ উত্তৰগীতা ৬।৭

এতেকে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱে সাধুভকত সেৱা প্ৰসঙ্গ তীৰ্থ স্নান প্ৰতিমা পূজা ব্ৰহ্মভোজন, ঋষিতৰ্পণ ইত্যাদি এই বিলাক অকিঞ্চিতকৰ বুলি সাধুসেৱাহে উপদেশ দিছে। যত নদ নদী সিসকল তীৰ্থ হয়, শিলাৰ প্ৰতিমা দেৱ। তেসবে প্ৰৱিত্ৰ, কৰে সেৱে পুনু, বহুকালে কাৰে সেৱ ॥ দেখিলে মাত্ৰকে, ভকতে পৱিত্ৰ, কৰে লোক নিৰন্তৰ। দেৱে তীৰ্থে জানা, ভকত জনৰ, অনেক মহত্তৰ ॥ অক্ৰূৰ প্ৰতি ভগৱদ্ বাক্য

ন হ্যাম্ময়ানী তীৰ্থানি নদেবো মৃচ্ছিলাময়া তেপুনন্ত্যুৰু কালেন দৰ্শনা দেৱ সাধৱঃ। নাগ্নি ন সূৰ্য্যো ন চ চন্দ্ৰ তাৰকা ন ভূৰ্জলং খং শ্বসন নোহথ বাঙ্মনঃ। উপাসিতো ভেদ কৃতো হৰন্ত্যঘং বিপশ্চিতো ঘ্নন্তি মুহূৰ্ত্ত সেৱয়া। যস্য স্ব বুদ্ধিঃ সলিলে ন কৰ্হিচিজ্জনেষ্বভিজ্ঞেষু সঃ এৱ গোখৰঃ। যত্তীৰ্থ বুদ্ধিঃ সলিলে বুদ্ধি কুণপে ত্ৰিধাতুকে স্বধীঃ কলত্ৰাদিষুভৌম - ইজ্যধিঃ ॥ ভাগৱত ৮ষ্কন্ধ—৬-৭-৮।

— জল-নদী আদি জলময় স্থান তীৰ্থ নহয়, শিলৰ প্ৰতিমা বিলাকো দেৱতা নহয়। কাৰণসিবিলাকক বহুকাল মহাশ্ৰদ্ধ ভাৱে সেৱেন

করিলেও সিদ্ধি করার একো দিক নাই; কিন্তু সাধুসকলে দেখিলে মাত্রকে পবিত্র করে। অগ্নি, সূর্য্য, চন্দ্র, তারা, গ্রহ, নক্ষত্র, ভূমি জল, আকাশ, বায়ু, মন, বাক্য, আত্মবুদ্ধি ইত্যাদিকে ঈশ্বর জ্ঞানে ভিন্ন বুদ্ধিতে উপাসনা করিলে অচিরে অজ্ঞান নাশ করিব নোয়ারে। কিন্তু অল্পকাল মাত্র সাধু সেবাতে অজ্ঞান নাশ হয়, এতেকে সাধু ভিন্ন অন্য বিষয়ে আসক্ত বাত, পিত্ত, কফ জনিত রোগময় শরীরত যার আত্মজ্ঞান মাটিশিলা ধাতু কাষ্ঠাদি নির্ম্মিত মূর্ত্তিত ইষ্টদেবতা জ্ঞান, নদ নদী আদি জলত যার তীর্থ জ্ঞান; কিন্তু যদি সাধুভকত ও এইবিলাক জ্ঞান অর্থাৎ সাধু, ভকতক মূর্ত্তিমন্তদেবতা আরু পরম পবিত্র তীর্থ বুলি যি জ্ঞান নকরে সি গরুতো অধম বুলি নিজ শ্রীকৃষ্ণই কৈছে, মহাপুরুষীয়া ধর্মাবলম্বী লোকসকলে, সাধু ভকতসকলে এক কৃষ্ণদেবতার উপাসনা ভিন্ন অন্য কোনো দেবদেবী উপাসনা বর্জ্জিত আরু নিষিদ্ধ। ভাগবতত চাওক কিদরে আছে।

শুনা নরলোক হরি ভকতিরে যত ইতো উপদেশ ।০
এরা আনআন জীবা কথা কাল জড়া তৈল পরবেশ ॥
একে কৃষ্ণদেব করিয়োক সেব ধরিয়োক তাহান গুণ নাম ।
কৃষ্ণ দাস হয়া প্রহ্লাদ ভুঞ্জিয়া বৈকুণ্ঠে করিয়ো ধাম ॥
কৃষ্ণর মন্দিরর ঘরে চলিয়োক সাকিয়ো পুষ্প দাম ।
কৃষ্ণর চরিত্র পরম অমৃত আতপরে নাহি আন ।
কোটিকোটি যজ্ঞ জপ তপ দান সবেয়ো নুহি সমান ।
যত গুণ নাম যত অছপাম আছে সার বুলি ধরা ।
যত দেব ধর্ম হৃদয়ে তেজিয়া কৃষ্ণত ভকতি করা ॥
হেন তত্ত্ব জানি চিন্তা চক্রপাণি অনাদরি আন যত কাম
[illegible] সাধবঃ । [illegible] সাধনার্থং চ [illegible]

প্রয়োজিতং ॥ নাঙ্গং চ পূজয়েৎদ্দেবং ন নমেত্তং স্মরেন্ন চ'। ন চ পশ্যেন্ন ন চ' নন্দেৎ কদাচন ॥ নাস্তোচ্ছিষ্টং চ ভুক্তিতং নাস্তং নৈবেদ্যক ধারয়েৎ। অবৈষ্ণবানাং সন্তানা বন্দনানি বর্জ্জয়েৎ ॥ পদ্ম পুরাণ পাতাল খণ্ড ৫১ অধ্যায়

কেবল নিকৃত মাত্র শরণাগত হৈ অন্ত সাধন এবি কেভিয়াও আনকোনা দেৱতাৰ পূজা, নমস্কাৰ, স্মৰণ, দর্শন, কীর্ত্তন আৰু নিন্দা নকৰিব'। অন্যদেৱতাৰ প্ৰসাদ নৈবেদ্য নির্মালী আদি নখাব অবৈষ্ণৱৰ লগত সম্ভাষণ বন্দনাদি নকৰিব; এইনিয়ম পালন কৰিলে সকলোৰে শ্ৰৱণ, ভজন, ভক্তি নষ্ট নহয়।

ভুক্তান্যদেৱ নৈবেদ্যং দ্বিজচান্দ্রায়ণঞ্চরেৎ।
ভুক্তাকেশৱ নৈবেদ্যং যজ্ঞকোটি ফলং লভেৎ ॥

ব্ৰাহ্মণ সকলে অন্যদেৱতাৰ নৈবেদ্য খালে কৃচ্ছচান্দ্ৰায়ণ প্ৰায়শ্চিত্ত কৰ লাগে; কিন্তু যদিহে বিষ্ণুৰ নৈবেদ্য প্ৰসাদ খালে কোটি যজ্ঞৰ ফল পায়। পদ্মপুৰাণ উত্তৰ খণ্ড ৭৬ অধ্যায়

ত্ৰৈগুণ্য বিষয়া বেদা নিস্ত্ৰৈগুণ্যো ভবার্জ্জুন'। গীতা

শ্ৰীভগৱানে অৰ্জ্জুনক উপদেশ দিছে যে বেদৰ বিষয় সকাম কৰ্মাদি ত্ৰিগুণ, তুমি এই গুণময় কৰ্মকাণ্ডৰ বাহিৰহৈ নিৰ্গুণ হোৱা। অৰ্জ্জুনে ত্ৰিগুণক অতিক্ৰম কৰিবলৈ উপায় সোধাত কৃষ্ণই ১৪ অ: ২৬ মাম্ চ যোহ ব্যাভিচাৰেণ ভক্তিযোগেন সেৱতে স গুণান্ সমতীত্যেতান ব্ৰহ্ম ভূয়ায় কল্পতে ॥ এইকথাকে মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱে নামঘোষা পুথিত তাকে লেখিছে যেনে কৃষ্ণকেশে মাত্ৰ, আন বিচোৱনে, অব্যাভিচাৰি ভকতি। ত্ৰিগুণ অতি, কৰি ব্ৰহ্মৰূপ, পাৱে নিত্যোমহানন্দ ॥ তিনি গুণময়, মত জ্ঞান কৰ্ম, কেৱলে বন্ধ কাৰণ। জানি তাক ত্যজি, একান্ত ভকতি

ভজিয়ো কৃষ্ণৰ চৰণ ॥ একমাত্ৰ নিজ স্বামী, ভজিলেহে সতী নিজ স্বামী এৰি আনপুৰুষক ভজিলে যেনে অসতী ব্যাভিচাৰিণী বুলি কয় । তেনে আনদেৱতাক নভজি কেৱল মাত্ৰ সৰ্ব্বান্তৰ্য্যামী হৰিত একান্ত ভক্তিৰ নাম অব্যাভিচাৰিণী ভক্তি বোলে । গতিকে সেই ব্যাভিচাৰ ভক্তিনকৰি এই অব্যাভিচাৰিণী ভক্তি বা একমাত্ৰ হৰিত একান্ত শৰণে ভক্তি কৰিলেহে গুনাতিত হৈ কৰ্ম্মবন্ধনৰ হাতসাৰি মোক্ষ লাভ কৰিব পাৰিব ।

দৈৱীহ্যেষা গুণময়ী মমমায়া দুৰত্যয়া ।

মামেৱ যে প্ৰপদ্যন্তে মায়া মেতাং তৰন্তিতে ॥

মোৰ তিনি গুণময়ী, মায়া পাৰ হোৱা বৰ টান যিসকলে মোতে মাত্ৰ শৰণাগতহৈ মোৰ পদসেৱা ভজনা কৰে সেই সকলে এই দুস্তৰ মায়া বন্ধনৰ হাতসাৰি মোক্ষপায় ।

বেদান্তৰ ৪ অধ্যায়ৰ ১ পাদৰ 'তত্ত্বসমন্বয়াৎ' ৪ আৰু ঈক্ষতে র্ণা শব্দম ॥ ৫ আদি সূত্ৰৰ শৰীৰক মীমাংসা অনুসৰি প্ৰকৃতি জড় অভজনীয় দেৱতা বুলি উপদেশ দিছে ।

মায়া আদি কৰি যত, সমস্ত জগত জড়, কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ । চৈতন্য কৃষ্ণক এৰে, জড়ক ভজিয়া মৰে, কিনোলোক অধম মুগুধ ॥ হৰিসে চৈতন্য, আত্মাজ্ঞানময়, আৰৰ সমস্তে জড় । বেদ বেদান্তৰ, সমস্তে শাস্ত্ৰৰ, এহিসে বিচাৰ বৰ ॥ মায়া আদি কৰি সমস্তে অসত্য, জানিবা আৰু নিশ্চয় । হৰি মাত্ৰ সত্য, চৈতন্য ঈশ্বৰ, পৰম তত্ত্ব নিৰ্ণয় ॥ প্ৰকৃতি পুৰুষ, দুইতোকৰি পৰ, দুইহাঁতো নিজ কাৰণ । পৰম ঈশ্বৰ, নামক ধৰিয়া, আছা তাতে নাৰায়ণ ॥

পুৰুষ প্ৰকৃতি ব্যক্তমাত্ৰ ভূতেন্দ্ৰিয়া শয়াঃ ।

শক্নুৱ বন্ত্যস্য সৰ্গাদৌ নৱিনা যদনু গ্ৰহাৎ ॥ ৯

অণিমাদৈৰমাত্মানাং মণ্ডতে হনীশমীশ্বৰং ।
ভুতৈঃ সৃজাতি ভুতানি গ্ৰসতে তানি তৈঃ স্বয়ং ॥ ১০
শ্ৰীমদ্ভাগৱত ৬ষ্ঠ স্কন্ধ ১২ অধ্যায়

পৰমেশ্বৰৰ অনুগ্ৰহ নহলে প্ৰকৃতি পুৰুষ মহতত্ত্ব পঞ্চভূত ইন্দ্ৰিয় বুদ্ধি মনাদি হবিংশকে সৃষ্টি কৰিব নোৱাৰে অবিদ্বানলোকেহে পৰতন্ত্ৰ দেহাদি জড়ক স্বতন্ত্ৰ ঈশ্বৰ বুলি মানে। বস্তুতঃ পৰমেশ্বৰ স্বয়ং ভূতৰ দ্বাৰা ভূতৰ সৃষ্টি আৰু সিবিলাকক সংহৰণ কৰি থাকে। কৃষ্ণেসে চৈতন্য আত্মা, পৰম আত্মা ৰূপে হৰি. হৃদয়তে আছন্ত প্ৰকাশি। তাতেসে ইন্দ্ৰিয়গন, ভূত প্ৰান বুদ্ধিমন, প্ৰবৰ্ত্তে যতেক জড়ৰাশি ॥

যথাগ্নি প্ৰভবা নভাঃ পৰ্জন্য পুৰিতঃ প্ৰভুঃ ।
বিশন্তি সৰ্ব্বতঃ সিন্ধুং তদ্বাং গতযো হমুতঃ ॥ ১০
সতং ৰজস্তম ইতি ভবতঃ প্ৰকৃতেগুণাঃ ।
তৈৰ্যুক্ত প্ৰকৃতাঃ প্ৰোক্তাং অ ব্ৰহ্ম স্বাবাৰ দযা ॥ ১১

এই ঠাইতে দেহৰ লগত ক্ষুদ্ৰব্ৰহ্মাণ্ডৰ তুলনা কৰি তৎপাচত প্ৰকৃতি পুৰুষক বহুৱাইলৈ গোটাই বিশ্বব্ৰহ্মাণ্ডৰ বিষয় বৰ্ণনা কৰা যাওক। যেনেকৈ ষটচক্ৰভেদ কৰিলে দেহতত্ত্ব অবগত হৈ তাৰ দ্বাৰাই পৰম ব্ৰহ্মক জনাযাব পাৰে, অনন্ত মহাসাগৰৰ যেনেকৈ এটি পানীৰ কনিকাৰ সম্বন্ধ আছে তেনেকৈ পৰম ব্ৰহ্মৰো লগতো জীৱৰ সেই সম্বন্ধ মাত্ৰ। যেনেকৈ পানী মেঘৰূপে আহি বৰষুণ আদিহৈ কিছুমান পৰ্ব্বতৰ টিলত, কিছুমান খাল বিলত, কিছুমান নৈত, কিছুমান গছত সোমাই. আৰু কিছুমান মানুহ আদি প্ৰানীয়ে খাই পাতে মল মূত্ৰৰ আকাৰ ধৰি অনেক বৰণেৰে ওলাই। পাচে সেই আটাই বিলাক পানীয়েই সময়ত নৈতপৰি অৱশেষে

মহাসাগৰত পৰেগৈ। এই গতিৰ ব্যতিক্ৰম কেতিয়াও নহয় বা হোৱা নাই। সেইদৰে জীৱবিলাকো ব্ৰহ্মৰে পৰা উতপন্ন হৈ অৰ্থাৎ মনুষ্য দেৱতা, অসুৰ, পশু, পক্ষী, তৃণ, তৰু পাথৰ আদি নানা প্ৰকাৰে প্ৰকৃতিৰ বেশে লীলা খেলা কৰি, আকৌ কালত বা সময়ত মহামায়া প্ৰকৃতিসহ সেই পৰমব্ৰহ্মতে লীন হব বা যাব যাব।

ঘটস্য মৃত্তিকা যথা আদিৰন্তস্তু তথা ত্বমপ্যস্য জগতাঃ।
ত্বত্ত্বঃ হেতুঃ পৰমাত্মাৎ প্ৰধানাদপী পৰঃ ইতি ভক্তি ৰত্নাকৰে॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভক্তি ৰত্নাকৰত নিৰ্ণয়কৈ লেখিছে যেনে মাটিয়ে ঘটৰ আদি অন্ত ও মধ্য; হে পৰমেশ্বৰ তুমি জগতৰ আদি অন্ত ও মধ্য তুমি পৰা প্ৰকৃতিতকৈয়ো শ্ৰেষ্ঠ; গতিকে তুমিয়েই পৰম ব্ৰহ্ম পৰমাত্মা পৰমেশ্বৰ পুৰুষোত্তম অৰ্থাৎ সকলোতকৈ তুমি উত্তম।

যস্মাৎ ক্ষৰমতীতোহহমক্ষৰাদপি চোত্তমঃ।
অতোঽস্মি লোকে বেদেচ প্ৰথিতঃ পুৰুষোত্তমঃ॥ গীতা॥

ক্ষৰ পদে হটো, দেহকে বোলয়, অক্ষৰ শব্দে ব্ৰহ্ম।
দুইতো কৰি হৰি, উত্তম নিমিত্তে, বোলয় পুৰুষোত্তম॥
কৃষ্ণ নিগদতি অৰ্জ্জুনত, দেহাদিক আমি অতিক্ৰমি, হৈয়া আছো শুদ্ধ ব্ৰহ্মতো কৰি উত্তম। এতেকেসে আমা ইতোলোকে, বেদতো প্ৰখ্যাত হুয়া আছো, মোৰ নাম হটো প্ৰসিদ্ধ পুৰুষোত্তম॥

শ্ৰীমদ্ভাগৱত গীতাত শ্ৰীকৃষ্ণদেৱে অৰ্জ্জুনক কৈছে যে মই শৰীৰ ইন্দ্ৰিয় ৰিপুবিলাকক জয় কৰি অৰ্থাৎ এই সংসাৰত ক্ষৰ আৰু অক্ষৰ নামে দুজন পুৰুষ আছে, মই সেইবিলাকক অতিক্ৰম কৰি ব্ৰহ্মতকৈয়ো উত্তম হৈ আছো। এই গতিকে জগতত আৰু বেদত ভিতৰতো মোৰ নাম পুৰুষোত্তম বুলি কীৰ্ত্তন কৰি থাকে।

অব্যক্তাদ্ ব্যক্তয়ঃ সৰ্ব্বাঃ প্ৰভৱন্ত্যহৰাগমে ।
ৰাত্ৰ্যাগমে প্ৰলীয়ন্তে তত্ৰৈ বা ব্যক্ত সংজ্ঞকে । গীতা ॥

ব্ৰহ্মাৰ দিন আহিলে অব্যক্ত কাৰণৰ পৰা চৰাচৰ ভূতসকল সৃষ্টি হৈ থাকে, ৰাত্ৰি উপস্থিত হলে সেই কাৰণ ৰূপ বিলাক অব্যক্ত পদাৰ্থত সমুদায় বস্তুবিলাক লীন হৈ যায় ।

যতেক দেখা থোক সমুদায় । হস্তীৰ খোজত সবে লুকাই ॥
তেনমতে যত বিশ্ব সমস্ত । কৃষ্ণতে যায় সব অন্ত ॥

চৈতন্য সৰ্ব্বমুৎপন্নং জগদেতৎ চৰাচৰং ।
তস্মাৎ সৰ্ব্বং পৰিত্যজ্য চৈতন্যস্য সমাশ্ৰয়েৎ ॥

এই চৰাচৰ জগত চৈতন্য কৃষ্ণ পৰমেশ্বৰৰ পৰা উদ্ভৱ হৈছে । এতেকে মায়া আদি সমস্ত সৃষ্টিকে অৰ্থাৎ জড় পদাৰ্থ বা অসৎ কৰ্ম্মৰ পূজা সেৱা এৰি কেৱল মাত্ৰ পৰমেশ্বৰৰ পদত একনিষ্ঠা শৰণ লোৱা উচিত ।

বিদ্ধে পাৱৰজ শক্তি দুৰন্তাহসুখৰূপিনী ।
জড়ৰূপা মহামায়া ৰজঃ সত্ত্বতমোগুণা ॥ ৮৪ ॥
সা মায়া বৰণা শক্ত্যা প্ৰবৃত্তা বিজ্ঞানৰূপিনী ।
দৰ্শয়ে জগদাকাৰং তং বিক্ষেপৰতাবতঃ ॥ ৮৫ ॥

সত্ত্ব ৰজ তম এই তিনিগুণময়ী জড় ৰূপাদুঃখ সৰূপীনী অন্ত দুৰন্তা অৰ্থাৎ শেষ কালত দুঃখ দিওতা বিক্ষেপ ও আৱৰণ শক্তি ময়ী, আৱৰণ শক্তিদ্বাৰা নিৰ্ব্বিকাৰ পৰমেশ্বৰক ঢাকি, বিক্ষেপ শক্তিৰ দ্বাৰা জগতকাৰ দেখুৱাই । এতেকে কেৱল চৈতন্য কৃষ্ণ পৰমেশ্বৰৰ উপাসনা বিনে তত্ত্ব জ্ঞান, বাধিকা বিক্ষেপাৱৰণ শক্তি সম্পন্ন জড়ৰূপা মহামায়াৰ উপাসনাত সংসাৰৰ বন্ধন এৰাবৰ উপায় নাই । সেইকাৰণে শ্ৰুতি, স্মৃতি, বেদ-বেদান্ত সৰ্ব্বোপনিষদৰ, গীৰ

গীতা, ভাগৱতাদি সাত্ত্বিক শাস্ত্ৰত মোক্ষাৰ্থিৰ পক্ষে বাধা, গীতা, দুৰ্গা ভদ্ৰাকালী গণেশাদি পঞ্চদেৱতাৰ উপাসনাৰ কোনো উল্লেখ নাই ও দেখা যায় অনেক ই ভক্তি বিৰোধি ও নিষিদ্ধ কৰ্ম্ম অপিচেৎ সুদুৰাচাৰো ভজতে মামনন্য ভাক। সাধুৰেৱ স মন্তব্যঃ সম্যক ব্যৱসিতো হিসঃ। গীতা

মাধৱে বোলন্ত শুনা ধনঞ্জয়, মহাদুৰাচাৰো অতিশয়, আনদেৱ তেজি মোকেসে মাত্ৰ ভজয়। তাকেসে পৰম সাধু বুলি জানিবা মনত সৰ্ব্বক্ষণ, যিহেতু সম্যকে কৰিলে মোক নিশ্চয়॥ ৰজগুণ বৃত্তি, তমোগুণ বৃত্তি, কেৱলে আসুৰি ভাৱ। শুদ্ধসত্ত্ব বৃত্তি, দেৱৰ সম্পৰ্ত লৈয়া ভজা কৃষ্ণৰ পাৱ॥ আনদেৱতাৰ উপাসনা এৰি কেৱল একমাত্ৰ হৰি উপাসনাৰ উপদেশ দিয়াৰ কাৰণে এই বেদান্তৰ তাৎপৰ্য্যৰ বিপৰিতে, কাৰণৰো কাৰণ, সৰ্ব্বমূল একতত্ত্বক বহুদেৱ ভুলৰো ভুল অতিমহাভুল। ও অপ্ৰসস্ত ব্যাভিচাৰি ধৰ্ম্ম। দুই বা বহু আলম্বনে উপাসনাত সমুচ্চয় জনিত চিত্ত দ্বৈধহেতু উপাস্য সাক্ষাৎকাৰ হব নোৱাৰে; বিকল্প উপাসনা অৰ্থাৎ বহু আলম্বনৰ নিবৃত্ত মূলক এক আলম্বনৰ স্থিৰ চিত্তে উপাসনা কৰিলেহে উপাস্য সাক্ষাৎকাৰ হব। কেৱল স্বৰ্গাদি অভ্যুদয়ক ফলৰ নিমিত্তে সমুচ্চয় উপাসনা মোক্ষাৰ্থি সকলৰ পক্ষে 'পূৰ্ব্বক' উপাস্য সাক্ষাৎকাৰ নহলে মোক্ষ লাভ হব নোৱাৰে। বেদান্ত ৩অঃ ৩পাঃ

বিকল্পোহ বিশিষ্ট ফলত্বাৎ 'ও' কাম্যাস্তু যথাকামং স মুচ্চয়েৰেৱ বা পূৰ্ব্ব হেতু ভাবাৎ॥

এই দুই সূত্ৰৰ শাৰীৰিক মিমাংসা দেখা, সেই নিমিত্তে একান্ত শৰণ নহলে ভক্তি সিদ্ধ নহয়, আৰু একান্ত শৰণে হৰি ভজন— পৰম ও চৰম ধৰ্ম্ম বুলি সমস্ত সাত্ত্বিক শাস্ত্ৰতে উপদেশ দিছে।

সৰ্ব্ব মূলং কৃষ্ণ পাদ শৰণং পৰিকীৰ্ত্তিতং ।
যস্মিন্ প্ৰবৃত্তে ভক্তি বাস ভাণ্ডং যথাপস ॥

হৰি পদত শৰণেই সৰ্ব্বমূল, আৰু টেকেলিৰ পাণীৰ নিচিনাকৈ ভক্তি ধৰি যায়। একান্ত শৰণযে সৰ্ব্ব প্ৰশস্ত ধৰ্ম্ম সেই সম্বন্ধে ভাগৱতত ১১ স্কন্ধ ৫ অঃ ৩৮ শ্লোক তথা ১২ অঃ ১৩ শ্লোক পদ্ম পুৰাণ স্বৰ্গ খণ্ড ও ব্ৰহ্ম, গৰুড় পুৰাণ পূৰ্ব্ব খণ্ড ২১৯ অঃ। গোপাল তাপনি উপনিষদ্ ২৪ শ্লোক। শ্বেতাশ্বেতৰোপনিষদ ৩ অঃ ১৭ শ্লোক ৬ষ্ঠ অঃ ১৮।১৯ শ্লোক সাত্বত তন্ত্ৰ ৮।৯ পটল আদি অনেক প্ৰমান আছে। বাহুল্য এৰি কেৱল মাত্ৰ ভগৱন্ত শ্ৰীকৃষ্ণ শেষ উপদেশ গীতাত অৰ্জ্জুনৰ প্ৰতি প্ৰথমৰে পৰা আৰম্ভ কৰি শেষ সাৰ তত্ত্ব গুহ্য গুহ্যতৰ আদি শব্দ প্ৰয়োগ কৰি সৰ্ব্বশেষত ১৮ অধ্যায়ত সৰ্ব্বগুহ্যতমং এই বিশেষণ শব্দৰ দ্বাৰা হৰিত একান্ত শৰণ সমস্ত ধৰ্ম্মৰ পৰম তত্ত্ব—

সাৰাৎ সাৰবু সৰ্ব্বগুহ্যতমং ভূয়ঃ শৃণু মে পৰমং বচঃ ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো বক্ষ্যামি তে হিতম্ ॥ ৬৪
মন্মনা ভৱমদ্ভক্তো মদ্যাজি মাং নমস্কুৰু ।
মামেৱৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে ॥
সৰ্ব্ব ধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ।
অহং ত্বাং সৰ্ব্ব পাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ॥
মচ্চিত্তঃ সৰ্ব্ব দুৰ্গানি মৎ প্ৰসাদাৎ তৰিষ্যসি ।
অথচেৎ ত্বমহংকাৰন্ন শ্ৰোষ্যসি বিনঙ্ক্ষ্যসি ॥
তমেৱ শৰণং গচ্ছ সৰ্ব্বভাৱেন ভাৰত ।
তৎ প্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসি শাশ্বতম্ ॥

হে অৰ্জ্জুন তুমি মোৰ অত্যন্ত প্ৰিয়, আৰু একান্ত মনেৰে

পাত্ৰ। এই কাৰণে তোমাক মই পুনাই সকলোতকৈ গুহ্যতম হিত কথা কও শুনাচোন। তুমি মোতে চিত্ত সমৰ্পণ কৰি মোৰ প্ৰতি ভক্তি পৰায়ন হৈ মোৰ উদ্দেশ্যে সেৱা পূজা অৰ্চ্চনাদি আৰু মোকেই নমস্কাৰ কৰা। এই কাৰণে মই সত্য কৰি কলো তুমি মোক নিশ্চয় পাবা। এই কথা মই সত্য প্ৰতিজ্ঞা কৰি কৈছো, সকলো ধৰ্মকে অৰ্থাৎ তুমি বৰ্ণাশ্ৰমাদ সমস্ত গুণময় ধৰ্মকে পৰিত্যাগ কৰি, কেৱল মাত্ৰ তুমি সকলো প্ৰকাৰে মোৰ শৰনাপন্ন হৈ শৰণ লোৱা; সৰ্ব্বধৰ্ম ত্যাগৰ নিমিত্তে পাপ হব বুলি ভয় নকৰিবা, মই সকলো প্ৰকাৰ পাপৰ পৰা মুক্ত কৰিম, তাৰ নিমিত্তে কোনো সংশয় নকৰিবা। মোতেই একান্ত চিত্ত হলে, তুমি মোৰ অনুগ্ৰহৰ পৰাই অপাই অমঙ্গল (দুৰ্গম) দুখবোৰ উত্তীৰ্ণ হবলৈ সমৰ্থ হবা। কিন্তু যদিহে অহঙ্কাৰৰ অধীন হৈ মোৰ কথা নুশুনা তেন্তেহলে নিশ্চয় বিনাশ হৈ দুখ ভোগ কৰিবা। হে ভাৰত এতিয়া তুমি মোৰ অনুগ্ৰহত পৰম শান্তি আৰু অবিনাশী শাশ্বত বা নিত্যস্থান প্ৰাপ্ত হবা। পণ্ডিতে তুমি সংশয় দূৰ কৰা, সংশয় বৰ বেয়া বস্তু। কিয়নো, সংশয়াত্মাকাৰ কতো সদগতি নাই॥

এইবিলাক কথাকে মাধৱদেৱে নাম ঘোষাত লিখিছে যেনে—মোতে মাত্ৰ সদা দিয়া চিত্ত, মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ, মোকে পূজামাত্ৰ মোকে কৰা নমস্কাৰ। কহিলো তোমাত সত্যবাণী, পাইবা সুখে মোক মহামানি, তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥ কৃষ্ণ নিগদতি সত্য সাচী, পৰমাৰ্থ তত্ত্ব কৈলো বাছি, সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত। মোতে মাত্ৰ সদাদিয়া চিত্ত, গায়ো মোৰ নাম গুনগীত, সকলো শাস্ত্ৰৰ কহিলো সাৰ সাক্ষাত॥ এই বিধিৰ শঙ্কৰদেৱৰ ৰচিত ভক্তি ৰত্নাকৰত নানা শাস্ত্ৰৰ প্ৰমানদি নিৰ্ণয়কে

একান্ত শৰণম্ বিষয় লেখিছে যেনে—ইত্যাদি বচন প্ৰবণাৎ পৰমো পাস্য পৰম ভজনীয় দেৱতা শ্ৰীকৃষ্ণ এব । অতঃতদেকং শৰণংতয়া তদীয় নোপাসনে নৈব পৰম গতিঃ নাস্তাথেতি নিৰ্ণিতং ইতি ভক্তি ৰত্নাকৰে ॥ যথাহি বৃক্ষস্য মূলেসেচনং তদ্ৰসাং শাখা নাক তৃপ্তয়ে ভবতি তথা বিষ্ণুৰ ধ্যা ধনং সৰ্ব্বেসাং দেবাদীনাং সম্যচ তৃপ্তয়ে ভবতি ইতি নিশ্চিতং ॥

ভাবাৰ্থ— লিখিত বচন প্ৰমানমতে কেৱল মাত্ৰ শ্ৰীকৃষ্ণইকে সৰ্ব্বশ্ৰেষ্ঠ উপাস্য আৰু ভজনীয় দেৱতা । এতেকে তেওঁত একান্ত শৰণলৈ তেওঁৰ চৰণউপাসনা দ্বাৰাহে পৰম গতি লাভ হয়, অন্যপ্ৰকাৰে গতি মুক্তি নহয় বুলি ভক্তি ৰত্নাকৰ, গীতা, ভাগৱত আদি শাস্ত্ৰত নিৰ্ণয় হল । বিষ্ণুৰ উপাসনাতেই সকলো প্ৰাণীৰ তৃপ্তি হয়, কৃষ্ণৰ তৃপ্তিতেই ত্ৰৈলোক সন্তোষ হয় । এই প্ৰমাণ পাণ্ডৱ আৰু দুৰ্ব্বাসাৰ বিবৰণ মহাভাৰতত চাওক । এই কাৰণে শৰণীয়া বা ভজনীয়া ভকতসকলৰ পক্ষে আনদেৱাদিৰ তৃপ্তিৰ সাধনৰ নিমিত্তে অৰ্চ্চনাদি সাপেক্ষ, ক্ৰিয়া যোগমূলক, পঞ্চযজ্ঞাদি নিত্য নৈমিত্তিক বৰ্ণাশ্ৰমাচাৰ বৰ্জ্জনীয় ও অনাৱশ্যক । সেইবাবে মহাদুৰাচাৰ অৰ্থাৎ বৰ্ণাশ্ৰমচাৰ আদি বিহিত কৰ্ম ত্যাগি পাপাচাৰি সকলেও যদি অন্যদেৱতাৰ পূজা এৰি কেৱল হৰিভজন ৰূপ পৰম ও চৰম ধৰ্ম আশ্ৰয় কৰে তেওঁ পৰম সাধু বুলি গীতাত নিজে ভগৱন্তে কৈছে ।

অপিচেৎ সুদুৰাচাৰো ভজতে মামনন্য ভাক্ । সাধুৰেব স মন্তব্যঃ ব্যৱসিতো হি সঃ ॥ অৰ্থ হে ধনঞ্জয়, মহাদুৰাচাৰো অতি শঙ্কা আনদেৱ ত্যজি যোকেনে মাত্ৰ ভজয় । তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্ব্বজনে, যিহেতু সম্যকে কৰিলে যোগ নিশ্চয় ॥

আনদেৱতা পূজাকৰা লোকসকল মহাদুৰাচাৰ বুলি স্বয়ং কৈছে

যদি সেই ছুৱাচাৰ বিলাকে আনদেৱতা পূজা এৰি মোক্ষমাত্ৰ ভজে তেওঁহে পৰম সাধু বুলি জানিবা, আৰু ছুৱাচাৰ জনিত পাপৰ পৰা মুক্ত কৰিম বুলি দৃঢ় প্ৰতিজ্ঞা কৰি কৈছে। আকৌ আন ধৰ্ম ত্যাগৰ বাবে প্ৰত্যৱায়ৰ পাপ হবৰ কোনো ভয়নাই বুলি শঙ্কৰদেৱে নিমি নৱ সিদ্ধসংবাদত লেখিছে যেনে—

দেৱঋষিভূত পোষ্য পিতৃ এসবাৰ। উপজিলে লোকত থাকয়ো লাগে ধাৰ॥ এতেকে কিঙ্কৰ ঋণী ভকতি বিহীন। পঞ্চযজ্ঞ কৰিয়া থাকয়োমুক্তে ঋণ॥ সৰ্ব্বভাৱে মুকুন্দৰ যি লৈলে শৰণ। নোহে ঋণি কিঙ্কৰ থাকয়ো সিতো জন॥ এড়ি আনকৃত্য চিত্ত দিয়েক হৰিত। তেজকৃত্যাকৃত্য সিতো এতেকে কলিত॥ কহিলো বিহিত কাৰ্য্য ত্যাগ ভকতৰ। যদি প্ৰমাদত পাপ কৰেসিতো নৰ॥ তথাপি নলাগে আৰ তাৰ প্ৰায়শ্চিত্ত। তনিয়োক নিমি তুমি স্থিৰকৰি চিত্ত॥ এড়িলেক যিটো আন দেৱত ভকতি। একে মাধৱত মাত্ৰ ভজে দৃঢ়মতি॥ তাহাৰ পাতক যদি সিজে প্ৰমাদত। নাশ হোৱে সিটো ঈশ্বৰ প্ৰসাদত।

দেৱৰ্ষি ভূতাপ্ত নৃণাং পিতৃণাং ন কিঙ্কৰো নায়মৃণী চ ৰাজন।
সৰ্ব্বাত্মনা যঃ শৰণং শৰণ্যং গতো মুকুন্দং পৰিহৃত্য কৰ্ত্তং॥ ৩৭॥
স্বপাদ মূলং ভজতঃ প্ৰিয়স্য ত্যক্তান্যভাৱস্য হৰিঃ পৰেশঃ।
বিকৰ্ম্ম যচ্চোৎপতিতং কথঞ্চিৎ ধুনোতি সৰ্ব্বং হৃদি সন্নিবিষ্টঃ॥ ৩৮ ভাঃ

তাৱত কৃষ্ণৰ ভক্ত নৱে, ভক্তি অধিকাৰি কৰ্ম কৰে, কৃষ্ণৰ কথাত ৰতি যাৰে নোপজয়। যেবে তেজ কৃষ্ণ কথা ৰত, নিত্য নৈমিত্তিক আদি যত, কথাৰ বিৰোধি জানিয়া সবে তেজয়॥

ভাবাৰ্থ— যেতিয়ালৈকে কৃষ্ণৰ ভকত নহৈ, ভক্তিৰ বিৰোধি পূৰ্বৰ পঞ্চযজ্ঞাদি নিত্য নৈমিত্তিক বা কায়ক্লেশে ব্ৰত তীৰ্থাদি পৰ্য্যটন

পিণ্ডাদি দান হোমাদি স্নান তর্পনে সূর্যাদি বন্দন এইবিলাক কর্মহে কাৰ ; কিন্তু যেতিয়া কৃষ্ণভক্ত শৰণ ভজন নৈ কৃষ্ণৰ কথাত ৰত হয় তেতিয়াৰ পৰা ভক্তিৰ অবিৰোধি কৰ্ম কৰি হৰি পদ পঙ্কজত মনদি শ্ৰৱন কীৰ্ত্তন কৰি পৰম সন্তোষ পায় । তেতিয়া উক্ত যজ্ঞাদি অন্য দেৱতা অৰ্চ্চনাদি বিলাক অৰ্থাৎ ভক্তি পথৰ বিৰোধি বা সুপথৰ কণ্টকবিলাক ত্যাগ কৰে । যেনে—

তব গুণ নাম হৰি, কেৱলে নিৰ্গুণ মাত্ৰ, আৰৰ সমস্তে গুণময় । এতেক জানিয়া হৰি, তোমাৰ নামক মাত্ৰ, কৰিলোহো সাৰ কৃপাময় ॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে দশমত উপদেশ মতে লেখিছে যে কলিকালত দেশকাল পাত্ৰ দ্ৰব্য সমস্ত অপবিত্ৰ কাৰণে বৈদিক ক্ৰিয়া কৰ্মৰ সিদ্ধি নহয় । সেইবাবে তপ জপ যজ্ঞ পূজাদি বৈদিক ক্ৰিয়া কৰিব ধৰ্ম নহয় । সমস্ত ধৰ্ম হৰিনামত আশ্ৰয় কৰিলে । একান্ত শৰণ শ্ৰৱন কীৰ্ত্তন ভিন্ন আন দেবাৰ্চ্চন সাপেক্ষ মূলক বৈধ ক্ৰিয়াদিবিলাক ব্যভিচাৰ ভক্তি বুলি সকলো শাস্ত্ৰত প্ৰমান হৈছে, অৰ্থাৎ কলিত শৰণ ভজন শ্ৰৱন কীৰ্ত্তন ধৰ্মইহে সাৰ বস্তু । চিন্তামনি সম, হাতত হৰাই, ঘাটে বাটে কৈত মৰা । আক আন কৰ্ম্মে, সাত্বিৰেক গতি, ইটো আশা দুৰ কৰা ॥ ঘোৰ কলি যুগে, তৈল একবাৰ, দেখা কৰি থিৰ বুদ্ধি । চিত্ত বিত্ত পাত্ৰ, অপবিত্ৰ সবে, নাহি শৰীৰতো শুদ্ধি ॥ জানি আন কৰ্ম, দূৰন্তে তেজিয়া, তৰকতিক ধৰা সাৰ । এই গুণ নাম, কীৰ্ত্তনতে দেখা, মহা দুখে পাৰু পাৰ ॥ নাহি কাল দেশ, নিয়ম ইহাত, অশৌচতো নাহি দোষ । সৱনে ভোজনে, সদা হৰি বোল, এৰিয়ো আন আঁতোষ । হৰি হেন ইটো, দুগুতি অক্ষৰ, জিহ্বা অগ্ৰে থাকে যাৰ । গঙ্গা গয়া কাশী, প্ৰয়াগ সেতুক, যাইবাক লেলাগে তাৰ ॥

হরি রাম হরি রাম এমুন মন্ত্র । কলিত নাহিক তপ জপ যজ্ঞ মন্ত্র । তাই রাম কহ রাম কহ রাম মন্ত্র সার । তপ জপ যজ্ঞ যোগে সিদ্ধি নাহি আর ॥ কৃতে যদ্ধ্যায়তো বিষ্ণুং ত্রেতায়াংযজতো মখৈঃ । দ্বাপরে পরিচর্য্যায়াংকলৌ তদ্ধরি কীর্ত্তনাৎ । সত্যযুগে করি ধ্যান সমাধি । ত্রেতাত সমস্ত যজ্ঞ আরাধি ॥ দ্বাপর পূজে নানা ভক্তি ভাবে । কলিত কীর্ত্তনে সি গতি পাবে । হরির্নামৈব নামৈব নামৈব কেবলম্ । কলৌ নাস্ত্যেব নাস্ত্যেব নাস্ত্যেব গতিরন্যথা ॥ বৃহৎ নারদী পুরাণ ।

নারদে কহন্ত মুনিক মাতি । আশ্চর্য্য আশ্চর্য্য দেখিয়ো আতি ॥ হরি হেন নামে আছে বিয়াপি । সংসারত পরি মরে তথাপি ॥ হরি নামে নামে নামে নিশ্চয় । যেহেতু জীবন নারদে কয় ॥ কলির কালে আর আত্তপরে । নাই নাই নাই গতি লোকর ॥ নারদে জিগন্ত তিনি কত্তপা । সমানিরে আর কোনলো রূপা ॥ নারদর বাণী শিরর রেখা । বৃহৎ নারদী বিচারি দেখা ॥

এতেকে এই কলিকালত নানা দেবদেবী উপাসনা ও দীক্ষা মন্ত্র সমূচ্চয়র অতি তুচ্ছ সামান্য ফল আরু মুক্তিয়ো নাই । অধিকন্তু দেশকালাদির অশুচিতা হেতু অকুশল ফলও ঘিব লোবাহে । মহাদীক্ষা তথাদীক্ষা উপদেশস্ততঃপরং । যুগে যুগে চ কর্ত্তব্যা উপদেশঃ কলৌ যুগে ॥ বিশ্বসার তন্ত্র । আন আন যুগত দীক্ষা ও মহাদীক্ষা আছিল, কিন্তু কলিত মাত্র উপদেশ লোবাহে কর্ত্তব্য । যদাতুবৈদিকী দীক্ষা দীক্ষা পৌরাণিকীতথা । ন ভবন্তি শিবে শাক্তেতদৈব প্রবলঃ কলিঃ॥ যদাতু পুত্র পাপানাং পরীক্ষা জেনজনা । ন ভবন্তি শিবে শাক্তে তদৈব প্রবলঃ কলিঃ ॥ কচিন্নিদ্রা কচিন্নিদ্রা যদাত্তর তরঙ্গিনী । তরিষ্যতি মহাপ্রাজ্ঞে তদৈব প্রবলঃকলিঃ । মহানির্ব্বাণ তন্ত্র ।

তমেৱ তং গোবিন্দং কৌন্তেয়ং শতাধিকং। সদাত্মচ্ছাবনামুক্তি বিনাচা
ইতং যোগতঃ ॥ প্ৰপন্ন গীতা

এই হেতু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে, গীতা ভাগৱতৰ সাৰ
এক শৰণ হৰিনামৰ উপদেশ, শ্ৰৱন কীৰ্ত্তন ৰূপ নিৰ্গুণ সপ্ৰেম
ভক্তি প্ৰকাশ কৰে। একখানি মাত্ৰ শাস্ত্ৰ নিষ্ঠ, দৈবকী নন্দনে
কৈলা যাক, দেৱ একমাত্ৰ দৈৱকী দেৱীৰ সুত ॥ দৈৱকী পুত্ৰৰ
পদ সেৱা, কৰ্ম্মজানা এহিমানে মাত্ৰ, মন্ত্ৰএক তান নাম মাত্ৰ সদভুক্ত ॥
একখানি শাস্ত্ৰ মাত্ৰ গীতা শাস্ত্ৰ। দেৱ এক মাত্ৰ দৈৱকী দেৱীৰ
সুত শ্ৰীকৃষ্ণদেৱ। কৰ্ম্ম এহিমানে মাত্ৰ দৈৱকী নন্দৰ পদসেৱা শৰণ
ভজন শ্ৰৱন কীৰ্ত্তনাদি, মন্ত্ৰ একমাত্ৰ দৈৱকী নন্দন দেৱৰ নাম ৰাম
কৃষ্ণ হৰি অনন্ত গোবিন্দ নাৰায়ণ আদি ॥ একমাত্ৰ মহাপুৰুষ
শ্ৰীমন্ত শঙ্কৰ দেৱেহে সত্যগ্ৰাহী, একেশ্বৰ বিশ্বাসী, ও অদ্বৈতবাদী
আৰু একমেৱ একমেৱ দ্বিতীয় আৰু নাই এক ব্ৰহ্মতাৰ মাত্ৰ।
কিন্তু অনান্ত সম্প্ৰদায় ধ্যান ধাৰনা মুদ্ৰা আসন প্ৰানায়াম, ১২
তিলক, গনেশাদি পঞ্চদেৱতা দুৰ্গাদি ষোড়শমাতৃকাৰ পুজাপদ্ধতি
যুগক্ৰিয়া কিলাকক প্ৰধান ভক্তি বুলি কয়। সেই কাৰণে সেই
বিলাকক দ্বৈতবাদী বুলি কয় অৰ্থাৎ একক দুইবা বহুদেৱতা ভুল
পতিকে তাক ব্যাভিচাৰ বোলা হয়। যেনেকৈ যি স্ত্ৰীৰ একপতীক
সতী বা সত্যগ্ৰাহী অথবা সত্যবিচাৰক আৰু যি স্ত্ৰীয়ে বহুপতিক
বৰন কৰে সেইজনী অসতী ব্যাভিচাৰিনী বুলি কোৱা হয়। এতিয়া
প্ৰধান এয়ে হল যে শাস্ত্ৰাদি যোগে যাক অপদ ভক্ত বুলি পৰিচয়
দিলে পাছে কিছুমান স্বাৰ্থলোভী সেই পক্ষে সেই ভক্তক শাস্ত্ৰাদি
দিবক নিজে সম্প্ৰদায় বাঢ়ি নিজৰ গৌৰৱ পোষণাৰ্থী হোৱাই মান
কীৰ্ত্তি উপাধি লবলৈ দ্বিতীয় তৃতীয়া সম্প্ৰদায় বুলি পাতিলেহি আনু-

কৰ শ্ৰীমন্তশঙ্কৰৰ প্ৰকাশিত ভাগৱতি সনাতন ধৰ্মৰ পৰা, জানিব পাৰি। কিন্তু আগত বিবিলাক যামাল, পদ্মপুৰাণ, ভাগৱত আদিৰ প্ৰমান আৰু কৰিবা যবন পণ্ডিতৰ বিলিখিত বচন চিৰমত ও অন্যান্য পণ্ডিত সকলৰ সম্মতেও মূলত শঙ্কৰদেৱে যে গুৰু ই অখণ্ডনীয় প্ৰমান সেই মহাপুৰুষ দুজনা গুৰুৰ ৰচিত কীৰ্ত্তন নামঘোষাদি শাস্ত্ৰ ইউৰূপ আমেৰীকা আদি মহাদেশ সকলোতে অতি আদৰনি হৈছেগৈ সিবিলাকে নিজৰ ইংৰাজী আপৰেবে নিজৰ ভাষাৰৈ তুলিলৈছেগৈ 'এই কথা নিজে দৰ্শক'। যি সকল লোক দ্বৈত্যবাদী বিগ্ৰহ দেৱতাৰ পূজাভৰত সেই সকলে সেই অদ্বৈত্যবাদী দ্বি জগতগুৰু বুলি নাম পালে সেই জনৰ জন্ম বা তিৰুভাব উপলক্ষে মহামহোৎসৱ পালন নকৰে, আনকি যি সকলে শঙ্কৰদেৱৰ পৰা শৰণ পাই সৰ্ব্বহৈছে, তেওঁ মহন্তয়ো কতজনে পালন নকৰা এই অসমতে আছে, ইবে দুখৰ বিষয়। আৰৌ যি জাতি বৰ্ণনিৰ্বিশেষে সৰ্ব্ব জানিন ধৰ্ম্ম প্ৰকাশ কৰি বৈ গল তাত এতিয়াৰ দিনত এনেকৈত, দেখা যায়বে শৰণ ভজন মালা মন্ত্ৰআদি ধাৰনা কৰা লোক সকলকো যি নিন্দা ঘৃণা অপমানতা কৰে সিয়েই শঙ্কৰৰ দ্ৰোহী নামৰ অপৰাধী গুৰুতকতৰ পৰা অৱৰ। তেওঁতৰ প্ৰকাশিত ভক্তমত জাতিয়তাত প্ৰতিবাদ নাই সেই বিষয় কীৰ্ত্তন ও নাম ঘোষাদি শাস্ত্ৰবিলাকত তাৰৰ কলি শিলৰ যেখা বহি আছে।

সমস্ত ভূতত ব্যাপী আছো মই হৰি। সবাকে মানিবা তুমি বিষ্ণু বুদ্ধি কৰি॥ ব্ৰাহ্মণ চাণ্ডালৰ নিবিচাৰি কুল। 'দাতাত' চোৰত দৰে দৃষ্টি একে তুল॥ নীচত সাধুত যাৰ ভৈল একজ্ঞান তাকেসে পণ্ডিত বুলি জানা সৰ্ব্বজন॥ বিশেষতে মনুষ্য গৰ্জ্জত বিচৌ নবে। বিষ্ণু বুদ্ধি তাৰে সৰ্ব্বদায় যাক কৰে॥ ইৰ্ষা অসূয়া

চিৰকাৰ অহঙ্কাৰ । সবেনষ্ট হোৱে তেবে তাৰ ক্ষনে তাৰ ॥ দেখি সখি গবে যেবে হাসে আসিবেঢ়ি । মইসাধু ইতো চুৰ হেন লজ্জা এৰি ॥ কুকুৰ চাণ্ডাল গৰ্দ্দভৰো আত্মাৰাম । জানিয়া সবাকে পৰি কৰিবা প্ৰনাম ॥ কাকো নিন্দা ঘৃণা অশ্ৰদ্ধা নকৰি সকলোলোকক এক বিষ্ণুজ্ঞান এক আত্মাস্বৰূপ কেনেকৈ কৰিবলৈ যত্নশীল হব লাগিব সেই নিয়মাবলী খনো লেখিথৈ গৈছে যেনে সমস্ত ভূততে বিষ্ণু বুদ্ধি মোহে যাৰে । কায়বাক্য মনে অভ্যাসিবা এহিমত ৰে ॥ বিষ্ণুময় দেখে যিটো সমস্তে জগতে । জীয়ন্তে মুকুত হোৱে অচিৰ কালতে । সমস্তে জগতে যিটো দেখে আত্মা সম । উপায় মধ্যত ইতো আতি মুখ্যতম ॥ ইটো মোৰ ধৰ্ম্মৰ অল্পৰো নাহি হানি । যিহেতু সাক্ষাতে মই কৈলো তত্ত্ববানী ॥

ন মৃত্যু ন শঙ্কা নমে জাতি ভেদা, পিতানৈবমে নৈৱ মাতা, ন জন্ম ন বন্ধু ন মিত্ৰ, গুৰুনৈৱ ন শিষ্য, চিদানন্দ ৰূপঃ শিৱোহহং শিৱো হহম্ ।৫ নিৰ্ব্বান ষটক ।

ন মাতা ন পিতা তস্য ন ভাৰ্য্যা ন সুতাদয়ঃ । নাত্মীয়োন পৰশ্চাপি ন দেহো জন্ম এবচ ॥ শ্ৰীমদ্ভাগৱত ৪৬ অঃ ২৭

যন্মৰ্ত্যলীলৌপয়িকং স্বযোগ মায়াবলং দৰ্শয়তা গৃহীতং

বিস্মাপনং স্বস্য চ সৌভগৰ্দ্ধেঃ পৰং পদং ভূষণ ভূষনাঙ্গং ॥ ভাগৱত ২ স্কঃ ৩য়অধ্যায় ১২ শ্লোক ।

মোহোজানা আমি গৰিজাতি, চাৰিয়ো আশ্ৰম মোহো আতি নোহো ধৰ্ম্মশীল দানব্ৰত তীৰ্থ প্ৰাণী । কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপী ভৰ্ত্তা পদকমলৰ, দাসৰো দাস তাৰ দাসানুদাস আমি

ভাবাৰ্থঃ—ভগৱন্ত পুৰুষে নিজে কৈছে যে মোৰ পিতা, মাতা গুৰু, শিষ্য, জাতি ভেদ নাম ৰূপ পদৱী ব্ৰাহ্মণ, ক্ষেত্ৰিয়, বৈশ্য

শূদ্ৰ ও অন্ত্যজ শংকৰমিত্ৰ অৰ্থ মহা কৃত্য তত্ৰ সমুদ্ৰ কিছুনাই। তেওঁ একব্ৰহ্মই নানা প্ৰকাৰে নানাদিশে প্ৰকাশহৈ তেওঁৰেই সৃষ্টিহৈ আছে৷ সেই সৃষ্টিতে তেওঁ নিজেই অনেক জীৱৰূপে জন্ম ধৰি নিজৰ সৃষ্টিতে নিজে বিৰাজিত প্ৰকাশিতহৈ আছে। প্ৰত্যে ভগৱন্তৰ নিজৰ অংগেই অঙ্গৰ ভূষণ সেই মূৰ্ত্তি শোভাবঢ়াবলৈ কোনো সাজ সৰঞ্জামৰ প্ৰয়োজন নাই। ভগৱন্তৰ অঙ্গ প্ৰত্যঙ্গ সকলো শোভাৰ আধাৰ আৰু ভূষণো ভূষণ স্বৰূপ। নিজ স্ব যোগমায়া বলেৰে নিজ ঐশ্বৰ্য্যক নিজে পৰিপূৰ্ণহৈ স্ব সামৰ্থ প্ৰকাশ কৰি নৰলীলাৰ উপযোগী সাজ সামগ্ৰী পৰিধান কৰে। যেনে— ধৰিছা মূৰ্ত্তি প্ৰভু ভগৱন্ত ভকতৰ পদে। গতিকে বিজন আনন্দৰ সাগৰেৰে পৰিপূৰ্ণ। বিজন গোপী ভৰ্ত্তা অৰ্থাৎ বিজন সকলো লোকক পালন কৰ্ত্তা আৰু বিজনে জড়জগতক বা অচেতন প্ৰকৃতিক সচেতন কৰোতা সেই জনকে গোপীভৰ্ত্তা কয়, গতিকে আদি-সৌন্দৰ্য্য-বিলাস আছে, সেই-ৰাসৰো দাসবুলি অশেষে বা অৰূপটি, ভাবেৰে শৰণীয়া হলো বুলি স্বীকাৰ কৰো। এইদৰে শংকৰদেৱৰ ধৰ্ম্ম, জ্ঞান, ভক্তিৰ, পৰিচয় নিজে কীৰ্ত্তনত আৰু মাধৱদেৱে নামঘোষাত লেখে। এনে উদাৰ ভাবৰ সৰল চিন্তা শংকৰদেৱৰ যেন এজন মহাপুৰুষ মহাত্মাৰ অত্যন্ত দৰকাৰ হৈছে যেনে— আৰ্য্যকুলৰ সমাজত ভক্তি প্ৰচাৰ চুম্বকৰ দৰে সমাজ প্ৰান্তি দাগে আছি যায় এনে কঠোৰ শাসন নাছিল।, কাৰোঁ ঠাইৰ পৰা অন্যৰ যাত্ৰা উপায় পাবলে আৰো গণসংঘৰ দেখিব পৰা গৈছে। যেতিয়া বৈকুণ্ঠৰ পাট আকুতৰে পতাক মহন্তক বৃন্দাৱন যাই তেতিয়া চাকৰী বুঢ়ীলৈ ধানমেলা ঠাইৰ পৰা হাতত বাটনিৰ আহি, যত কামতক দূৰ দিব লাগে তক দেখুৱাই দিয়াত শংকৰদেৱে

বুঢ়ীক নৰে প্ৰলাপটো বুঢ়ীৰ কথামতে কমতক বুকজোপা পটত আঁকি তুলি দিলে। যেনে—

সাতো বৈকুণ্ঠৰ সাত সিঁথিয়া ঈশ্বৰ। থানে থানে সিঁথিলত চৌদি সকলৰ॥ কৈতে যিবা লাগেমানে সমস্তকে তুলি দিল। একভিত সাতো বৈকুণ্ঠৰ মলবিলা॥ কমতক দিশাক যেনেকৈ নৱা-নন্ত। অবাক স্বৰূপে চুৱোকন বহিলন্ত॥ কৈতদিবে লাগয় তাহাক পজানয়। সেহি স্থানত বুঢ়ীচাকৰী থোলয়॥ চোতালত থানমেলি বুঢ়ীজিয়া আছে। হাতত মাৰ্জনী লৈয়া তৈকে গৈলা পাছে॥ দেখে ভেকাপিৰি কমতক চিয়া নাই। হাতত বাঢ়নী লৈয়া বুলিলেক তাই॥ ঐতলাগে ভেকাপিৰী সিতাবুক বৰ। অনুহাত কৰিতেবে সাত্তিলা শুৰ॥ আসিয়া এঠাক আই বৰকৈলি কাম। এইহেন উপকাৰ আক কৈত পাম॥ বুঢ়ীৰ বচনে কমতক বুকমিলা। বাম বাম শুক মানি বিস্ময় মানিলা॥ সবে বোলে বুঢ়ীটো কথা পাসি কৈত। বৈকুণ্ঠৰ লোকতই হয়ে আছাএত

যিকেইখন বৈকুণ্ঠৰ চিত্ৰ আঁকি দেখুৱাইছিল, সেই বৈকুণ্ঠৰ লোকসকলে কেনেকুৱা কেনেকৈ বাস কৰি থাকে, কি আনন্দত থাকে কেনে আলোচনাত থাকে কি কাম কৰিলে কেনে ভক্তি আচৰণ কৰিলে সেই বৈকুণ্ঠপাই, সেই বৈকুণ্ঠৰ ঈশ্বৰ নগত জোৰবিব মানুহৰ কি দুঃখ বা কি সুখ থাকে আকৌ কি দুষ্ট বা কোন কৰ্ম সেই বিলি ঠাই পাবলৈ পাৰি আকৌ কি দুষ্ট বা কি কৰ্মৰ বাবেই তাঁলৈ যাব নোৱাৰি অধোগতি হয় তাক শঙ্কৰদেৱে নিজেই বুজবাৰলৈহে বুজাই দিলে। নিজে যযবাবুৰ বুজবাৰলৈহে কেনেকৈ উকুৰ কেনেকৈ বৈকুণ্ঠৰ বাসী লোক, সেই বৈকুণ্ঠৰ গিৰিপতি তাৰ সেইবা লোকসকলৰ মাজপাৰ নিজাই সমাজৰ মাজত দিয় কৰিছি

কোন বাজানাৰে কি শব্দৰে নাম গুণ কীৰ্ত্তন কেনেকৈ কাৰ্, তাক নিজে দেখুৱাই দিয়ে। ইয়ৰ বাজেও আন আন ঐশ্বৰিক শক্তিৰ ঐশ্বৰিকগুণ অনেক দেখুৱালে। যেনেকৈ দ্বাপৰত শ্ৰীকৃষ্ণই ১৬ শ গোপীত ষোড়শ কৃষ্ণ হৈছিল, তেনেকৈ শঙ্কৰদেৱক সেই চিত্ৰযাত্ৰা ভাৱনাত লোকসকলে দেখিছিল।

নতুবা সবক এবি সবে তাক চাই। নাচে কাচে শঙ্কৰৰ সমকেহ নাই॥ আপোনাৰ বৈকুণ্ঠৰ ভূবনে আছাবস্ত্ৰি। সবাৰো শৰীৰে জলে যেন সূৰ্য্যশশী॥ গুজাহেন বুলি বৈকুণ্ঠক চাহিলন্ত। শঙ্কৰ সদৃশ এক পুৰুষ আছন্ত॥ পুনৰপি গায়ন মেলক লাগি চাইল। তহিতো শঙ্কৰ আছে দৰশণ পাইল॥ দেখা দেখা গুৰু শঙ্কৰৰ কেন্ কাই। সূত্ৰবুলি আছে ঐত নাই গিতো ঠাই॥ তহিতো শঙ্কৰ দেখে অহিতো শঙ্কৰ। উঠিলন্ত তেখনে যতেক শিষ্যৰ॥ দেখন্ত শঙ্কৰ গায়নৰ মাজে নাই। পটবৈকুণ্ঠৰ মাজে দেখিলা তুনাই॥

এই অদ্ভুত মহিমা দেখাৰ বাবে যদিও কায়স্থ শঙ্কৰলৈ ব্ৰাহ্মণৰ সকলৰ শত্ৰুভাব আছিল বা চবিৰ শত্ৰু যদিও হিৰণ্যাক্ষ অথবা চোৰৰ শত্ৰু যদিও শুক্লপক্ষ হয় তথাপি মহিমাৰ গুণত ব্ৰাহ্মণদেৱ সকল শঙ্কৰ শৰণীয়া হবলৈ কাতুৰ্ব্বাদ কৰি ব্ৰাহ্মণসকলে নিজক নিজে ধিক্কাৰ কৰি অষ্টাঙ্গত দি পৰিলে।

বিপ্ৰ সবে বোলে আমি কিনো দুৰাচাৰ। পাপী আমি শঙ্কৰক কৰো তিৰস্কাৰ॥ মনুষ্য জনৰ নোহে ইয়ত শকতি। শঙ্কৰ ঈশ্বৰ হেন জানিলো সম্প্ৰতি॥ আজিধৰি শঙ্কৰক বাদ নেদেখিবো। ইহান্ত চৰণে আমি শৰণে পশিবো। নিচিনো তোমাক আমি পাতকী সমুলী। আজিসে জানিলো তুমি জগন্নাথ বুলি॥ তথাপিতো পণ্ডিতগণ দুগুনাহা মনে। বৈকুণ্ঠক দেখাইকাক পাৰে কোন জনে

ইকি, মহন্তৰ কৰ্ম জানা সংহৰ্সাৰ। ঈশ্বৰ ৰূপ কোনে দেখাইবেক আৰ ॥ ৰামৰাম গুৰু চতুৰ্ভুজ নৰোত্তম। আন বিপ্ৰ সব যত আছয় উত্তম ॥ সবে হুয়ে বোলে আমি পশিবো শৰণ, শঙ্কৰদেৱক মাতি লক্ষ তেতিক্ষণ ॥ বোলন্ত আমাক তুমি শৰণ কৰাৱো। গুৰু, দেৱ, নাম, ভক্ত আমাক দেখাৱো ॥ গুৰু চৰিত্ৰ ১৪৫৫

এসময়ত জগদীশ মিশ্ৰ নামে এজন ব্ৰাহ্মণে শ্ৰীক্ষেত্ৰত জগন্নাথৰ আগত ভাগৱত পঢ়ি শুনাওঁতে, জগন্নাথে সপোনত দেখা দি ক'লে যে, মই জড় জগন্নাথ; মোক ভাগৱত শুনালে কি হব, পূবদিশে অসম ৰাজ্যত বৰদোৱা নামে ঠাইত শঙ্কৰ নামে এজন শূদ্ৰ কুলত চৈতন্য জগন্নাথ অৱতাৰ হৈছে, এই ভাগৱত ধৰ্মকে প্ৰচাৰ কৰিব তুমি এই ভাগৱত শাস্ত্ৰখনি তেওঁক পঢ়ি শুনোৱাগৈ। যেনে— ত্ৰিহুত দেশৰ, এক বিপ্ৰবৰ, ভাগৱত গ্ৰন্থ লৈলা; জগন্নাথৰ আগে পঢ়িবাক ৰঙ্গে ক্ষেত্ৰক লাগি আসিলা ॥ জগন্নাথে তাক, স্বপ্নত বুলিলা শুনিয়োক বিপ্ৰবৰ; উদয় ৰাজ্যত বৰদোৱা গ্ৰামে আছন্ত শঙ্কৰ বৰ। তান আগে গৈয়া, পঢ়িয়োক ইটো, মহাগ্ৰন্থ ভাগৱত তাহান আমাৰ, নাহিকে অন্তৰ, কৈলো ইটো সাৰতত্ত্ব। চেতন লভিয়া, মনত গুণিয়া, দেখিয়া স্বপ্ন বিশেষ; উদয় ৰাজ্যক যাইবে জগন্নাথে, কৰিলা মোক আদেশ। অনুক্ৰমে মনে, দেশক এৰায়া, যাইয়া পাইলা অসমৰ; চৈধ্যনি বন্ধ, বৰদোৱা গ্ৰামে, পাইলা গুচৰ শঙ্কৰ। আমি তিৰোতীয়া, ব্ৰাহ্মণ জানিয়া, পঢ়িলোহোঁ ভাগৱত; জগদীশ মিশ্ৰ, নামদিলা গুৰু, আনন্দ কৰি মনত জগন্নাথ আগে, ইটো ভাগৱত, পঢ়িবাক ৰঙ্গে গৈলো; স্বপ্নে জগন্নাথে দেখাদিলা মোক, স্বৰূপ ভৰি দেখিলো। মোক আজ্ঞা কৰি পুত জগন্নাথে শুনিয়োক দ্বিজবৰ; বৰদোৱা গ্ৰামে, আছয় শঙ্কৰ যায়োক

তৈতে সত্বৰ। শঙ্কৰৰ মোৰ নাহিকে অন্তৰ, তৈতে পঢ়াও ভাগৱত
হেন শুনি মই, আনন্দে নছিলো, আজ্ঞা কৰি শিৰোগত॥

ইয়াৰ পাছত শঙ্কৰদেৱৰ বচন যেনে——

শঙ্কৰ বদতি শুনা বিপ্ৰ মহাশয়, জগন্নাথে মোক দয়া সম্পূৰ্ণ আছয়। কৃপাকৰি তোমাক পঠাইলা মোৰ পাশ। তুমি হেন বিপ্ৰক লভিলো ভাগ্য বশে॥ কালি আৰম্ভিবা মহাগ্ৰন্থ ভাগৱত গীত পদ কৰি আমি আছোহো পূৰ্বত। ভাঙোকৰি অৰ্থ কিন্ত বিলক্ষণ হয়। শুনিবাক মোৰ মহা আনন্দ আছয়॥ জগন্নাথ আজ্ঞা শিৰে কৰি শিৰোগত। পঢ়িলা হৰিষে দ্বাদশস্কন্ধ ভাগৱত॥ দৈৱকী নন্দন শঙ্কৰক মিত্ৰ মানি। পঠাইলা বিপ্ৰক শুনিলাচা সৱে প্ৰাণী

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কোনো সম্প্ৰদায়ৰ লগত লগলাগি অথবা কোনো বৈষ্ণৱাচাৰ্যৰ লগত মত ধৰি অসমত ভাগৱতী সনাতন ধৰ্ম প্ৰকাশ কৰিছিলে আজ্ঞা পোৱা কোনো চৰিত্ৰ পুথিত বা কোনো প্ৰাচীন গ্ৰন্থত কিম্বা কোনো বুৰঞ্জী আদি বা কোনো বেদ শাস্ত্ৰত শ্ৰুতি স্মৃতি আদিতো পোৱা নেযায়। কিন্তু শঙ্কৰ দেৱেহে সকলো জগতত ধৰ্ম প্ৰকাশ কৰা প্ৰমাণ পোৱা যায়। ইয়াৰ আগতে হৰি ভক্তি ও শৰণ ধৰ্ম কি তাঁক কোনো দেশত কোনো মানুহে নেজানিছিল। ন ঘোষাৰ ৪১১ পদত চাওক।

পূৰ্বত কৃষ্ণৰ প্ৰেম, [illegible] ভকতি পথ, লাগিলেক একোৱে দেশত।
শঙ্কৰ [illegible] আসি, [illegible] চৰি, তাৰিলন্ত সমস্ত [illegible]॥

[illegible] লোক ধৰ্ম [illegible] নিজ পিতৃ মাতৃ গুৰু আৰু শৰণ ভজন ভক্তি ক্ৰমে প্ৰকাশ কৰি জগতত বিলাই দিলে, তাক [illegible] [illegible]নে তাঁকে ধৰ্ম কাৰণ [illegible]। সেই [illegible] সমস্ত [illegible] অৰ্থাৎ তাৰ পিতৃ মাতৃ গুৰু গোসাঁই ও পুৰোহিত আদি মৃত্যু হলে

১০।২০।৩০ বা তিনি পুৰুষলৈকে প্ৰেত হৈ নৰকভোগবি থাকে, অপমৃত্যু অশৰীৰী অতৃপ্ত আত্মাৰ ভাৰাক্ৰান্ত বধা বায়ুৰ দূৰৰ গন্ধাৰ গচকি ঘূৰা বায়ুৰ এটা আনি প্ৰেতৰ পূজা কৰি নৰকৰ পৰা উদ্ধাৰি তোলা থাকৰ সমস্ত ভেটিয়া সেই বৰ্ণনাৰ লোকসকলে বিচাৰ কৰিব পাৰে যে বেদৰ অভিপ্ৰায় গূঢ়তত্ত্ব কি ? ভাগৱতী সনাতন ধৰ্ম কাক বোলে ? মনুষ্য মনুষ্যই বা কি ? আৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক জগদ্গুৰু বোলাৰ পৰমাৰ্থিক অৰ্থ কি ? এই বিষয় একাধাৰ চমু বাতৰি বৰগীতৰ পদ দিয়া বাতৰ আৰু আগতো কৰত দি অহা হৈছে ।

যে মন লেবাহু হৰি কহ চৰণা, নিকটে দেখহ নিজমৰণা ।

দেখত হৰি কহো, অবশ শৰণ নিলে, নাহি নাহি ভৱ ভয় তৰণা ॥ এং চাৰি বেদ কত, পুৰাণ ভাৰত, গীতা ভাগৱত চাই । তহি সাৰ কৰ, বিচাৰ ভাৰত, হৰি বিনে ভাবনা নাই ॥ সনক সনাতন শুক মুনি নাৰদ, চতুৰ বদন শূলপাণী । সহস্ৰ বদন আদি, গায়ত হৰি গুণ, সকল নিগম ছন্দ বাণী ॥ কৃষ্ণ নাম বল, পাপ ঘুচিয়া যাব, পাৰত তুৰুত নিশেষ । সকল যুকতি মতি, কহয় ব্যাস ঋষি, শঙ্কৰ গুৰু উপদেশ ॥ চাৰি বেদ অষ্টাদশ, পুৰাণ মহাভাৰত শাস্ত্ৰ, পঞ্চম স্কন্ধ ভাগৱত । সনক সনন্দ মুনি, যোগ জ্ঞান ক্ৰিয়া উপাধিনা তাৰ সাৰ তত্ত্ব ॥ আগম পুৰাণ কত, বেদান্ত আগমাদি, জানি কৰা ভকতি সাৰ ॥ শ্ৰৱণ কীৰ্ত্তন বিনা, আন কোনো উপায় নাহি, ইটো ঘোৰ সংসাৰ পাৰ ॥

তৃতীয়া দীৰ্ঘ প্ৰতি মহাকবি শঙ্কৰদেৱ পৰম কৃপালু উদ্ধাৰে ঈশ্বৰৰ কোটি জীৱৰ মনত সদায় ঘূৰণৰ পদা উদ্ধাৰ . কীৰ্ত্তন সকলো বেদ শাস্ত্ৰ-গীতা-ভাগৱতাদিৰ সকলোৰে তাৎপৰ্য্যৰ সাৰ এক

শঙ্কৰ সংগ্ৰহ হৰিৰ গুণনাম শ্ৰৱণকীৰ্ত্তনকে কলিকালৰ। উপযুক্ত ধৰ্ম বুলি লোকোৱালী সুযোগত সুবিধা কৰি অসুপৰ মুকলি কৰি সকলো জগতকে দেখুৱালে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱে।

'বস্তুতঃ—তেতিয়া শাস্ত্ৰীয় স্মৃতি বাক্য উলঙ্ঘনতয় শিষ্ট সমাজ ও বড় প্ৰবল থকাত আৰু বঙ্গদেশক অ দি কেইখনমান দেশত তেতিয়া পৰম বেদান্ত ভাগৱত চৰ্চাৰ তিমান খ্যাতি নথকাত অসমৰ পণ্ডিত সমাজে বিশেষকৈ পণ্ডিত্ব লাভৰ নিমিত্তে, কাশী মিথিলাদি পশ্চিম দেশক যোৱাহে প্ৰাচীন গ্ৰন্থত দেখা যায়।

অঙ্গ বঙ্গ কলিঙ্গ সৌৰাষ্ট্ৰ মগধেষু। তীৰ্থ যাত্ৰাং বিনা গত্বা পুনঃ সংস্কাৰ মৰ্হতী॥ বিত্ৰকাৰিকা। সিন্ধু সৌবীৰ সৌৰাষ্ট্ৰংতথা। প্ৰত্যন্তবাসিনঃ। অঙ্গ বঙ্গ কালীঙ্গ্যাংগত্বা সংস্কাৰ মৰ্হতী॥ মিঃদেঃবাঃ

ইত্যাদি শাস্ত্ৰীয় বচন উলঙ্ঘণ কৰি তীৰ্থযাত্ৰা ভিন্ন আন কাৰ্য্যোপলক্ষে বঙ্গদেশলৈ যোৱা নিষিদ্ধ আছিল। বঙ্গীয় বৈষ্ণৱ চৰিত্ৰ গ্ৰন্থত চৈতন্যদেৱৰ শঙ্কৰ নামক দুজন ভক্তৰ নাম উল্লেখ আছে। এজন ব্ৰাহ্মণ দামোদৰ পণ্ডিতৰ ভাই নবদ্বীপবাসী ও সন্ন্যাস আশ্ৰয়ী (চৈঃ চঃ মধ্যঃ ১০ পৰিঃ ৪৭ শ্লোক ১১ পৰিঃ ৪৮ শ্লোক, ১২ পৰিঃ ৮৬ শ্লোক, ১৫ পঃ ৭১।৭২ শ্লোক। অপৰ জনৰ জাতি আদি নেথাকিলেও এওঁ কুলিনগ্ৰামবাসী আচাৰ্য্যৰ ভাব লোপোৱা খুটিয়া ভকত (চৈঃ চঃ আঃ ১০ পঃ ৬৮।৭০ শ্লোক এওঁলোক চৈতন্য দেৱৰ লগত শ্ৰীক্ষেত্ৰত আছিল। (চৈঃ চঃ আঃ ১০ পঃ ৯৮ শ্লোক) বিশেষতঃ শেষ ১৮ বছৰ তেওঁৰ লগত লগ লাগি নিত্যে আছিল। (চৈঃ চঃ মধ্যঃ ১পঃ ১৯২-১৯৫ শ্লোক) অসমৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গৃহি আছিল এওঁ বঙ্গদেশত বা অন্য কোনো দেশত সন্ন্যাসীৰ বেশধৰি শিৰত জটাৰ ভাৱলৈ লম্ব

লম্ ডাঁটি বঢ়াই গাত ভস্মসানি গেৰুৱা বস্ত্ৰপিন্ধি হাতত ত্ৰিশূল চিম্‌টা ও ভাঙৰ চিলিমলৈ বাসকৰা নাছিল। তেওঁৰ উপৰি পুৰুষআদি অসম বাসী। যি ওঠৰ বছৰ বঙ্গদেশী শঙ্কৰ নামক ভক্ত দুজনে শ্ৰীকৃষ্ণ চৈতন্যদেৱৰ লগত আছিল; সেই সময়ত অসমৰ অৱতাৰী মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ ৬৬ বছৰৰ-পৰা ৮৪ বছৰ বয়স (খৃঃ ১৫১৫—১৫৩৩)। এই বয়সত শঙ্কৰদেৱে পূৰ্ণ শক্তি প্ৰকাশ কৰি অনেক জন সাত্ত্বিক ভক্তসহ প্ৰবল ইচ্ছাৰে গহীন গম্ভীৰ স্বৰে অসমত ভাগৱতী সনাতন ধৰ্মৰ সোঁত বোৱাই অনেক লীলা কৰা চৰিত্ৰ পুথিত বুৰঞ্জী আদি আৰু ৰামচৰণৰ ঠাকুৰ'ক আদি কৰি অনেক জনৰ ৰচিত বংশাৱলিত প্ৰমাণ পোৱা গৈছে। এতেকে অসমত ভাগৱত সনাতন ধৰ্ম প্ৰচাৰক শঙ্কৰদেৱ আৰু শ্ৰীচৈতন্যৰ লগত থকা ভক্ত শঙ্কৰ ইদুইজন। বিচ্ছিন্ন এক্কেজন কেতিয়াও হব নোৱাৰে ই নিশ্চিত কথা অনিবাৰ্য্য

এই বিলাক প্ৰমাণৰ দ্বাৰা বিশেষকৈ জানিব পৰা গলৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰকাশিত ভাগৱত সনাতন ধৰ্মই সকলোধৰ্মৰ মূলধৰ্ম অন্যধৰ্ম যত আছে ইয়াৰ ডাল, পত্ৰ শাখা ও উপশাখা মাত্ৰ। যি জন পুৰুষক বেদ বেদান্ত গীতা ভাগৱত সংহিতা পুৰাণ ৰামায়ণাদি শাস্ত্ৰবিলাকে বৰ্ণি বৰ্ণি পৰিচয় দিব লাগিছে। যিজন গোটাই জগতৰ গুৰু হৰ্ত্তা, কৰ্ত্তা বিধি বিধান কৰোঁতা পুণ্যসনাতন, যিজন আদি, অনাদি, অজ, নিৰ্গুণ ক্ষ্যে, নিত্য, যিজনৰ সদায় জন্ম জৰা মৃত্যুহিন যিজন শ্ৰীমন্ত সুন্দৰ সৰ্ব্বপ্ৰকাৰ গুণৰ নিধি যিজন সকলোৰে হৃদয়ত আত্মাৰূপে স্থিতি হৈ আছে, যিজন ভূত ভবিষ্যত বৰ্ত্তমান ও অন্তঃ বাহিৰ জানোঁতা সেই জনক অদ্বৈতবাদী বা দ্বৈতবাদীৰ পৰা উপদেশ লোৱা বা এনে

যাদীৰ সগত তুলনা কৰি, নৰকগামীহে অধোগতিৰ ৰাট ধৰিব অৰ্থাৎ কলেই পাব, শতবেই পৰম ব্ৰহ্ম কৃষ্ণ ই সৰ্বজীৱ প্ৰধান সেইহেতু শঙ্কৰদেৱক সাধাৰণ জ্ঞান বা মনুষ্যৰ জ্ঞান কৰা সম্পূৰ্ণ ভুল। কৃষ্ণ দেৱতাৰ, অন্যদেৱতাৰ সব, গোসাঁই বিচৌ মুক্তি তৌবাপি—মধ্য ভুমি, পাপৰ বোজিত পচি, আপুনি হইবেক উৎপত্তি যি সকল লোকে শাস্ত্ৰৰ মৰ্ম বুজি নেপাই কোনো লোকৰ উপদেশ কি শিক্ষা সংশয় হেৰ কৰিব নোৱাৰে যি প্ৰকৃততে কৃষ্ণৰ বা'সা জিনি নেপাই, কোনো জন ভকত মহন্ত বা সজ্জন আদিকো উপাদ্য নকৰে আৰু নিবেদনহে তাপৰক পণ্ডিত নহয়; এনেকিছুমান শৰণ পাৰওই গুৰু ভাবৰে সমাজ তেজ আতিতেজ ভক্তি জানকৰ্মকো ত্যোজ্য কৰি মহাপুৰুষ ভাগৱত সনাতন ধৰ্মত বিধিনি জনায় যি এনে অত্যাত্মৰ কৰি তৰণিৰ বোলাই যোজন মাজত মান ৰক্ষাৰ ভক্তি ধৰ্মৰ উপদেশ দিয়ে তেওঁৰ উপদেশত আপোনতবে আৰু উপদেশী অন্যো নিজ ধৰ্মত অনিত্যহে সংশয় পৰা বঞ্চিত হল। যেনে— কন্যাৰে শাস্ত্ৰ নাম, যেহি আনে তাকে ব্ৰহ্ম হেতিবাক নোৱাৰে সংশয়; গুৰু বোলাই তথাপিতো, বুজিবা লোকৰ কাজে, মাত্ৰ সংস্কাৰ বুজি নাম। আপোনি পণ্ডিত, বুলি মহন্ত লোপাসিলে কদাচিত; তথাপিতো গুৰু বোলাবে কৃষ্ণ, মায়াৰে হৰা লোহিত। নজানে শাস্ত্ৰক, শিক্ষৰ সংশয়, নপাৰে দূৰ কৰিব তাৰ উপদেশে, আনো নহবুৰ, আপোনৰ তেজ বঞ্চিত।

এই মহাপুৰুষীয়া সম্প্ৰদায়ৰ মতেৰ ভক্তিৰ প্ৰধান সাধন হৰিনাম শ্ৰৱণ কীৰ্তনৰ এটাপদ্ধতি আছে, সেই পদ্ধতিৰ মতে মহাপুৰুষ নাম সেৱা নিৰ্দ্ধাৰিত দিন ৰাতিৰ ভিতৰত ১৪ টা প্ৰসঙ্গ চলি আহিছে। এই প্ৰসঙ্গৰ যি ভক্তিৰ কৰ্ম আচৰণ উৎসৱ উঠি

তাৰ প্ৰসাৰ যেন সকলোৱে লব পাৰে, আৰু মুখে মুখে চলি অহা এই পদ্ধতি কাল ক্ৰমে যুগ যুগান্তৰলৈকো, পুৰুষানুক্ৰমে লোপ বা হ্ৰাস নহয় তাৰ নিমিত্তে যেন মহাপুৰুষীয়া ধৰ্মৰ সাধু সন্ত মহন্ত ভকত সকলে সাৱধানতাৰে ! তৎপৰ থকা উচিত । কিয়নো ?- অসম ভূমি পূণ্য ভূমি শ্ৰীমন্ত শঙ্কৰদেৱৰ নিচিনা অৱতাৰ পুৰুষ অসম সংস্কাৰক ভক্তি, ধৰ্ম সংস্কাৰক অস্পৃশ্যতা বৰ্জন, অহিংসা নিৰুপদ্ৰৱ, সাম্যবাদ আৰু সৎ নীতি আদি; যিবিলাক মোক্ষৰ কাৰণ। নিমিত্তে আজিয়ো ভাৰতবাসীকে আদি কৰি গোটাই জগত আগ্ৰহ, চিন্তিত, গৱেষিত আৰু আলোচিত; সেই সকলোবিলাক আজি ৫০০ পাঁচ শ বছৰ হ'ল, অসম বাসীয়ে উপলব্ধি কৰি আহিছে. শঙ্কৰদেৱৰ নিচিনা সংস্কাৰক লভি, এয়ে হৈছে অসম-বাসীৰ প্ৰধান গৌৰৱ । যেহেতুকে শঙ্কৰদেৱে শাস্ত্ৰযোগে কৈছে সকলো প্ৰাণীকে দেখিবেক আত্মাসম । ইয়াতকৈ আৰু শান্তি পূৰ্ণ বাক্য কিবা হব পাৰেনে ? এক বাক্যতে শান্তিৰ সোঁত বোৱাব পৰা উপায় কৰিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে । এইদৰে আলোচনা যিমান দ'কৈ ভাবিচোৱা যায়, সিমানেই জল্ জল্ পট্ পটকৈ দেখা যায় যে শঙ্কৰদেৱ এজন অসাধাৰণ অধীতিৰ মহা পুৰুষ; আৰু তেওঁৱেই পৰম-ব্ৰহ্ম নিত্য-নিৰঞ্জন সত্য-সনাতন পূৰ্ণ-ব্ৰহ্ম হৰি; আৰু অনন্ত গুণ চৰিত্ৰৰ পদ স্তুতি দিয়া হৈছে; এই মহা সাধু, সন্ত মহন্ত সবৰ সমাদৃত; যই অতি মহাপুৰুষৰ ব্যাখ্যাদি • সৰ্বাংগ বিশ্বৰে গোটাই জগততে আত্মাৰূপে বিৰাপী আছে সেই অনন্ত পৰিচয়কৈ, কোন পুৰুষে শেষ কৰিব পাৰে ? যেনে—

ঃ আত অনন্তৰ শুনা সাৱধানে গুৰুৰ চৰিত্ৰ কথা, আন আশা এৰি একচিত্ত কৰি শুনা সবে যথা তথা । ঘোৰ কলি যুগে পাপে

জৰ্জ্জৰিত ভৰিবাৰ হেন নাম; মপাই উপদেশ সমস্তে নিঃশেষ মধুৰ নগৰে ঠাম। পূৰ্ব্বে দেৱগণে মহাতত্ত্ব ভক্তি থৈলাহা গুপুত কৰি আগম পথক কপট ঢাকন তিনিগুণে কৰি জৰি। ব্ৰহ্মা আদি কৰি তিনিয়ো দেৱতা ঈশ্বৰে তিনিমূৰ্ত্তি; পৰম অমূল্য ভক্তি প্ৰচাৰিবে নভৈল কাৰো শকতি। একবাৰ কৃষ্ণ দৈৱকীৰ ঘৰে ভৈলা আসি অৱতাৰ; সবে দৈত্য কুল সংহৰিলা সবে হৰিলা ভূমিৰ ভাৰ পাছে অন্তকালে বৈকুণ্ঠক গৈলা পৃথিবীৰ গুচাই ভাৰ; পুনৰপি লোকে আগৰ পাইলেক ভৈল সবে একাকাৰ। সংসাৰ পথত পৰি জীৱ যত নেৰাই দুখ নিকাৰ। কোনে তাৰিবেক দুখীয়া জীৱক শকতি আছে কাহাৰ; যাৰে যই গুৰু নামক ধৰিয়া লোহো পৈয়া অৱতাৰ। এহি বুলি দেৱ গুপ্ত সনাতন আসিয়া দুহুৰৰ ঘৰে মহা যশস্ত ভক্তি প্ৰচাৰিলা ধৰিয়া মাধ শঙ্কৰ। দেৱতাৰ গৰ্ব্ব কৰিলন্ত চুৰি তাৰিলন্ত জীৱ কুল, কেৱলে ভক্তিৰ আদি দেখাই লন্ত ভকতেসে নিজকুল। হেনয় ভকতক প্ৰীতিকৰি আগে পাচত দ্ৰোহ আচৰে, যদি চাৰি মুখে নামক উচ্চাৰে নপাই গতি সিতো নৰে। জানিয়া ভকত কৰি একপ্ৰীতি গুৰু পাৱে কৰা ৰতি, ৰোক পদ আদি যিবা বেদবিজ্ঞা শঙ্কৰেসে দাতা গতি। হেনয় শঙ্কৰ আৰকৰি থৈয়া নৰে যিতো গুৰু ভাৱ; সিতো কৃষ্ণ বুদ্ধি আপোনাকো সিতো চিন্তিলেক মহামাৰ। শঙ্কৰ গুৰু দেখাইলে তাহাৰ কিবন্ত হানি হোৱে, যেন ক্ষুদ্ৰ মৃগে অগাধ সাগৰে তৰিবাক মনে চাৱে॥ মাধৱে পুছন্ত, পুনৰপি পাছে, মনত ধৰিয়া তাপ। কোন অৱতাৰ, বুলিয়া তোমাক কহিছোক মোক বাপ শঙ্কৰে বোলন্ত, শুনিয়ো মাধৱ, তোমাত কহো নিষ্ঠ। সত্ত্ব অৱতাৰ জানিবা সবাকো, পাষণ্ডৰ দৰ্পনিষ্ঠ, ॥ আত অনন্তৰে, মাধৱে বোলন্ত

তংপাকুক দেখাইছি । ইতো অৱতাৰে, দুষ্টক দমিবে, কোন অন্ত আছা ধৰি ॥ শঙ্কৰে বোলন্ত, শুনিয়ো মাধৱ, অন্তৰ কহিয়ো নিৰ্ণয় অন্ত বুলি কাক, শাস্ত্রে কহে যাক, শুনিয়ো তাক নিশ্চয় ॥ ভাগৱত শাস্ত্র, বখান কৈলা, চাৰিবেদে চাৰি ঘোৰা । বুদ্ধি ভৈলা ধ্বজ, জানে বাপজৰি, কোনে কহি পাৰেওৰা ॥ সাৰথিয়ে গুৰু, ৰথি ভৈলা মন, শৰ ভৈলা ৰাম নাম ; ভক্তি ভৈলা ধনু, গুৰু শিক্ষা ধৰ্ম্ম কাৰোকে যুদ্ধ সংগ্রাম ॥ যেমনে কৃষ্ণৰ একশৰণক, প্ৰচাৰিলো জগন্তত । দেব পুৰাকৰ্ম, শুচাৰা সবাকো, তাৰিবো লোক সমস্ত ॥ মাধৱে বোলন্ত, কৃষ্ণৰ শঙ্কৰ, নামৰ কৈয়ো লক্ষণ । কোনঅৰ্থে কোন, নামক ধৰিছা, শুনিবাক মন ॥ শঙ্কৰে বোলন্ত, কৃষ্ণহেন শব্দ, নিত্য ব্ৰহ্ম সনাতন । শঙ্কৰ স্বৰূপে, গুৰুনাম তাৰ, চিনাই দিয়ো জীৱগণ ॥ এহিসে কাৰণে, কৃষ্ণৰ শঙ্কৰ, অভেদ কৰি জানিবা । আত্ত কৰি সবে যত অৱতাৰ, মহাশ্ৰেষ্ঠ নৰবিবা ॥ তিনিতাপে লোক, ভৈল জৰ্জ্জৰিত, নপাৱন্ত পাৰ কূল । হেনদেখি মই, বেকত ভৈলোহো, জগতৰ আদি মূল ॥ কলিৰ যুগত, কৃষ্ণৰ ভকত, পান যংলোৱা প্ৰাম । প্ৰাণইষ্ট গুৰু, ভৈলন্ত বেকত, ধৰিয়া নাম শঙ্কৰ ॥ পৰম অমৃত, ভক্তি প্ৰচাৰিলা, যেন ৰাৰিষাৰ জল । যাক পান কৰি, মহাজন্ত জাতি, হোৱন্ত অতি শীতল ॥ পৰম কৃপালু, তত্ত্ব মহিমা, কোনে কহিবেক অন্ত । কোটি ব্ৰহ্মাহৰ, আদিদেব গণ অনন্তোঅন্ত নপাৱ ॥ হেন প্ৰানবন্ধু, গুৰু ইষ্টদেৱ, প্ৰনামো তোমাৰ পাঁৱে । তুমি অনাথৰ দয়াশীল স্বামী, করুণা কৰা কৃপায়ে ॥ দাবানল তুল্য, তাপে জৰ্জ্জৰিত, নপাৱন্ত পাৰ কূল । মন দশেন্দ্রিয়, হৈয়া একসাথ, ঘুৰায়ে যেন বাতুল । যাহাৰ আজ্ঞাক, ধৰিয়া কৰোহো, ধৰ্ম্মে আয়ু যায় বহি । যেন মাহুৰেলে, আকাশত যেন

পানিক্তাকা নথাকে বহি ॥ শুনা সভাসদ, হৰি কথা চৰ্চ্চ ত্যজিয়া বিষয় ধান্দা । কৰ্ণাক পৰম, নৰ তনু কাই, নাৰক পাদত বান্ধা দেহ পাছে পাব, ইতো ভাৰতত, মনুষ্য হইবাক লাগি দেৱ উতপাই, নাৰক শৰীৰ, বিফলে যবে অভাগি ভাৰ্য্যা-পুত্ৰ ধন সমে অকাৰণ, জানি কৃষ্ণ পাৰে । মৰিলে অৱশ্যে জাইবা যম ঘৰ, সগন্ত কেহ নযাবে, ॥ জানি সাধুজন, কৰি একমন ধৰিয়া সত্বৰ বত্ন ৰ । ভগৱন্ত গীতি কৰা এক চিত্তি, এৰিয়া দুৰন্তভাৱ নামে নমো কৃষ্ণ, স্বৰূপ ময়, চৰণে শৰণ দিয়ো । তোমাৰ একান্ত ভৃত্যৰ সঙ্গত, মোক ভৃত্য কৰি থৈয়ো ॥ বিষয় বিৰত, হৈলো অচেতন, নপাওঁ মই পাৰ কুল । আৰে অনাথক কৰিয়া উদ্ধাৰ দয়াতুমি অনুকুল ॥ মুখে নাৰায়ণ, ভকতৰ সঙ্গ, দিয়ো মোক নাৰায়ণ । মাধৱ শুভমতি, পৰম দুৰ্গতি, কৃষ্ণ ৰাম চৰণ ॥ সাৰ পৰি হৰি চিন্তা ভজ হৰি একতক কৰি প্ৰীতি । হৈৱাহা নিৰ্মল পাইবা মহামূল অন্তকালে সদগতি ॥ সৰ্ব্বভাৱ তেজি গুৰু পাৱ ভজি হৰিকথা কৰা সাৰ ॥ ভজি নাৰায়ণ সব সজ্জন মুক্তি হইবা মনে আৰ ॥ জন্মেজন্মে মোৰ শঙ্কৰে গুৰু মুখে লৈয়া'মোক নাম । ভক্তে প্ৰীতিৰৰ মাগো পীতাম্বৰ ডাকিবোলো ৰাম ৰাম ॥

শঙ্কৰদেৱক মহাপুৰুষ বোলা কিঞ্চিৎ পৰিচয়

ঈশ্বৰ সৰ্ব্বব্যাপী, সৰ্ব্বত্ৰবিৰাজিত আৰু সৰ্ব্বত্ৰ প্ৰকাশিত । কিন্তু তেওঁক সেৱা-পূজা বা উপাসনা কৰিবলৈ গলে, যেনেকৈ সেই

মুহূৰ্ত্তত নিমিষতে সৰ্ব্বব্যাপকৰ বা সৰ্ব্বাত্মাকৈ লব লাগিব; অথবা তেওঁৰ উপাসক ভকতৰ কথা বা প্ৰচাৰ কৰাই গলে যেনেকৈ কব লাগিব, ঈশ্বৰে তেওঁৰ ভকতক অনুকম্পা দয়া কৰি স্বকীয়া মূৰ্ত্তি পৰিগ্ৰহ কৰে যেনে—পৰিভা মূৰ্ত্তি পদ ভগৱন্ত ভকতৰ পদে ॥

যেইদৰে কোনো এক দেশৰ লোকশক্তি প্ৰকাশিতহৈ কাৰ্য্য কৰি চলৈলে হলে সেই শক্তি সংহতহৈ সি মূৰ্ত্তি পৰিগ্ৰহ কৰিব লাগিব শক্তি সংহতহৈ পুঞ্জীভূত নহলে সি কাৰ্য্য কৰিবলৈ নহয় আৰু সি কোনো কামত নেলাগে। বিদ্যুৎ শক্তি আকাশত বা যেয়ত ব্যাপি আছে, কিন্তু যেতিয়ালৈকে সেই শক্তি সংহতহৈ পুঞ্জীভূত নহয়, তেতিয়ালৈকে তাৰ প্ৰকাশ নাই কোনো কাৰ্য্য কৰিবতাও নাই ॥ কিন্তু সি যেতিয়া পোটপাই লগলাগে, তেতিয়া উজ্জ্বল আৰু দীপ্তমানকৈ আত্মা প্ৰকাশ কৰি পৃথিৱীৰ গছ পৰ্ব্বত আদিত পৰি সেইবোৰ ভাঙ্গিচিঙ্গি চূৰ্ণ বিচূৰ্ণ কৰি পেলাই। অগ্নি সকলো ঠাইতে ব্যাপী আছে, কিন্তু যেতিয়া বায়ুৰ বেগত পৰ্ব্বতত থকা কাঠে কাঠে ঘৰিষণ হয় তেতিয়া তাৰ পৰা অগ্নিৰ আত্মা প্ৰকাশহৈ সেই পৰ্ব্বতৰ কাঠবাহ সহ দুৰ্গম অৰণ্য বিলাকো পুৰি দহি ছাই কৰি ভস্মিভূত কৰে। পানী সকলো ঠাইতে বাষ্পৰূপে ব্যাপী আছে। কিন্তু সেই পানী সংহতহৈ একঠাইত সঞ্চিত নহলে প্ৰকৃততে সি তোমাৰ পিয়াহ গুচাব নোৱাৰে। সেইদেখি গীতাত ভগৱন্ত শ্ৰীকৃষ্ণে অৰ্জ্জুনক কূৰ্ম্মৰ উদাহৰণ দি কৈছে যে কাছই যেনেকৈ অঙ্গপ্ৰত্যঙ্গ নিজৰ শৰীৰতে সংহৰণ কৰে, সেইদৰে ইন্দ্ৰিয়বোৰক অপকৰ্ম্ম বিষয়ৰ পৰা সংহৰণ কৰি নিজৰ শৰীৰতে স্থিৰকৈ ৰাখিব লাগে, তেতিয়াহে পুৰুষে প্ৰকৃত স্বাধীনতা লাভ কৰিব পাৰিব। হিন্দুৱে শক্তি মূৰ্ত্তি গঢ়ি শক্তিক বিকাশিত

কৰিবলৈ পূজাকৰাৰ শুদ্ধ ধৰ্ম্ম ও ভবিতে সেইয়েহে আছিল। অসমবো এই ব্যাপ্ত শক্তি জ্ঞান কৰ্ম্ম আৰু ভক্তি ধৰ্ম্মৰ সংহত পুঞ্জীভূত হৈ বিকাশ ঋদোৱাত কুসুমৰ শুভ্ৰ ৰ পুত্ৰ শঙ্কৰদেৱৰ মূৰ্ত্তিত সংঘটিত হৈ পৰিছিল।

আমি সকলোৱে পুৰুষ আমাৰ হৃদয়ত আত্মা শৰণ কৰি আছে, ঈশ্বৰৰ শক্তি সাধাৰণ বা কম বেচি বিকাশ নিশ্চয় আমাত হৈছে। তথাপি আমি মহাপুৰুষ নহও, মহাপুৰুষৰ কেইটামান লক্ষণ আছে মহাপুৰুষত ঈশ্বৰৰ শক্তিৰ বিকাশ বেছিকৈ পায়।

যেনে—ত্ৰিগম্ভীৰং পঞ্চদীৰ্ঘং সপ্তৰক্তং ষডুন্নতং।
যঃ স্মৰেৎ তস্য সৰ্ব্বত্ৰ মঙ্গলং ॥

ঈশ্বৰ কৃষ্ণৰ, শুনিয়োক মহা, পুৰুষ লক্ষণ সাৰ, ত্ৰিগম্ভীৰ সপ্ত, ৰক্ত পঞ্চদীৰ্ঘ, উন্নত ছয়প্ৰকাৰ, গমন গম্ভীৰ, বচন গম্ভীৰ, গম্ভীৰ নাভি কমল। এই ত্ৰিগম্ভীৰ, স্মৰণে কৃষ্ণৰ, মিলয় মহামঙ্গল॥ অৰুণ নয়ন, অধৰ দশন, অৰুণ কৰ চৰণ। নখ ৰেখা ছয়, অৰুণ কৃষ্ণৰ, স্মৰণে দুখ ভগণ॥ সুদীৰ্ঘ নয়ন, গ্ৰীবা বাহু পদ, আৰৰ আঙুলী ছয়। এহি পঞ্চ দীৰ্ঘ, স্মৰণে কৃষ্ণৰ, মিলে মহামহোদয়
কক্ষউন্নত ভ্ৰুবনাসা পদ, উন্নত নখ হৃদয়।
এহি ছয় স্থান, উন্নত কৃষ্ণৰ, স্মৰণে মোক্ষ মিলয়॥

সেই শক্তিকে ভগৱন্তৰ তেজ যাৰ অন্তৰ আত্মাৎ সৰহ পৰিমাণে অৱতীৰ্ণ হয়; তেওঁৱেই মহাপুৰুষ, তেওঁকেই অৱতাৰ বোলে। কোনো সমাজৰ বা জাতিৰ ব্যাপ্ত তেজ, শক্তি অৰ্থাৎ সেই সমাজে বা জাতিৰ ভিতৰত প্ৰসাৰিত আৰু ব্যাপ্ত ঈশ্বৰৰ তেজ শক্তি সংহত হৈ যেতিয়া বিজনৰ ভিতৰেদি প্ৰকাশিত হয়, তেতিয়া সেই জনকে মহাপুৰুষ বোলে। সেই জাতিৰ বা সমাজৰ

অথবা ঈশ্বৰ সেই কেৱা তেজৰ কম বেচি হিচাপ অনুসাৰে, সেই জনক ডাঙৰ বা সৰু অৱতাৰ বোলে। এইবাবে ঈশ্বৰ কোনো অংশক পূৰ্ণ অৱতাৰ, কিছু সংখ্যাক কলা বা নিজ অংশ অথবা ভগ্নাংশ বোলে। এই অৱতাৰ অসংখ্যাত; কাৰণ? ঈশ্বৰে অসংখ্য অৱতাৰ ধৰিবই লাগিব। কিয়নো? সেইতো তেওঁৰ সৃষ্টিৰ প্ৰয়োজন সেইতো তেওঁৰ লীলা আৰু ধৰ্ম সংস্থাপনৰ নিমিত্তে আৱশ্যকীয় কাৰ্য্য। সু ক্ষেত্ৰত বীজ পৰিলে যেনেকৈ সি অঙ্কুৰিত ও বৰ্দ্ধিত হৈ ফলবানকৈ সকলোৰে মঙ্গল বিধায়ক হয়। সেইদৰে কুক্ষেত্ৰত তেনেকৈ তাৰ বিপৰিত অৱস্থা ঘটে। বিশেষ সু ক্ষেত্ৰতহে ভগৱন্তৰ তেজবীৰ্য্যৰ পৰিস্ফুট ঘটে। যি সকল সাধু পুৰুষত তেনেকৈ ভগৱন্তৰ শক্তিৰ বিশেষ বিকাশ দেখা যায় সেই সকলৰ হৃদয় সাৰুৱা সুনিৰ্ম্মল তাৰ কোনো ভুল নাই। নতুবা সেই ঐশ্বৰীক বীৰ্য্যৰ বিশেষ পৰিস্ফুটতা কেতিয়াও নহলহেঁতেন। যদি জীৱনৰ আগডোখৰত কাৰো অন্তৰ হৃদয়ত কলুষিত থাকে, পিচত কেনেবাকৈ কোনো সাধুৰ সম্পৰ্কত সেই হৃদয়ৰ কলুষ দুৰীভূত হৈ সি বিশেষ ভাৱে সু নিৰ্ম্মল হৈ উজ্জ্বল প্ৰাপ্তহলে তাতোতেতিয়া ঈশ্বৰ সত্বাৰ অৱতীৰ্ণ নোহোৱাকৈ নেথাকে। দস্যু ৰত্নাকৰৰ আত্মা নাৰদৰ সম্পৰ্কত উপদেশত সুনিৰ্ম্মল হৈ তাতো ভগৱন্তৰ তেজ অৱতীৰ্ণ হৈ তেওঁ বাল্মীকী ঋষি হোৱাই এই কথাৰ এটি উদাহৰণ স্বৰূপ। চলৰ আত্মাত ভগৱন্তৰ তেজ অৱতীৰ্ণ হৈ চলক পলক্-কৰাও বাইবেলত লিখা আছে। শঙ্কৰদেৱৰ অৱতাৰ হোৱাৰ আগেয়ো বহুত লোক জন্ম হৈছিল, শঙ্কৰদেৱৰ বৰ্ত্তমান কিমানে কতজনাৰ জন্ম হৈছিল, শঙ্কৰদেৱৰ পিচতো বহুলোক জন্ম হৈছে আৰু হব; কিন্তু শঙ্কৰদেৱৰ হৃদয়ত ভগৱন্তৰ জ্ঞান, কৰ্ম, ভক্তি,

ত্যাগ, বৈৰাগ্য, দয়া, অহিংসা, কাৰুণ্য ইত্যাদি ঐশ্বৰ্য্যৰ স্ফূৰ্ত্তি যেনে বিকাশ ঘটিছিল, আনৰ জীৱনত তেনে দেখা নেযায় কিয়? ঈশ্বৰ শক্তি পূৰ্ণকলা বা নিজ পূৰ্ণ নহয়। মনুষ্যত অৱতীৰ্ণ হোৱাটোৱেই যাই কাৰণ নহয়নে? যেনে যুগৰ যেনে কাৰ্য্যৰ নিমিত্তে ঈশ্বৰ শক্তিৰ অৱতীৰ্ণ প্ৰকৃতি আকাৰ যুক্ত শৰীৰত যাইকৈ মনুষ্য শৰীৰত হবৰ অৰ্থক মতে ঈশ্বৰ শক্তিৰ অৱতাৰ হয়। যেনে যুগত যেনে প্ৰয়োজন তেনে কাৰ্য্য, সেই নিমিত্তে মহাপুৰুষ শ্ৰীমন্তশঙ্কৰ দেৱ পূৰ্ণ অৱতাৰ। এইবিলাকত অলপ ভাবি চাব, যাওঁক, শঙ্কৰ দেৱক ঈশ্বৰ অৱতাৰ বোলাত আমাৰ ভক্তমণ্ডলীয় শিক্ষিত সমাজ ভাৱৰীয়া বন্ধুসকলে অলপমান আচৰিত হ'ব পাৰে কিন্তু অৱতাৰ তত্ত্ব বিষয়ে সংক্ষেপত আমি ওপৰত যি কথাকৈ আহিছোঁ, সেই কথাৰ প্ৰতি পদে পদে নেপাহৰিলে সিবিলাকে আমাৰ এই বিষয় বিশেষ একো আপত্তি নেপাব।

ঈশ্বৰৰ বিশেষ শক্তিৰ অৱতাৰ অসংখ্য যুগত অসংখ্যবাৰ হৈ গৈছে, তাৰে কোনোটি পূৰ্ণ কোনো কোনোটি অংশ বা কলা আৰু কোনো কোনোটি ভগ্নাংশ অৱতাৰ বোলা হয়। এই বিষয় ভাগৱত পুৰাণআদি শাস্ত্ৰই অখণ্ডনীয় প্ৰমাণ। জ্ঞানবীৰ কপিল মুনি, ব্যাস, বশিষ্ঠ যেনেকৈ জ্ঞানৰ অংশ অৱতাৰ; নাৰদ সনত্কুমাৰাদিও সেইদৰে জ্ঞান আৰু ভক্তিৰ অংশ বা ভগ্নাংশ অৱতাৰ সেই কথা চতুৰ্ব্বিংশতি অৱতাৰ আছে। সত্যতায় জ্ঞান প্ৰেম ও বলধাৰীৰ অপূৰ্ব্ব সন্মিলনৰ অৱতাৰ যেনেকৈ শ্ৰীৰামচন্দ্ৰ, তেনেকৈ ৰূপে গুণে ভক্তিয়ে অশ্চৰ্য্য বলবীৰ্য্যৰ ভুবন মোহন ৰূপ অপূৰ্ব্ব সন্মিলন শ্ৰীকৃষ্ণদেৱ। জ্ঞান আৰু দয়াৰ অৱতাৰ তেনেকৈ বুদ্ধদেৱ কৰ্ম্মতাৰ পূৰ্ণতাৰ অৱতাৰ অশোক মুনি। আমি শঙ্কৰাচাৰ্য্য

ৰামানন্দ শ্ৰীচৈতন্য কবীৰ নানক আদি সকলোকে অৱতাৰ বুলি মানোঁ, আধুনিক সমাজোদ্ধাৰ, ৰামকৃষ্ণ পৰম হংস আৰু মহাত্মা গান্ধীকো অৱতাৰ পুৰুষ বুলি মানো। পূৰ্ণ ব্ৰহ্ম তিনি অঙ্গ যেনে জ্ঞানযোগ, কৰ্মযোগ, ভক্তিযোগ, এই তিনি সোঁতাৰ বিশিষ্টতা লাভ কৰোঁতাজনেই সেই সোঁতাৰ সেই যুগৰ অৱতাৰ এই তিনিযুগত বিশিষ্টতা লাভ কৰোঁতা গীতা প্ৰকাশক, সৰ্ব্বাঙ্গ সুন্দৰ, দয়াৰ সাগৰ দৈৱকী নন্দন শ্ৰীকৃষ্ণদেৱক পূৰ্ণ অৱতাৰ বুলি মানো। একেখন মহাসমুদ্ৰৰ বুকুত যেনেকৈ অসংখ্য ঢৌ নানা ধাৰে পৰি, সেইদৰে এক পৰমেশ্বৰ ব্যাপক বিভূৰ বিশ্ব শৰীৰত তেনেকৈ অশেষ জীৱৰ নানাকাৰে পৰি। সেই ঢৌবোৰ যেনেকৈ সমুদ্ৰৰ পানীৰ পৰা পৃথকনহয়, অথচ খন্তেকলৈ মাত্ৰ পৃথকত্বৰ নিচিনাকৈ অৱস্থিত থাকি; আকৌ সমুদ্ৰৰ পানীতে মাৰ যায়।

সেইদৰে জীৱবিলাকো ঈশ্বৰ পৰব্ৰহ্মৰ পৰা আহি, পুনৰ সেই ঈশ্বৰ পৰব্ৰহ্মত লীন যায়। কিন্তু ইয়াতে এটি প্ৰধান তত্ত্ব আছে যে সাগৰৰ অশেষ ঢৌৰ মাজত এনেএকোটা ডাঙৰ ঢৌ আছে তেনে ঢৌ আমাৰকাৰো জলাশয়ত, নদী, পুখুৰী বা সৰোবৰ আদিত হব নোৱাৰে আৰু দেখা নেযায়। সেই ডাঙৰ ঢৌবোৰে আমাক কি আভাষ বুজাই? অৰ্থাৎ সেই ডাঙৰ ঢৌবোৰে, সাগৰৰ অনন্ত মহিমা প্ৰকাশ কৰে। সেইদৰে এই পৃথিবীত অনেকজন মানুহৰ মাজত, এনেয়ে একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হয়; যাক দেখিলে যাৰ কাৰ্য্যকলাপৰ ভিতৰেদি গলে, আমি সেই অনন্ত মহিমান্বিত পৰমেশ্বৰ পৰমপুৰুষ ভগৱন্তক দেখোঁ নাইবা সৰ্ব্বজন জীৱৰে এজন সত্ত্বাকো আছে বুলি জানিব পাৰোঁ; যেহেতু ভগৱন্তৰ মহিমা প্ৰকটিত হৈপৰে। সেই পৰিকে পূৰ্ব্বৰ তিনিজন, অৰ্থাৎ জ্ঞান, কৰ্ম ভক্তি

ভক্তি; এই তিনিও সোঁতাৰ সন্মীলিত, যাৰ শৰীৰত প্ৰকটিত হয় বিজ্ঞলোক সকলে তেওঁক, মহাপুৰুষ বা ঈশ্বৰ পূৰ্ণঅৱতাৰ বুলি কয়; আৰু ইয়াৰ কোনো সন্দেহজনকো নহয়।

আজি ৫০০ পাঁচ শ বছৰ হল, উজনি অসমৰ এচুকত এটি কায়স্থ সন্তান ভূমিষ্ঠ হৈ তেওঁৰ ১১৯ বছৰ ব্যাপী দীঘল জীৱনত অসমৰ উজনি, নামনি আৰু কোচবিহাৰ, এই তিনিও ৰাজ্যত জ্ঞান, কৰ্ম ভক্তি এই তিনিও সোঁতাৰ সন্মীলন কৰি, এক মহাসোঁত বোৱাই ছিল। যুগ যুগান্তৰ পৰা সৌমাৰপীঠ, কামপীঠ, ৰত্নপীঠ আদি যি পবিত্ৰ জ্ঞান, কৰ্ম ভক্তিৰ বীজ সংহতহৈ শক্তি সঞ্চিতহৈ আছিল এই শক্তিয়ে, এই কায়স্থ সন্তানৰ অৱলম্বনত, পৰিস্ফুট আৰু প্ৰাঃবিত হৈ আত্মা প্ৰকাশ কৰি; এক অভিনৱ বলেৰে অসমৰ হৃদয় স্পন্দিত আলোড়িত আৰু আলোকিত কৰি, সকলোকে স্তম্ভিত কৰিছিল যাৰ প্ৰকাশিত নাম-গুণৰ বলত পুণ্যভূমি অসমত এটকা মহত্ত্ব স্থাপিত হৈ আজিও আছে, আগলৈয়ো থাকিব।

যুগ-যুগান্তৰৰ পৰা অসমৰ অভ্ৰিয় কণায়, কণায়, ৰেণুৱে, ৰেণুৱে জোৰায়-জোৰায়ে, বিন্দু-বিন্দুকৈ, টোপা-টোপাকৈ, সঞ্চিত হোৱা ঈশ্বৰৰ কৰুণাবাৰি ক্ষৰিত, প্লাবিত আৰু সন্মীলিত হৈ; সি মহা নদীৰ আকাৰ ধৰি দুখ-দৈন্য শোক নৈৰাশ্যৰ তকাণ অসমৰ হৃদয় সিক্ত, পৰিপ্লুত আৰু বিধৌত কৰি, তাক সুজলা, সুফলা শস্য, শ্যামলা কৰি; নৱ ৰস নৱ জীৱন দান কৰিলে।

* * * *

শংকৰদেৱৰ জয়পতাকা, জয়ধ্বনিৰ পৰিচয় !!

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত, অসমবাসীৰ ঘৰেঘৰে, গাৱেঁ গাৱেঁ নগৰেনগৰে দেদীপ্যমান; আজিও শঙ্কৰদেৱৰ অমৃত নিস্যন্দিনি লেখনিৰ পৰশ ওলোৱা দশম, কীৰ্ত্তন, নামঘোষা, বৰগীত আদি মহাশাস্ত্ৰ সমূহে জীৱন্ত জলন্ত মূৰ্ত্তিধৰি, অসমক এন্ধাৰ বাটত উজ্জল পোহৰেৰে বাটদেখুৱাই, দুঃখত সুখ, নিৰানন্দত আনন্দ, নিৰাশাত আশাদি ইহকাল পৰকালৰ উন্নতি সাধন কৰিবলৈ বাব লাগিছে। তেন্তে হে' অসমবাসী! ভয় কি? সংশয় কি? আমন-জিমনকৈ থাকাকিয়? বুকুত সাহসেৰে, অন্তৰত উৎসাহেৰে, ঈশ্বৰৰ আশীৰ্বাদ শিৰত লৈ, ভক্তি-বিনয় নম্ৰতা অথচ মনুষ্যৰ মনুষ্যত্বৰ কৱচেৰে আবৃত হৈ, উচ্চ ধৰ্মৰ সুবিৰ্মল জ্যোতিৰে বিমণ্ডিত হৈ আগবাঢ়া। চোৱাঁ চোৱা! ওপৰলৈ চোৱাঁ!! অসমৰ বিজয় স্তম্ভৰ চূড়াত সেই শঙ্কৰদেৱৰ নাম, ডাঙৰ-ডাঙৰ আখৰেৰে লিখা 'বিজয় পতাকা' উৰি অসমবাসীৰ অতীতৰ গৌৰৱৰ কাহিনি আৰু ভবিষ্যতটো তেনে গৌৰৱৰ আশা বাণী প্ৰচাৰ কৰি থাকিব !! (শ্ৰীশঙ্কৰদেৱ)

সেই কাৰণে সকলোৱে একান্তভাৱে, সৰল হৃদয়েৰে, সপ্ৰেম ভক্তি সহকাৰে মহাপুৰুষ শ্ৰী শ্ৰী শঙ্কৰদেৱৰ; মহামহোৎসৱৰ উদ্দেশে উৰ্দ্ধবাহু হৈ কায় বাক্য মনে ও প্ৰাণপণে, একাবাৰ 'বিজয় পতাকা সহ জয়-ধ্বনিৰ প্ৰতি-ধ্বনি দিয়ক। যেনে——

বন্দে' মহাপুৰুষৰ পদাৰবিন্দম্ । বন্দে' মহাপুৰুষৰ পদবিন্দম্ !!

বন্দে' মহাপুৰুষৰ পদাৰবিন্দম্ । বন্দে' মহাপুৰুষৰ পদবিন্দম্ !!

জয় জয় মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জয় । (বন্দে শঙ্কৰম্)
জয় জয় জগদ্গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জয় । (বন্দে শঙ্কৰম্)
জয় জয় মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱৰ জয় । (বন্দে শঙ্কৰম্)
জয় জয় ভাগৱত সনাতন ধৰ্মৰ জয় । (বন্দে শঙ্কৰম্)

মহাপুৰুষৰ বন্দনা কীৰ্ত্তন (নেৰালী নাম ছন্দ)

ঘোষা । শঙ্কৰ দেৱ শঙ্কৰ দেৱ, কিঙ্কৰে কৰে পদ পঙ্কজ সেৱ ।
দায়াণ চণ্ডিকৰ — শঙ্কৰ দেৱ । দৰ্পন কুসুমৰ — শঙ্কৰ দেৱ ॥
ভকত চিন্তামণি — শঙ্কৰদেৱ । বৈষ্ণৱ প্ৰভাকৰ — শঙ্কৰদেৱ ॥
বিবিধ গুণাকৰ — শঙ্কৰদেৱ । ভৌমিক শিৰমণি — শঙ্কৰদেৱ ॥
কায়স্থ কুলাগ্ৰণী — শঙ্কৰদেৱ । নৃপতি চূড়ামণি … শঙ্কৰদেৱ ॥
শশাঙ্ক সমুজ্জ্বল .. শঙ্কৰদেৱ । বদন নিৰমল … শঙ্কৰদেৱ ॥
নয়ন উতপল … শঙ্কৰদেৱ । নাসিকা তিলফুল … শঙ্কৰদেৱ ॥
বিভুজ কৰিকৰ … শঙ্কৰদেৱ । বলিত মনোহৰ … শঙ্কৰদেৱ ॥
কেশৰী সকলৰ … শঙ্কৰদেৱ । বিক্ৰমী বীৰবৰ … শঙ্কৰদেৱ ॥
অঙ্গুলী চম্পাদাম … শঙ্কৰদেৱ । জঘন অভিৰাম, শঙ্কৰদেৱ ॥
চৰণ অনুপাম, শঙ্কৰদেৱ । গমন গজোপাম শঙ্কৰদেৱ ॥
পণ্ডিত পটুতৰ শঙ্কৰ দেৱ । শ্ৰীপতি ভক্তিৰ শঙ্কৰদেৱ ॥
গায়ক নটবৰ শঙ্কৰদেৱ । নায়ক সবেৰৰ শঙ্কৰদেৱ ॥
ভাৰতি হেমহাৰ শঙ্কৰদেৱ । শিল্পি সুকুমাৰ শঙ্কৰদেৱ ।
অচ্যুত অৱতাৰ শঙ্কৰদেৱ । কলুষ সমূহাৰ শঙ্কৰদেৱ ।
ব্যাপক গুণনিধি শঙ্কৰদেৱ । স্থাপক যুগবিধি শঙ্কৰদেৱ ।
পাতক মহৌষধি শঙ্কৰদেৱ । ত্ৰাতক ভৱনিধি শঙ্কৰদেৱ ।
চূৰ্ণ ৰজবেহ শঙ্কৰদেৱ । কিঙ্কৰ কিঙ্কৰাহু শঙ্কৰদেৱ ।
নেৰালী নামছন্দে শঙ্কৰদেৱ । যুগল পদ বন্দে শঙ্কৰদেৱ ।

বন্দে মহাপুৰুষৰ পদাৰবিন্দম্ । বন্দে মহাপুৰুষৰ পদাৰবিন্দম্ ॥
বন্দে মহাপুৰুষৰ পদাৰবিন্দম্ । বন্দে মহাপুৰুষৰ পদাৰবিন্দম্ ॥
জয় জয় মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ জয় । (বন্দে শঙ্কৰম্)
জয় জয় জগদ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ জয় (বন্দে শঙ্কৰম্)
জয় জয় মহাপুৰুষ শ্ৰীমন্ত মাধৱদেৱৰ জয় (বন্দে শঙ্কৰম্)
জয় জয় ভাগৱতী সনাতন ধৰ্মৰ জয় (বন্দে শঙ্কৰম্)

জয় জয় বটদ্ৰৱা বৈকুণ্ঠ ভুৱন । সেহি থানে নিজগুৰু হৈলন্ত উদয় । সেহিথানে নিজগুৰু পাতিলন্ত পাট । বাৰ বাৰ মহাৰঙ্গ কৰিলন্ত তাত মধ্যেপদ শিলা দক্ষিণত ৰাখন্ত । মণিকূট গৃহবাৰি, ৰচিলা শঙ্কৰ । দক্ষিণে যাত্ৰাৰ দৌল মহাপুৰুষে নিৰ্মিলা । সাতোবৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা ॥ পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয় । তাহাতে আউনি গুৰু পুথিক লিখয় ॥ উত্তৰে আকাশী গঙ্গা ভক্তি সৰোবৰ মধ্যৰাতি নমাইলন্ত শ্ৰীমন্ত শঙ্কৰ । চাৰি ফালে চাৰি হাতি মহাভক্ত গন । চৈতন্য প্ৰদান কৰে নামৰ কীৰ্তন । সেহিখানে নিজগুৰু কৰিলন্ত বাস । কহয় পুৰুষোত্তম দাসৰো দাস ॥

সপ্তবৈকুণ্ঠৰ শক্তি বৰদোৱা থান । তথাতে ৰহিলা সবে কৰিয়া কীৰ্তন । বৈত আসি গুৰুজন হৈলা অৱতাৰ । আজুহুমি কোনসময় হৈবে বৰদোৱাৰ । সত্ৰ থান চক্ৰ আদি যত আছয় । চাৰিফালে চাৰিবন্ধ লাগিয়া আছয় । কদম শিলিখা, বৃক্ষ আৰু বৃক্ষ আৰ । এই চাৰি বৃক্ষে হৈলা চাৰিদিশে থাম ॥ মধ্য আদি পদশিলা মধ্যে নাৰবৰ । বৃক্ষে মণিকূটে হৈলা শ্ৰীমন্ত শঙ্কৰ ॥ চাৰিদিশে চাৰিহাতি মহাভক্ত গণ । চৈতন্য প্ৰদান কৰে কৰুণ কীৰ্তনং ;উত্তৰে আকাশী গঙ্গা ভক্তিসৰোবৰ । থান পূৰ্বদিশে থাকে ৰাম দামোদৰ । দক্ষিণত বাসুদেৱ লক্ষ্মী-সৰস্বতী । বাৰকক চৌদিশৰ

শংকৰ স্থিতি ॥ অনন্ত অচ্যুত হৰি মধ্যে নিৰাকাৰ। জীৱক
তাৰিবে লাগি হৈলা অৱতাৰ ॥ পঞ্চক্ষেত্ৰ আদি ব্ৰহ্মপুত্ৰ তীৰ্থৰাজ
ভক্তিপাই ইসবেও তবে সাগৰাজ ॥ ব্ৰহ্মগীতা শাস্ত্ৰ দিয়া জগৎ
কৃতাৰ্থ । ব্ৰহ্মপুত্ৰে শৰণ লৈলেক শঙ্কৰত ॥ কিকহিবো সিতো মই
মহিমা থানৰ । বৈকুণ্ঠৰ সমলেই থান মনোহৰ ॥ যেন বৈকুণ্ঠক
পৃথিবীত নিৰ্মিলন্ত । সেহি বৈকুণ্ঠত প্ৰভু শঙ্কৰ বৈলন্ত ॥

জয় জয় জগতীৰ শ্ৰীমন্ত শঙ্কৰদেৱ সকলো বৈকুণ্ঠ মাজে সাৰ
যতেক মধ্যে জন্ম যাৰ গুণ নাম কৰ্ম বটদ্ৰৱা থান নাম যাৰ
সেহি জন্ম ৰূপে সিটো দৈৱকী নন্দন সিটো সঙ্কৰূপ হৈলা অৱতাৰ
আদি পৃথিৱীত জন্ম যাৰ গুণ নাম কৰ্ম কুসুমৰ গৃহে অৱতাৰ
সেহি মহাস্থানে প্ৰায় শাস্ত্ৰে কহে যাৰ নাম তিনিযো ৰাজ্যত ব্যক্তভৈল
শাস্ত্ৰ ন মে ধৰবাদ্ধি মহিমা দেখায়া আছি সেহি যশে জগত বুবিলা
জনিযো ভকত যত থানৰ বুজিয়ো তত্ব কোনেকৈকত স্থিতি হৈয়া ৰৈলা
[illegible] বিলাস নামে বৈকুণ্ঠ বোলয় যাক সেহি পদে থান আসি হৈলা
ধৰ শব্দে ধৰলোৱা কহিলো তাহাৰ ওবা বহিলা ভূমিত হয়া থিৰ
দুহি স ভূমিৰ ভাগ তৰু-তৃণ কৃষ্ণদাস সকলো থানৰ আদি শিৰ
ভূতে কীৰ্ত্তনঘৰ দক্ষিণত দৌলঘৰ উত্তৰত গঙ্গা-বে আকাশী
চাৰিকালে চাৰিজাতি গুণগাযে দিবাৰাতি যেন বৃন্দাবনক প্ৰকাশী
সেহি মহা স্থানে বসি ভকতৰ সমস্ত বসি পূৰ্ণচন্দ্ৰ যেন প্ৰকাশি
ভকতক দয়া কৰি উপদেশ দেন্ত হৰি কৃষ্ণে যেন উদ্ধৱত কৈলা
মোহ মহা ঘৰবাপ দৰশনে হৰে পাপ যেন চাণ্ড হুতাশ শঙ্কৰ
যেনয়, শঙ্কৰ বিনে জন নাহি ত্ৰিভুবনে দ্বিজ বৃন্দাবনে ওহি গায়

"শঙ্কৰদেৱে নিজ কলমে দিয়া পৰিচয়।"

টেম্বুৱনী বংশ গ্ৰাম, বৰদোৱা যাৰ নাম, লোহিত্যৰ জলে অনুকূল।
ভৈলাগেহি গ্ৰামেশ্বৰ, যাৰনাম ৰাজধৰ, দানে মানে যাক নাহি তুল।
অতিথি অভ্যাগত পৰে, আনচিন্তা নাহি ধৰে, সৰ্বদায়ে আনন্দ উৎসৱ।
তান পুত্ৰ ভৈলা চাৰি, সূৰ্যবৰ মুখ্য কৰি, ক্ৰমানুৰ জয়ন্তা মাধৱ।
জ্যেষ্ঠ ভৈলা সূৰ্যবৰ, মহাবৰা দেশধৰ, নামন্ত কায়স্থ কুলৰ দীপ।
মহা দাতা হেন শুনি, ব্ৰাহ্মণ সজ্জন গুণি, চলিবান্ত যাহাৰ সমীপ।
তানে ভৈলা গৰ্ভেশ্বৰ মহামানী বংশধৰ, প্ৰসিদ্ধ কুসুম নাম যাৰ।
ভৌমিকৰ চূড়ামণি, দাতাৰ আগত গণি, যাৰ যশে ব্যাপিল সংসাৰ।
তানে পুত্ৰ অন্নমতি, শঙ্কৰে কৰিয়া নতি, যাৰ যশে ব্যাপিল সংসাৰে।

হৰিচন্দ্ৰ উপাখ্যান।

বৰদোৱা নামে গ্ৰাম, শস্যে মৎস্যে অনুপাম, লোহিত্যৰ জলে অনুকূল
ভৈলাগেহি গ্ৰামেশ্বৰ, যাৰ নাম ৰাজধৰ, কায়স্থ কুলৰ পদ্ম ফুল।
তানে পুত্ৰ সূৰ্যবৰ মহাবৰা দেশধৰ, দানি মানি মহা যশি শিষ্ট।
যাৰ যশ একুৱলে, জয়ন্তা মাধৱ দুইল, দুইভাই যাহাৰ কনিষ্ঠ।
তাতে হন্তে ভৈলাজাত, সমস্ত দেশতে খ্যাত, প্ৰসিদ্ধ কুসুম যাৰ নাম।
দানে মানে ভৈলা চাৰ ভৌমিক মধ্যতসাৰ একো গুণে নাহিকে উপাৰ
তাহান সন্ততি আতি জ্ঞান ভক্ত শিৰমণি কেশৱৰ কিঙ্কৰ শঙ্কৰ
দীৰ্ঘ ত্ৰুষ মাধাছন্দে বিৰচিলো পদবন্ধে শেষকথা উত্তৰা কাণ্ডৰ
টেম্বুৱনী বংশে গ্ৰাম বটদ্ৰৱা যাৰ নাম লোহিত্যৰ জলে অনুকূল।
ভৈলা সেহি গ্ৰামেশ্বৰ যাৰ নাম ৰাজধৰ বংশৰ মধ্যত পদ্মফুল।
তানে পুত্ৰ সূৰ্যবৰ মহাবৰা বংশধৰ আতি ধৰ্মত সত শিষ্ট।
যাৰ যশ একুৱলৈ জয়ন্তা মাধৱ দুইল দুয়োভাই যাহাৰ কনিষ্ঠ।

তাত হৈছে তৈলা জাত সমস্ত জগতে খ্যাত প্ৰসিদ্ধ কুসুম নাম যাৰ। গুণৱন্ত মহামানি, দাতাৰ অগ্ৰত গণি, শিৰোমণি সমস্তে ভূঞাৰ॥ তাহান তনয় কবি কৃষ্ণৰ চৰণ সেৱি শঙ্কৰে ৰচিল ইতো গীত। গুণিয়োক সুধিলোক মোৰ পদ যেন হৌক কৃষ্ণ কথা শুনি ৰঙ্গচিত্ত॥ তেম্বুৱনী বন্ধে বসাই প্ৰবন্ধে বটদ্ৰৱা নামে গ্ৰাম। ৰাজধৰ নামযাৰ তান গৰ্ভেশ্বৰ কায়স্থ কুলউদ্ধাৰ॥ ব্ৰাহ্মণ সজ্জনে প্ৰাপ্তী আশা মনে থাকন্ত যাক উপাশি॥ যাৰ কীৰ্ত্তি চয় আজিও ভ্ৰময় মহা মহা যশ ৰাশি। তাহান তনয় মহাশুদ্ধ নয় প্ৰসিদ্ধ কুসুম নাম॥ সৎকৰ্ম্ম যত সবাতো পাৰ্গত গুনতো নাহি উপাম। ভৌমিকন্ত চূড়া মণি মহাবুঢ়া নহওে কেহ আজ্ঞাক॥ বংশতো প্ৰখ্যাত গন্ধৰ্ব্ব সাক্ষাত জগতে বাখানে যাক তাহান সন্ধি অতি শিশুমতি শঙ্কৰে ভনে পয়াৰ॥ পণ্ডিতন্ত লোকক কৰযোৰ কৰো ক্ষমিয়ো দোষ আমাৰ।

(ৰুক্মিনী হৰণ)

ৰৰদোৱা নামে গ্ৰাম শস্যে ৰথন্তে অনুপাম ব্ৰহ্মপুত্ৰ বহে/যাৰ কাছে। তৈলা সেহি গ্ৰামেৰ যাৰ নাম ৰাজধৰ যাৰ স্বৰ্ণৰাশি এড়ু আছে॥ তান পুত্ৰ সূৰ্য্যবৰ মহাবৰা বংশধৰ কায়স্থ কুলৰ সন্তশিষ্ট। যাৰ-যশ একুন্দলে জগতা-যাৰত দলে ছুয়োভাই যাহাৰ কণিষ্ঠ। তানপুত্ৰ অনুপাম প্ৰসিদ্ধ কুসুম নাম ভৌমিক মধ্যত নাই তুল। দানি-মানি গুণবন্ত মহাজনে বখানন্ত বংশৰ মধ্যত পদ্মফুল তাহান সন্ততি আতি জ্ঞান-শুদ্ধ শিশুমতি কেশৱৰ কিঙ্কৰ শঙ্কৰ কথা একাদশ-স্কন্ধে বিৰচিলা পদবন্ধে শুনা সভাসদ নিৰন্তৰে॥ তাঁঃ

বটদ্ৰৱা নামেগ্ৰাম শস্যে-ধন্যে অনুপাম লোহিতৰ আতি অনুকূল সেই মহাগ্ৰামেৰৰ আছিলন্ত ৰাজধৰ কায়স্থ কুলত পদ্মফুল॥ তান পুত্ৰ সূৰ্য্যবৰ মহাবৰা দেশধৰ দানি-মানি পৰমবিশিষ্ট। যাৰ য-

জয়ন্তা মাধৱদলৈ দুইভাই যাহাৰ কনিষ্ঠ ॥ তা'পুত্ৰ কুলোদ্ধাৰ সৌমিত্ৰ মধ্যস্থ শাৰ প্ৰসিদ্ধ কুসুম নাম যা'ৰ; তানপুত্ৰ শিৱমতি কৃষ্ণপাৱে কৰি নতি বিৰচিলা শঙ্কৰ পয়াৰ ॥ ভাগৱত ১২০০১

এইয়ে শঙ্কৰদেৱে নিজে দিয়া পৰিচয়। পুত্ৰই নিজপিতৃ নিজে চিনি নেপালেও; পিতৃদেৱে নিজে পৰিচয় দিওঁতেও; যি চিনি নেপাই বা পৰিচয় নলয় অথবা আনন্দৰ উৎসৱো নকৰে; তাকে বোলে জাৰজ সন্তান নাইবা বৰ্ণ শঙ্কৰ। এনে নিজপিতৃ চিনি নোপোৱা বৰ্ণ শঙ্কৰ লোকসকলেহে ধৰ্ম কৰ্ম ভক্তি জাতি সমাজ আদি ভিন্নমত প্ৰকাশ কৰি যেনেগ তেনেগ কৰে; কিন্তু যিসকলে নিজপিতৃ নিজভক্তিধৰ্মকৰ্ম আৰু নিজদেশৰ গঙ্গা মাতৃ জাতিভাই বন্ধু আদি চিনি পাইছে; বিশেষকৈ যাঁৰ অন্তৰত অহিংসা পৰমধৰ্ম আছে; সিবিলাক এককেন্দ্ৰি একছত্ৰি একভক্তিধৰ্মত ভাবাপন্ন আৰু একমাত্ৰহে ৰ'ভিৰ সমাজবুলি জানে। সেই কাৰণে গীতাত কৃষ্ণে অৰ্জুনক কৈছে যে, স্বধৰ্ম স্বভক্তি পৰিত্যাগ কৰা উচিত নহয়; যদি স্বধৰ্মৰ স্বভক্তিধৰ্ম-কৰ্ম পৰিত্যাগ কৰিলে; সি নিন্দনীয় আৰু গৰ্হিত বুলি কৈছে— শ্ৰেয়ান স্বধৰ্মো বিগুণঃ পৰধৰ্মাৎ স্বভাৱনিয়তং কৰ্ম কুৰ্বন্নাপ্নোতি কিল্বিষম্। স্বদেশৰ স্বধৰ্ম্ম স্বকৰ্ম্ম স্বভক্তি আৰু স্বদেশৰ হিতসাধন কৰোঁতে যদি, অঙ্গহীনো হয়, তথাপিও স্বদেশৰ ধৰ্ম ত্যাগ কৰা উচিত নহয়; কিয়নো স্বধৰ্মৰ ফল অতি মহৎ। যদি পৰধৰ্মত অট্টালিকাদি স্বৰ্ণৰ প্ৰাচীৰো পায় তেনে হলেও পৰকালে তাৰ বিষম যাতনা ভোগ কৰিব লাগিব, গতিকে তাক ধাৰণা কৰা অনুচিত। কিন্তু স্বধৰ্ম পৰায়ন সকলে কোনো দুখ ভোগ কৰিব নেলাগে। ই স্বয়ং ভগৱন্ত শ্ৰীকৃষ্ণৰ মুখৰ বাক্য। সেই হেতু এই অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত

সনাতন একশৰণ হৰিনাম কীৰ্ত্তন ধৰ্ম প্ৰকাশ কৰি থোৱা আছে। গতিকে সকলো অসমবাসী সকলে অৰ্থাৎ দেশী বা বিদেশী সৰ্ব্ব লোকে এই মহাপুৰুষৰ দেশত বা এই অসমত বাস কৰি আছে সকলোৱে যেন অতি সমাদৰে সমৰ্থন কৰি নিজ ধৰ্ম বুলি আনন্দ মনেৰে অকপট হৃদয়ে ধাৰণ কৰিব লাগিব। কিয়নো এই শঙ্কৰ দেৱৰ ধৰ্ম বা ভক্তিক ধাৰণা কৰিব লাগে বুলি উত্তৰ কৰে, সেই উত্তৰত মই অতি মহামূৰ্খ হলেও ঈশ্বৰৰ আশীৰ্ব্বাদ শিৰত লৈ গুৰুৰ পদ প্ৰসাদে আৰু ভকত বৈষ্ণৱ সকলৰ পদধূলা মস্তকে ধাৰণা কৰি কওঁ যে যাক সৰ্ব্ব শাস্ত্ৰাদি যোগে দেৱতা ঋষি মুনি আৰু মহা পণ্ডিত সকলেও যাক নিজ ঈশ্বৰ, নিজ গুৰু, নিজ ভক্তি আৰু নিজ স্বধৰ্ম বুলি ৰাশি ৰাশি পৰিচয় দিব লাগিছে তাক কোনোমতে ত্যাগ কৰা উচিত নহয়। সেই স্বধৰ্ম বাদ দি অন্য ধৰ্ম অবলম্বন কৰিলে তাকে বেশ্যা বা পতিত ধৰ্ম অথবা জাৰজ সন্তান, ভ্ৰষ্টাচাৰী ধৰ্ম বোলে আৰু তেওঁ স্বদেশৰ বিদ্ৰোহী জগতৰ ধূমকেতু, কুলৰ কণ্টক, জাতিৰ বৈৰী, নামৰ অপৰাধী, গুৰু ভকতৰ পৰাও অন্তৰ। এই বিষয় আগত কৈ অহা হৈছে যে অসুৰবিলাকে ধৰ্ম-কৰ্ম প্ৰবৃত্তি-নিবৃত্তি সত্য-অসত্য একো চিনি নাপায়, গতিকে পুৰুষোত্তম দেৱে ন ঘোষাত লেখিছে যেনে:—

ভকতৰ মহিমাক, অভকতে নপায়, যদিওবা থাকে সমিপত।
পদ্মৰ পত্ৰত পৰি, বেঙে যেন টেঁটাৰয়, পদ্মৰ মহিমা আছে যত॥

এতিয়া জড়বাদী বা দৈত্য সকলৰ আপত্তি তাহি গল এতাব চিনো নেথাকিল, কিন্তু দুখৰ বিষয় এই যে যাক প্ৰতি শাস্ত্ৰে প্ৰতি পদে প্ৰায় ভাগেই শঙ্কৰ দেৱেই পৰম ব্ৰহ্ম পৰমেশ্বৰ পৰম-গুৰু তাৰ কোনো সংশয় নাই, এনেস্থলত শঙ্কৰদেৱ হেন এজন

মহাত্মা মহাপুৰুষ অসমত অৱতাৰ হৈ এসাজ ভাত সুখেৰে খাবলৈ নেপালে। পুৰ অসমত জন্ম গ্ৰহণ কৰি পশ্চিম দেশলৈকে দীঘল দীঘলকৈ সিৰলি টানি ভক্তিৰ কঠিয়াৰ গুটি সিচি থৈ শেষত নিজৰ দেশত বিবাদীৰ পৰা সুখ শান্তি নেপাই কোচবিহাৰ ৰাজ্যত প্ৰাণ প্ৰভু পিতৃবৰ বৈকুণ্ঠলৈ যাত্ৰা কৰিলে। পূৰ্ণ কৃষ্ণ ভগৱন্তয়ো মথুৰাত বসুদেৱ দেৱকীৰ ঘৰত জন্ম গ্ৰহণ কৰি কংশৰ ভয়ত গকুলৰ নন্দ-যশোদাৰ ঘৰত গৰু ৰখি দধি ভাত খাই ডাঙৰ দীঘল হৈ জৰাসন্ধৰ খেদাত সাগৰৰ মাজ দ্বাৰকাত বাস কৰি কুতৰ্কি পাষণ্ডবিলাক বধ কৰি ব্যাধৰ চোৰ শৰত পৰি বৈকুণ্ঠ গামী হোৱা শিলৰ ৰেখা হৈ আছে। আকৌ মাহাত্মা গান্ধীজী স্বৰ্গে এজন দুখীয়া জীৱৰ প্ৰতি দয়া দৃষ্টি কৰি শুদ্ধ ৰাটত অৱতাৰ হৈ সকলো জাতিকে স্বৰাজ স্বাধীন কৰি অৱশেষত ইয়াৰ প্ৰতিফলৰ উপহাৰ ১৯৪৮ চনৰ ৩০ জানুৱাৰী ১৫ মাঘত নাথুৰাম বিনয়াকৰ হাতত বন্দুকৰ গুলী খাই দিল্লী চহৰত প্ৰাণ ত্যাগ কৰাত জগতৰ নিৰীহ প্ৰাণী সকল শোক সাগৰত ভাহি পৰিল। এয়েই আমাৰ পবিত্ৰ হিন্দু ধৰ্মৰ গৌৰৱত অমাবস্যা এন্ধাৰ ৰাতি তাতে আৰু দোৰ্খোৰ কলা ডাৱৰে ঢাকি তাম্ৰ কলিত কালিমাৰ দাগ বহুৱালে। যি ধৰ্মই সকলো ধৰ্মৰ মাজত উচ্চস্থান পাইছিল, যি ধৰ্মই ভাগৱতী সনাতন ধৰ্ম বুলি নাম যি ধৰ্মই নিত্য যাৱত পবিত্ৰ ধৰ্ম বুলি গোটাই জগতত জনাজাত আছিল, আজি এই পবিত্ৰ ধৰ্মাৱলম্বি সকলৰ হৃদয়ত কিমান সৰল ভাৱ কিমান কপটতা, নিষ্ঠুৰতা অথবা কিমান ভক্তি ভাৱত উদাসীনতা মনুষ্য নিজৰ মান ধন লৌকিকী গৌৰৱৰ বাবে যি অস্পৃশ্যতা বৰ্জন, সাম্য ভাৱ সৌম্য মূৰ্ত্তি পৰিণত কৰি দৈত্যক

উদ্ধাৰ কৰোতে, এই অকলঙ্ক ধৰ্মত কলঙ্কৰ ৰেখাপাত চিৰকালৈকে থাকিল । তথাপি মহাপুৰুষ সকলৰ জন্ম-মৃত্যু অদ্ভুত । যেনে—
হৰি মোৰ হৰি মোৰ এ দীন দয়াল । কেজানিতে পাৰে তোমাৰ ঠাকুৰাল
নাহিকে তোমাৰ জন্ম তথাপি জন্ম ধৰা, সেহি জন্মে জীৱৰ জনম দূৰ কৰা
সহজে অকৰ্ত্তা কৰ্ম কৰা অপৰ্য্যন্ত, সোহি কৰ্মে জীৱৰ কৰ্ম কৰা অন্ত
তুমিসে নিৰ্গুণ গুণৰ সীমা নাই, নিৰ্গুণ তোমাৰ জীৱ সোহি গুণ গায়
কহয় মাধৱ দাসে উহি আশা মন, নহয় পীৰিতি মাগো তোমাৰ চৰণ
আহিন প্ৰবেশি দশদিন গৈ গৈল, সেহি দিনা শঙ্কৰদেৱৰ জন্ম ভৈল
শুকুলা দশমী আসি ভৈলা শুক্ৰবাৰ, ধৰ্ম্মৰ্কাহ পাপনষ্ট কৈলা জগতৰ
বাবখাবে দিয়া আছে হাওলাত বাতি, তেতিক্ষণে পৰিল সবেহৈয়াকাতি
নুমাইল তেতিক্ষণে বাতিবাতি কৰি, সমস্ত লোকে সুমৰয় হৰি হৰি
তপ জপ পূজা সন্ন্যাস আদি কৰিবেক দূৰ, তযুপুত্ৰে বিপ্ৰৰ কৰিবে দৰ্পচুৰ
নৰোত্তম গুৰু দেখি পূজা আৰম্ভিলা, কৰ্ণপুৰ চতুৰ্ভুজে পূজাক কৰিলা
কুসুমেও ভাৰ্য্যাসমে দণ্ডৱতে পৰি, শঙ্কৰৰ কল্যাণ সাধন্ত স্তুতি কৰি ।

——: X :——

আৰ্য্য সমাজৰ দশ নিয়মৰ পৰিচয় !!!

১। বেদ সমস্ত সত্য বিদ্যাৰ পুথি কিন্তু যি যি পৰমাৰ্থ তত্ত্ব বা বিদ্যাবলে জ্ঞাতব্য হয়, সেই সমস্তৰে আদিমূল পৰমাৰ্থ তত্ত্ব বিদ্যা একমাত্ৰ পৰম পৰমাত্মা পৰম ব্ৰহ্ম পৰমেশ্বৰ পৰম পুৰুষ ভগৱন্ত। এওঁবেই সকলোৰে আত্মা, পৰমাৰ্থ তত্ত্ব বিদ্যা, জ্ঞান, সত্য আৰু জ্ঞাতব্য ।

২। ঈশ্বৰ সচ্চিদানন্দ স্বৰূপ নাৰায়ন নিৰঞ্জন নিৰাকাৰ নিৰ্বিকাৰ

নিরাহারি নিরাময় নিরাশ্রয় অনন্ত অনাদি অজয় অমর অভয় অনুপাম সর্ব্বব্যাপক সর্ব্বেশ্বর সর্ব্বাধার সর্ব্বান্তর্য্যামী সর্ব্বশক্তিমান সত্য সনাতন শাশ্বত আরু ন্যায়কারী। এওঁকে সকলোরে উপাসা করা কর্ত্তব্য।

৩। বিবিলাক সত্য বিতার বেদ শাস্ত্র পুথি তার সার তত্ত্ব কথা বিলাক সর্ব্বদায় শ্রবন শ্রাবন পঠন পাঠন কীর্ত্তন কীর্ত্তি প্রভৃতি স্মরণ বরন বর্ণ ও চরিত্রাদি সমস্ত আর্য্য সমাজে পালন করাই পরম ধর্ম।

৪। সত্য গ্রহণ ও অসত্যক প্রানপনে পরিত্যাগে সদায় সাবধানতাত উদ্যত থকা কর্ত্তব্য কর্ম।

৫। সমস্ত কর্ম ধর্মানুসারে অসত্যক বাদ দি বহু সহকারে সত্যতার বিচার করা একান্ত কর্ত্তব্য কর্ম। অর্থাৎ তেতিয়া ধর্ম সম্পূর্ণ রূপে রক্ষা করা হয়।

৬। সংসারর উপকার করাই অর্থাৎ শারীরিক মানসিক আধ্যাত্মিক সামাজিক ও নৈতিকর উন্নতি সাধন শোধন করা কর্ত্তব্য কর্ম। তেতিয়া সকলো শান্তি থাকে।

৭। সকলোরে জগত এক আত্মা করি প্রীতিপূর্ব্বক ধর্মানুসারে যথা যোগ্য অবস্থান ব্যবহার করা কর্ত্তব্য কর্ম— যেনে একশরণ সৎ-সঙ্গ হরিনামর মাজেরে।

৮। অজ্ঞান আন্ধার অবিদ্যা অকর্ম বিলাক নাশকরি পরম পরমাত্ম জ্ঞান বিতার বৃদ্ধি করা একান্ত কর্ত্তব্য কর্ম। তেতিয়া ভক্তি রক্ষা করা হয়।

৯। ত্যেকে আপোনার উন্নতিতে থকা কর্ত্তব্য নহয়। পরর উপকার উন্নতি সাধন করাহে উচিত কর্ত্তব্য কর্ম। অর্থাৎ তেতিয়া কর্ম্ম রক্ষা হয়।

১০। সকলো মনুষ্যৰ সামাজিক সৰ্ব্বহিতকাৰি নিয়ম পালনেৎ পৰতন্ত্ৰ থকা কৰ্ত্তব্য আৰু প্ৰত্যেকৰ হিতকাৰী হৈ নিয়ম পালনৰ নিমিত্তে স্বতন্ত্ৰ থাকি নিন্দা হিংসা ঘৃণা বিবাদাদি নকৰাকৈ থকাই প্ৰধান উচিত কৰ্ত্তব্য কথা । অৰ্থাৎ যেনে পৰৰ উপকাৰ বুলি মানিবা মনত, অহিংসাৰ গছপুলি ৰুই লোৱা হৃদয়ত ।

কোন সকলৰ সপোনপুৰীৰ দেৱপাৰিজাত কৰি নিৰ্ম্মূল হে' সত্য-সন্ধ্যা
তোমাৰ কুঞ্জত থাবকা পজিয়ে ফলেহি ফুল;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
যাৰ সৌৰভৰ মাগন্ধ লাগি সমস্ত অসম পৰিল ঢলি,
বিভুৰ প্ৰেমত প্ৰমত্ত হৈ এৰয় বাসনা দিছিল বলি;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
অজেয় শঙ্কৰ তুমি শ্ৰেষ্ঠনৰ বিনা অস্ত্ৰে দেশ কৰিলা জয়,
প্ৰজাৰ হিয়াত স্থাপিলা ৰাজ্য পাঁচ শ বছৰ গৈছে ক্ষয়;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
অহিংসাৰ ব্ৰতী হেৰা নৰপতি আপোন প্ৰভাৱে সকলে
শিৰত জিলিকে শুভ্ৰ কিৰিটি দিগন্ত বিয়াপি বিমল, শে;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
অথবা শঙ্কৰ তুমি যাদুকৰ ৰবনৈ পাৰত ত্ৰিভঙ্গ হৈ,
শান্তিৰ ধজা বোৱালা দেশত সকলো কলুষ পখালি লৈ;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
বাঁহীত তোমাৰ কিস্বৰ বজালা যাৰ সুললিত পৰশ লাগি,
সুপ্ত অসমৰ প্ৰাণত উঠিলে সুপ্ত শিল্প সকলো জাগি;
জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !
জানোঁ শঙ্কৰ তুমি হলধৰ অসমভূমিত সমাৰ বালা,

ভেদৰ মাটিক কৰিলা ওপৰ সকলো জাতিক সমানে ধৰা;

জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !

উলঙ্গিব তুচ্ছ আদৰ্শ উচ্চ উপাসক চিৰসুন্দৰৰ,

তুমি অতিভৰ সুন্দৰ তাৰকা ধীমহি ত্বং কৌস্তুভৰঃ

জয় জগদ্ গুৰু শঙ্কৰ মহিমা তোমাৰ !

বন্দে’ শঙ্কৰম্ ! বন্দে’ শঙ্কৰম্ !! বন্দে শঙ্কৰম্ !!!

বন্দে’ শঙ্কৰম্ ! বন্দে’ শঙ্কৰম্ !!

বন্দে’ শঙ্কৰম্ !!!

হে’ ভগৱন্ত, অনাদি অনন্ত, প্ৰপন্ন জন তাৰণ !

তুমি প্ৰিয়আত্মা, পৰম দেৱতা, জানিয়া লৈলো শৰণ ॥

সমাপ্ত ।

CURZON HALL LIBRARY
MAR. 1950
GAUHATI, ASSAM

কথা বিলাক গান-বিহলী হৈ যোৱাৰ কাৰণে, বিষয় অনুক্ৰমণি অধ্যায় আদি ক্ৰমিক বিলাক দিয়া নহল, দ্বিতীয় প্ৰকাশত সকলো কথা শুধৰণি হব । এইপুথিৰ কোনো বিষয়ে প্ৰকাশকলৈ চিঠি—

ফুলগুৰি শ্ৰীযুত নবীৰাম ভকত শ্ৰীযুত ধৰ্ম্মধৰ গ্ৰাঠক খেল গধৰ, এই পুথিত ১০৲ পোন্ধৰ টকা দান কৰে ।